# আক্রোশ

# আক্ৰোশ

ড° দীপক মজুমদাৰ

চন্দ্ৰ প্ৰকাশ
পাণবজাৰ, গুৱাহাটী - ১

***Acrosh :*** A collection of Assamese short stories written by Dr. Deepak Majumdar Published by Rajendra Mohan Sarma & Dr. Rabindra Mohan Sarma on behalf of Chandra Prakash, Panbazar, Guwahati - 1

ISBN : 978-81-244-0229-5

আক্ৰোশ ঃ অসমীয়া ৰহস্য গল্পৰ সংকলন
লিখক ঃ
ড° দীপক মজুমদাৰ

প্ৰকাশক ঃ
ৰাজেন্দ্ৰ মোহন শৰ্মা, ডাঃ ৰবীন্দ্ৰ মোহন শৰ্মা
চন্দ্ৰ প্ৰকাশ, পাণবজাৰ, গুৱাহাটী- ১
দূৰভাষ ঃ ২৫১১৯৪৬

তৃতীয় প্ৰকাশ ঃ ২০১১

মূল্য ঃ ৮০.০০ টকা

ডি. টি. পি. ঃ মাইক্ৰ'ছফট ডি টি পি চেণ্টাৰ
আৰ জি বৰুৱা ৰোড , গুৱাহাটী - ২৪
ফোন ঃ ৯৮৬৪০১৩২৭৯

মূদ্ৰণ ঃ **কালাৰপ্লাছ,** ৰাজগড় ৰোড, গুৱাহাটী-৩

# একাষাৰ

আক্ৰোশত সন্নিবিষ্ট গল্পকেইটা জনপ্ৰিয় আলোচনী ৰহস্যত আগেয়ে প্ৰকাশিত হৈছিল। ১৯৮৭ চনত আক্ৰোশৰ প্ৰথম প্ৰকাশ হৈছিল। ১৯৯৫ চনত দ্বিতীয় প্ৰকাশৰ পিছত এতিয়া তৃতীয় প্ৰকাশৰ মুখ দেখা বাবে চন্দ্ৰ প্ৰকাশৰ স্বত্বাধিকাৰ ৰাজেন্দ্ৰ মোহন শৰ্মা আৰু ডাঃ ৰবীন্দ্ৰ মোহন শৰ্মালৈ কৃতজ্ঞতা জ্ঞাপন কৰিলো।

এইখিনিতে এটা কথা উনুকিয়াই থোৱা উচিত হ'ব। গল্প সমূহত বৰ্ণিত পটভূমিৰ লগত বাস্তৱৰ মিল থকাতো অসম্ভৱ নহয়। কিন্তু গল্পকেইটাৰ প্ৰতিটো চৰিত্ৰই কল্পনা প্ৰসূত, বাস্তৱৰ লগত তিলমানো সম্পৰ্ক নাই।

ড° দীপক মজুমদাৰ

১২ নৱেম্বৰ, ২০১১
গুৱাহাটী।

# সূচীপত্ৰ


| | |
|---|---|
| অৱশেষত | ১ |
| সলিল সমাধি | ১৫ |
| ৰহস্যময়ী | ৩১ |
| টোপ | ৪৭ |
| হত্যাকাৰী | ৬৮ |
| আক্ৰোশ | ৮২ |

# অৱশেষত

মমডাল কঁপিছিল।

আহল-বহল কোঠাটোৰ একোণত মমডাল জ্বলি আছিল। মমডালৰ অনুজ্বল পোহৰে ৰজতহঁতক চুব পৰা নাই। সিহঁত আন্ধাৰতে বহি আছিল। ৰজত বহিছিল মমডালক পিঠিদি। তাৰ সন্মুখত বহিছিল মোহনগড় টি ইষ্টেটৰ হেডক্লাৰ্ক আশুতোষ দত্ত।

ৰজতৰ অন্তৰখন দুৰু-দুৰুকৈ কঁপিছিল। সি ভাবি পাৰ নাপালে ষাঠি বছৰীয়া দত্তই কেনেকৈ গম পালে যে ৰজত এজন পলাতক দাগী আচামী। যদি সি আগতেই জানিলেহেঁতেন তাৰ প্ৰকৃত পৰিচয়টো এই সৰু ঠাইখনৰ আন কোনোবাই জানে বুলি, তেতিয়াহ'লে কেতিয়াও সি ইয়ালৈ আত্মগোপন কৰিবলৈ নাহিলেহেঁতেন।

'ৰজত!' আশুতোষ দত্তই গাটো লৰাই পোন হৈ বহিল। ৰজতে একো নক'লে। তলমূৰটো ওপৰ কৰিলে মাথোন।

'ভয় নকৰিবা। তোমাৰ প্ৰকৃত পৰিচয়টো ইয়াত অকল মইহে জানো।' কথাখিনি দত্তই অলপ কোমল স্বৰেৰে ক'লে। ৰজত কিন্তু পতিয়ন যাব নোৱাৰিলে। সি যেন হঠাতে উপলব্ধি কৰিলে, দত্তই তাক পুলিচৰ হাতত চমজাই নিদিয়ে। তেনেকুৱা এটা ইচ্ছা থাকিলে দত্তই এই নিজান ঘৰটোলৈ তাক মাতি নানে। হয়তো দত্তৰ অইন কিবা অভিসন্ধি আছে। হয়তো দত্তই তাৰ হতুৱাই কিবা এটা কৰাই ল'ব খুজিছে।

ৰজতে নিজকে সহজ কৰি ক'লে 'আপুনি মোৰ পৰা কি আদায় কৰিব খুজিছে কৈ দিয়ক।'

আশুতোষ দত্তই হাঁহিলে। 'তুমি ইংগিতটো ঠিকেই বুজি পাইছা। নাপাবলৈ তুমিতো সিমান বুৰ্বক নোহোৱা। কিন্তু ভাবিবলৈ আচৰিত লাগে যে তোমাৰ নিচিনা মানুহ এটাৰ কাৰণে বেংকৰ লকাৰ খোলা মাত্ৰ এক চেকেণ্ডৰ কাম।'

'তাৰমানে .....!!'

'ধীৰে বন্ধু ধীৰে। ইমান উত্তেজিত নহ'বা। শুনা, এইবাৰো তুমি লকাৰ এটা

খুলিব লাগিব। কিন্তু কোনো বেংকৰ লকাৰ নহয়। আমাৰ মালিকৰ বঙলাত থকা লকাৰটো খুলিব লাগিব। আৰু এই কামটো কৰাই ল'বলৈকে মালিকক কৈ তোমাক চাকৰীটো দিছিলো। কিন্তু মনত ৰাখিবা মোহনগড় পুলিচ আউটপষ্টৰ অ'চি জন মোৰ বন্ধু। এটা বেলেগ চাল দিলেই.....'

'বুজিছো।' ৰজতে তলমুৰকৈ ক'লে।

ৰজতৰ মুখমণ্ডলত ঘাম বিৰিঙিছিল। ৰুমাল এখন উলিয়াই লৈ ঘামখিনি মুচি ল'লে ৰজতে। তাৰপিছত সি আশুতোষ দত্তৰ প্লেনটো শুনি লৈ ওলাই আহিল। আহোঁতে দূৰৈৰ পৰা সি প্ৰপাইটৰ দুৰ্গাধৰ বৰুৱাৰ টিলা এটাৰ ওপৰত থকা অকলশৰীয়া প্ৰকাণ্ড বঙলাটোলৈ চাই পঠিয়াইছিল। কোনে বাৰু ক'ব পাৰে যে এই পুৰণি বাংলাটোত এতিয়া বিশলাখ টকা আছে!

সি হুমুনিয়াহ এটা পেলালে।

কামটো অসম্ভৱ নহ'ব কিজানি! কিন্তু সেই প্ৰকাণ্ড এলচিছিয়ান কুকুৰটো আৰু নাইট চকীদাৰ দুটাই তাক বিপদত পেলাব পাৰে। যদি কাইলৈ দুৰ্গা বৰুৱা ক্লাবলৈ নাযায়!!

ৰজত থমকি ৰ'ল। তাৰ দুকোঠলীয়া কোৱাৰ্টাৰটোৰ ভিতৰত কোনোবা এজন যেন আছে!

ৰজত সাৱধান হৈ খুপি খুপি আগুৱাই গ'ল। তাৰ সুঃস্পষ্টভাবে মনত আছে দৰ্জাখনত সি তলা লগাই গৈছিল। কিন্তু এতিয়া? ৰজতে দেখিলে কোনোবা এজন তাৰ এজনীয়া বিছনাখনত শুই আছে। কোঠাটো অন্ধকাৰ কাৰণে সি চিনিব নোৱাৰিলে মানুহজনক। সি লাইটটোৰ চুইচত হাত দি দৰ্জাখনৰ বাটামত আউজি ৰ'ল।

'ৰফিক! তই!' ৰজতে চিঞৰি দিলে। একালৰ আণ্ডাৰওৱাৰ্ল্ডৰ তাৰ একমাত্ৰ সঙ্গী ৰফিক আলিক দেখি ৰজত আচৰিত হ'ল। ৰফিক কিন্তু উৎফুল্ল নহ'ল। সি ৰজতলৈ চাই সুধিলে 'তই বৰ্ত্তমান এংগেজ নেকি?'

'কিয়?' আচৰিত হৈ ৰজতে সুধিলে।

'মানুহ এজনে তোক বিচাৰিছিল। ডাঙৰ অপাৰেচন।'

'ক'ৰ মানুহ?' ৰজতে বিছনাখনত বহি ল'লে।

'গুৱাহাটীৰ।'

'নাম?'

'নামটো পাহৰিলো। প্ৰলয়, প্ৰণয়, বা প্ৰণৱ এনেকুৱা ধৰণৰ নামটো আছিল। উপাধি আছিল শইকীয়া। তই যদি ........'

'মোৰ এতিয়া একদম সময় নাই। আচ্ছা, মানুহজনে মোক কেতিয়া বিচাৰিছিল?'

'হ'ল সাদিনমান। কাৰোবাৰ লকাৰ খুলিব লাগে বোলে। মই শুনি ভাবিলো তোৰ বাহিৰে আনৰ দ্বাৰা এই কাম সহজসাধ্য নহ'ব।'

'বাদ দে সেইবোৰ এতিয়া, বটল আনিছ?'

তাৰ পিছত নিশাটো কেনেকৈ পাৰ হৈ গ'ল ৰজতে অনুভৱ কৰিব নোৱাৰিলে। পুৱা সাৰ পাওঁতে তাৰ দেৰি হৈছিল। শুই উঠি সি ৰফিকক নেদেখিলে। হয়তো ৰাতিয়ে সি গ'লগৈ। মুখ হাত ধুই ৰজত ওলাই আহিল। পুৱা আঠতা বাজিছে এতিয়া।

ৰাতিপুৱাৰ ৰ'দজাকৰ পোহৰত টিলাটোৰ ওপৰত থকা ঘৰটো অপূৰ্ব্ব দেখাইছিল। ৰজতে টিলাটোৰ ওপৰলৈ যোৱা আকোৱা পকোৱা কেঁচা মাটিৰ পথটোৰে খোজকাঢ়ি উঠি গ'ল। গেটৰ সন্মুখত তাক দেখি চকীদাৰ মনবাহাদুৰ দৌৰি আহিল। ৰজতৰ সৰ্ব্বশৰীৰৰ ওপৰত চকুফুৰাই মনবাহাদুৰে গেটখন খুলি দিলে। ৰজত সোমাই আহিল।

'আপুনিয়েই ইলেকট্ৰিচিয়ান?'

'হয়।' বুলি ৰজতে শলাগিলে।

মনবাহাদুৰে তাক বাৰাণ্ডাত ৰ'বলৈ কৈ ভিতৰলৈ সোমাই গ'ল। ৰজতে এইবাৰ চৌহদটোৰ ওপৰত চকু ফুৰালে। তাৰ ভাব হ'ল বাৰাণ্ডাখনত সি যেন এতিয়া অকলশৰীয়া নহয়। উচপ খাই উঠি সি মূৰটো ঘূৰালে। বাৰাণ্ডাখনত এজনী যুৱতী থিয় হৈছেহি।

'তুমি .... মানে আ-পু-নি......!!'

যুৱতীয়ে ৰজতৰ পিছফালটো দেখি উৎফুল্ল হৈ 'তুমি ' সম্বোধন কৰিছিল। কিন্তু ৰজতৰ মুখখন দেখাৰ লগে লগে লাজ পালে যুৱতীয়ে। অচিনাকী ৰজতক দেখি একমুহূৰ্ত্ত নীৰৱে ৰ'ল যুৱতী।

মনবাহাদুৰ ওলাই আহিল। যুৱতীয়ে মনবাহাদুৰক চকুৰ ইংগিতৰে ৰজতলৈ দেখুৱাই দিলে। মনবাহাদুৰে ক'লে 'এখেত ইলেকট্ৰিচিয়ান মেমচাহাব।'

মেমচাহাব! তাৰমানে যুৱতী দুৰ্গাধৰ বৰুৱাৰ পত্নী!!

কিন্তু সি শুনামতে দুৰ্গা বৰুৱাৰ পত্নী দুবছৰৰ আগেয়েই ঢুকাইছিল। তেওঁৰ জীয়েকো নাই বোলে। মাথো ল'ৰা এজনহে আছে। সিও পাঁচ-দহ বছৰীয়াহে।

'চাহাবৰ ৰুমত থকা এয়াৰকণ্ডিচনাৰটো ঠিক কৰিব আহিছে নেকি?'

নীৰৱতা ভঙ্গকৰি মনবাহাদুৰে ক'লে 'হয়।'

'কিন্তু চাহাবেতো ৰুমটো লক কৰি গ'ল। চাবিডালো মোক দি থৈ যোৱা নাই।'

'তেনেহ'লে ......... ?'

'আপুনি তেন্তে পিছবেলা আহিব।' মনবাহাদুৰে ক'লে।

ভগ্ন মনোৰথেৰে ৰজত উভতি আহিব খুজিলে। মনবাহাদুৰে ৰজতক গেটলৈ আগবঢ়াই থ'ব আহিল। ৰজতে গেটৰ ওচৰ পাই সুধিলে 'সেইয়া মেমচাহাব নেকি?'

'নহয়। আগৰ মেমচাহাবৰ বান্ধৱী।'

ৰজতৰ কথাৰ ওপৰতে মনবাহাদুৰে মাত লগালে 'আপুনি কিয়, সকলোৱেই ভাবে। আনকি দুয়ো একেখন বিচনাতে ......'

ৰজতে গেটখন পাৰলৈ সুধিলে 'আবেলি কেতিয়া আহিম?'

'তিনি বজাৰ পিছত আহিব।'

'তাৰ আগেয়ে আহিলে কিবা অসুবিধা হ'ব নেকি?'

'অসুবিধা মানে তিনিবজাৰ আগেয়ে আহিলে মোক নাপাব। মই কুকুৰটো লৈ ভেটেনেৰী হস্পিতাললৈ যাব লাগিব। আনপিনে তাৰ আগেয়ে চাহাব নাহিব কিজানি!'

'কুকুৰটো মানে এলছেছিয়ানটো নেকি?' ৰজতে সুধিলে।

'অ।' কুকুৰটোৰ দুয়োটা চকুৰে অনবৰত পানী ওলাই থাকে। সেই কাৰণে ভেটেনেৰী হস্পিতাললৈ যাব লাগিব। তাৰপৰা আহিহে —'

ৰজতে মনবাহাদুৰৰ ওচৰলৈ এখোজ আগুৱাই গৈ ফুচফুচাই ক'লে, 'মোৰ তাত বিলাতী বটল এটা আছে। যাওঁতে সোমাই যাব। বহুদিন লগ এজন পোৱা নাই একেলগে বহি খাবলৈ।'

মনবাহাদুৰৰ ওঠৰ কোণত হাঁহিৰ ৰেখা এডাল বিৰিঙিলে। চকুৰে পিৰিকিয়াই দিলে সি।

ৰজত তাৰপিছত সুহুঁৰিয়াই তললৈ নামি গ'ল। কুকুৰ আৰু নাইট চকীদাৰৰ সমস্যাটো ইমান সহজে সমাধান কৰিবলৈ যে সুযোগ ওলাব, ৰজতে সপোনতো ভাবিব পৰা নাছিল। এতিয়া তাৰ ফুৰ্ত্তি লাগিছে। আশুতোষ দত্তক বিচাৰি ৰজত অফিচলৈ গৈছিল, কিন্তু নাপালে। ক'লৈ গ'ল মানুহজন বাৰু?

ৰজত উভতি আহিল। ভাতপানী খাই সি ঘড়ীটো চালে। এটা বাজিবৰ হ'ল। তাৰমানে মনবাহাদুৰ অলপ পিছতে পাবহি। ৰজত বাহিৰলৈ ওলাই আহিল। দূৰৈত মনবাহাদুৰ আৰু কুকুৰটোক দেখি ৰজতৰ অন্তৰখন কঁপি উঠিল। যদি তাৰ আঁচনি মতে কামতো নহয়!

মনবাহাদুৰে ৰজতলৈ চাই হাঁহিলে। ৰজতে কোনোৰকমে ওঠত হাঁহি ফুটাই তুলি ক'লে 'কুকুৰটো ভিতৰফালৰ বাৰাণ্ডাখনত বান্ধি থ'ব পাৰিব।'

মনবাহাদুৰে কুকুৰটো ভিতৰলৈ লৈ গ'ল। ৰজত ভিতৰলৈ গৈ দুপৰীয়াই ঠিক কৰি খোৱা গিলাচটো আনি মনবাহাদুৰৰ হাতত তুলি দিলে। মনবাহাদুৰে গিলাচটো দেখি ঢোক এটা গিলিলে। গিলাচটো লৈ মনবাহাদুৰে ক'লে 'আপুনি নাখায়?'

'খাম। কিন্তু অলপ পিছত।'

মনবাহাদুৰে এঢোক পী মুখখন বিকটাই দিছিল। হাতখন কঁপি উঠিছিল। ৰজতে সুধিলে 'কি হ'ল?'

ঢুলঢুলীয়া চকুহালেৰে মনবাহাদুৰে ক'লে 'সোৱাদটো বৰ বেয়া লাগিছে।'

ৰজতে এইবাৰ ঢেকঢেকাই হাঁহি দিলে। 'ইমানদিনে মহলৰ মদ খাই খাই বিলাতী মদৰ সোৱাদেই পাহৰি গ'ল নেকি?'

'..... মানে, মানে মই কৈছো.......'

'একো নহয়, খাওঁক। আৰু এঢোক মাৰক। আৰু......'

মনবাহাদুৰৰ জ্ঞানশূণ্য দেহটো চকীখনৰ পৰা তুলি আনি ৰজতে বিছনাখনত পেলাই দিলে। তাৰ পিছত সি ভিতৰৰ বাৰাণ্ডাখনলৈ গ'ল। তাক দেখি এলছেছিয়ানটোৱে ভুকিব ধৰিলে। ৰজতে অতি ক্ষীপ্ৰতাৰে পকেটৰ পৰা টোপোলা এটা উলিয়াই কুকুৰটোৰ ওচৰলৈ দলি মাৰি দিলে। টোপোলাটো শুঙি চালে কুকুৰটোৱে আৰু তাৰ পিছত ........

ৰজত বাহিৰলৈ ওলাই আহিল। দৰ্জাত তলা লগাই দি ৰজত ক্ষীপ্ৰ খোজেৰে বঙলালৈ খোজ দিলে। গেটৰ মুখৰ পৰাই গাড়ীখন দেখি ৰজত নিশ্চিত হ'ল যে দুৰ্গা বৰুৱা ঘৰতে আছে। সি খৰকৈ খোজ দিলে। বাৰাণ্ডাখনত ভৰি দি সি কলিংবেলৰ চুইচত হেঁচা দিলে। অলপ পিছতে ওলাই আহিল চাপৰ বেয়েৰা এটা।

'চাহাব আছে?' সুধিলে ৰজতে।

'আছে।'

'মই .... মানে ইলেকট্ৰিচিয়ান আহিছো বুলি ক'বা।'

বেয়েৰাটো ভিতৰলৈ সোমাই গৈ খন্তেক পিছত ওলাই আহি ৰজতক ভিতৰলৈ লৈ গ'ল। ৰজতে সাৱধানেৰে চাৰিওফালে চাই আগবাঢ়িল। ৰজতে বেডৰুমটোলৈ সোমাই যাওঁতে দুৰ্গাধৰ বৰুৱাক দেখিলে।

মানুহজন বয়সীয়াল। চাপৰ। মুৰত চুলিও কম। দুৰ্গা বৰুৱাই বাতৰি কাকত এখন পঢ়ি আছিল। ৰজতক দেখি এপলক চাই ৰ'ল। ৰজতে অস্বস্তিবোধ কৰিলে।

সি ঘামি গৈছিল। বৰুৱাই পিছে একো নুসুধিলে। এয়াৰ কণ্ডিচনাৰটোলৈ আঙুলিয়াই দিলে মাথো। ৰজতে আগবাঢ়ি গৈ এয়াৰকণ্ডিচনাৰটো পৰীক্ষা কৰিলে। তেনেতে বেহেৰাটো আকৌ সোমাই আহিল। দুৰ্গাধৰ বৰুৱাক চেলাম এটা দি সি ক'লে 'চাহাব! ফোন আহিছে।'

দুৰ্গাধৰ বৰুৱা উঠি গ'ল।

ৰজতে এইবাৰ স্বস্তিৰ নিঃশ্বাস পেলালে। সি ৰূমটোৰ চাৰিওফালে চকুফুৰালে। সি থিয় হৈ থকা ঠাইখিনিৰ বিপৰীত ফালে দুখন দৰ্জা। ৰজতে চাৰিওফালে চাই আগবাঢ়ি গ'ল। এখন দৰ্জা খোলা আছিল। ৰজতে দৰ্জাখন আৰু ফাঁক কৰি দিলে। আশুতোষ দত্তই কৈছিল বাথৰূমৰ ওচৰত থকা ৰূমটোতে লকৰাটো আছে।

দুৰ্গাধৰ বৰুৱা উভতি আহিল। ৰজতেও তেওঁক অনুসৰণ কৰি আগবাঢ়িল। বাহিৰৰ বাৰাণ্ডাখনত থিয় হৈ বৰুৱাই বেয়েৰাটোক মাতিলে। চুটী চাপৰ বেয়েৰাটো লগে লগেই উপস্থিত হ'লহি। বৰুৱাই সুধিলে 'মেমচাহাব গ'ল নেকি?'

'হয়।'

'ড্ৰাইভাৰ নিয়া নাই?'

'নিনিলে। নিজে চলাই লৈ গ'ল।'

দুৰ্গা বৰুৱাই কিবা এষাৰ ক'ব ওলায়ো শেষত ন'কলে। ৰজতলৈ চাই কলে, 'তুমি যোৱাগৈ।'

ৰজতে চেলাম এটা দি খোজ ল'লে। সি তেতিয়া শুনা পাইছিল, দুৰ্গাধৰ বৰুৱাই বেয়েৰাটোক মনবাহাদুৰ আৰু কুকুৰটোৰ কথা সুধিছে। বেয়েৰাটোৱে কি উত্তৰ দিলে শুনা নাপালে ৰজতে। কিন্তু পিছমুহূৰ্ত্তে দুৰ্গাধৰ বৰুৱাৰ কৰ্কষস্বৰ ৰজতৰ কাণত পৰিলহি, 'যা! সি কুকুৰটোলৈ ক'ত গৈছে বিছাৰি আন। ভেটেনাৰী হস্পিতালৰ বদলি যদি মহলত তাক পাৱ তেন্তে চুলিত ধৰি হৈ আহিবি। আৰু শুন, যিমান পাৰ সোনকালে আহিবি, গধূলি আমি ক্লাৱলৈ যাম।'

ৰজতে গেটখন পাৰ হৈ পিছফালে ঘূৰি চাওঁতে দেখিলে বেয়েৰাটো আহিব ধৰিছে। ৰজত নৰ'ল। সি অমঙ্গলৰ আশংকা কৰিলে। সি দ্ৰুত ভাৱে খোজ পেলালে। কিন্তু অতি আশ্চাৰ্য্যজনকভাৱে বেয়েৰাটোৱে ৰজতক লগ ধৰিলে। তাৰ কৰুণ ক'লা মুখখনত ৰহস্যময় হাঁহি এটা ফুটি উঠিল। ৰজতেও হাঁহিবলৈ চেষ্টা কৰিলে, কিন্তু সেই হাঁহি বৰ কৃত্ৰিম আছিল।

'মনবাহাদুৰ আপোনাৰ তাত সোমাই যোৱাৰ কথা আছিল নহয়? মোক যাওঁতে কৈ গৈছিল সি। আপোনাৰ তাত —'

'কিন্তু মনবাহাদুৰটো মোৰ ঘৰলৈ অহা নাই।'

'নগ'ল নেকি?'

'নাহিল। বোধকৰো বাহিৰে বাহিৰে —'

ৰজত আৰু তাত নৰ'ল। অজুহাত এটা দেখুৱাই সি আঁতৰি আহিল। এইবাৰ সি খৰকৈ খোজ পেলালে। কিন্তু! ইকি!! তাৰ সৰু কোৱাৰ্টাৰটোলৈ ফেক্টৰীৰ নাইট চকীদাৰৰ জীয়েক লছমী কিয় সোমাই গৈছে!

ৰজত একপ্ৰকাৰ দৌৰিয়ে আহিল, কিন্তু ইতিমধ্যেই লছমীয়ে গেটখুলি তেতিয়া ভিতৰৰ চোতাললৈ যোৱা লুঙলুঙীয়া পথটোৰে আগবাঢ়িব ধৰিছিল। ৰজতে মাত লগালে 'লছমী!'

লছমীয়ে চক্‌খাই উঠি উভতি চালে। ৰজতক দেখা পাই হাঁহিলে তাই।

'তোক বিচাৰিয়েই আহিছিলো বাবু।'

'কিয়?' ৰজতৰ মুখত অবুজ বিস্ময়।

'এটা বাবু আহিছিল, তোক বিচাৰি। তোক ঘৰত নাপাই ঘৰৰ পৰা ওলাই আহোতে ৰাস্তাত মোক পালে। তোৰ কথা সুধিছিল। তই ক'লৈ গৈছ নাজানো বুলি কওঁতে গুছি গ'ল। আৰু .....'

'আৰু কি?'

'তাৰপিছত মানুহটো মালিকৰ গাড়ীত উঠি গুছি গ'ল।'

মালিকৰ গাড়ীত! তাৰমানে দুৰ্গাধৰ বৰুৱাৰ এম্বেচাডৰখনত!! কিন্তু সি শুনামতে বৰুৱাৰ মৃত পত্নীৰ বান্ধৱীয়ে বৰুৱাৰ গাড়ীখন নিজে চলাই বঙলাৰ পৰা ওলাই আহিছিল আৰু এতিয়া লছমীৰ কথা যদি সঁচা হয়!

ৰজতে লাছমীক আৰু কেইটামান প্ৰশ্ন সুধিলে। কিন্তু লছমীয়ে ক'ব নোৱাৰিলে গাড়ীখন কোনে চলাইছিল আৰু মানুহজনে তাক কিয় বিচাৰিছিল। লছমীৰ মতে মানুহজন ধুনীয়া, চশমা পৰিহিত, ত্ৰিশবছৰমান বয়স হ'ব পাৰে মানুহজনৰ। মানুহজন উঠাৰ পিছতে গাড়ীখন ৰেলওৱে ষ্টেচনৰ ফালে দ্ৰুতবেগে গুছি গৈছিল।

'বাবু!'

'কি?'

লছমীয়ে একো নক'লে। তাইৰ ওঠত লাজুক হাঁহি এটা বিৰিঙি উঠিল। তাই দীঘল বেণীডাল বুকুৰ ওপৰত পেলাই লিৰিকি-বিদাৰি ৰজতলৈ চাই ৰ'ল। ৰজত বুৰ্বক নহয়। সি লছমীৰ দুচকুৰ ইংগিতটো বুজি পালে। ভিতৰি-ভিতৰি মানুহটো সি উত্তেজিত হৈ উঠিল। সি অনুমান কৰিলে আজি হয়টো তাৰ এটা ইংগিতত লছমী

তাৰ শোৱনী কোঠালৈ সোমাই যাব। কিন্তু ....

সি যে মনবাহাদুৰক তাৰ বিছনাখনত বহুৱাই থৈ আহিছিল। আনপিনে এলচিছিয়ানটো সি বাৰাণ্ডাখনতে এৰি থৈ গৈছিল। ইতিমধ্যে যদি......

ৰজত বিচলিত হ'ল। লছমীক একো নক'ই সি ভিতৰৰ চোতালখনলৈ আগবাঢ়িল। কিন্তু বাৰাণ্ডাখনত কুকুৰটো পৰি থকা নেদেখি সি আচঁৰিত হ'ল। সি ইফালে-সিফালে চালে, কিন্তু কুকুৰটো তাৰ চকুত নপৰিল। ৰজতে পিছফালৰ বাৰাণ্ডাখনলৈ উঠি গ'ল। দৰ্জাখনত ওলমি থকা তলাটো খোলাৰ মূহুৰ্তত ৰজতৰ উপলব্ধি হ'ল কোনোবা এজন যেন তাৰ পিছফালে থিয় হৈছেহি। ৰজতে উভতি চালে। লছমী তাৰ নিচেই কাষত থিয় হৈছেহি। লছমীক ৰজতে গালি এযাৰ পাৰিব ওলাইছিল, কিন্তু ছুটী-ছুটী উশাহৰ তালে-তালে উঠা নমা কৰি থকা লছমীৰ সৌন্দৰ্য্যশালী বুকুখন দেখি ৰজতে একো ক'ব নোৱাৰিলে। লছমীয়ে ৰজতৰ মোহাছন্ন মুখখনলৈ চাওঁতে এবাৰ দৰ্জাৰ ফাঁকেৰে কোঠাটোৰ ভিতৰ ফাল তাইৰ চকুত পৰিল। বিছনাখনত কোনোবা এটা শুই থকা দেখি লছমীৰ চঞ্চলতাখিনি যেন হেৰাই গ'ল।

'কোন সেইটো?' লছমীয়ে সুধিলে।

'মানে ....' ৰজতে স্পষ্টভাৱে একো ক'ব নোৱাৰিলে। সি সেপ ঢুকিলে।

লছমীয়ে জুমি চালে। ৰজতে বাধা দিব নোৱাৰিলে। লছমীয়ে মনবাহাদুৰক তেনেকৈ পৰি থকা দেখি বিস্ময় অনুভৱ কৰিলে। অলপ আগৰ তাইৰ দেহৰ উত্তেজনাখিনি এইবাৰ পলকতে নিৰ্বাপিত হ'ল। তাই ৰহস্যৰ গোন্ধ পালে।

'লছমী, তই কাকো নকবি।'

'কি?'

'মানে তই যে মনবাহাদুৰক মোৰ ইয়াত শুই থকা দেখিছ এই কথা কাকো নকবি। হ! এই দহ টকা ল।'

ৰজতে আগবঢ়াই দিয়া দহটকীয়া নোটখনলৈ এবাৰ চাই পঠিয়ালে লছমীয়ে, আৰু পিছমুহূৰ্তত ভিৰাই লৰ মাৰি গুছি গ'ল। ৰজত হতভম্ব হ'ল। কিন্তু সি পলকতে বুজি পালে যে সি এটা ভয়ংকৰ বিপদৰ সন্মুখীন হৈছে। ৰজত বাহিৰলৈ ওলাই আহিল।

সি খৰকৈ খোজ দি বাবুলাইনলৈ আগবাঢ়ি গ'ল। সি ভবামতেই তাক দেখি আশুতোষ দত্তৰ মুখখনত বিৰক্তিৰ ভাব এটা ফুটি উঠিল। ৰজতক মাতি নি দত্তই দৰ্জাখন বন্ধ কৰি দিলে।

'তোমাক মোৰ ঘৰলৈ আহিবলৈ হাক দিয়া নাছিলো?'

'মানে..... মোৰ ভয়ংকৰ বিপদ। নহ'লে.....'

ৰজতৰ কণ্ঠস্বৰে দত্তক সজাগ কৰি দিলে। তেওঁ ৰজতৰ ওচৰলৈ আগবাঢ়ি আহিল। ৰজতৰ মুখত গোটেই ঘটনাটো শুনি দত্ত কিঞ্চিত বিচলিত হ'ল। তেওঁ ৰজতৰ মুখলৈ চাই সুধিলে 'তুমি লছমীক বিছাৰিছিলা?'

ৰজতে মূৰ জোকাৰিলে।

'তুমি তাইক বিচাৰিব লাগিছিল। অৱশ্যে —'

দত্ত হঠাতে নীৰৱ হৈ পৰিল। তেওঁ চিন্তা কৰি চালে, চশমা পৰিহিত ধুনীয়া ওখ মানুহজনে ৰজতক অকাৰণতে বিচাৰি ফুৰা নাই।

হয়তো মানুহজন এজন চোৰাংচোৱা। অথবা দুৰ্গাধৰ বৰুৱাৰ লকাৰটো সংগোপনে খোলাবৰ কাৰণেও তেওঁ ৰজতক বিচাৰিব পাৰে। কিন্তু সেয়ে হ'লে মালিকৰ গাড়ীত মানুহজন উঠি যাব কিয়!

কিন্তু লকাৰৰ চাবিকাঠি এতিয়া আশুতোষ দত্তৰ হাততে আছে। ৰজতেই দুৰ্গাধৰ বৰুৱাৰ লকাৰটোৰ চাবিকাঠি। দুৰ্গাধৰ বৰুৱাৰ বাহিৰে অসমত মাথো এজনেই প্ৰফেস্যনেল এক্সপাৰ্ট আছে যিয়ে হেলাৰঙে লকাৰটো খুলি বিশ লাখ টকাৰ বাণ্ডোলবোৰ তুলি লৈ আহিব পাৰে। সেইজনেই হ'ল ৰজত। আৰু এতিয়া ৰজতক ধৰা পৰিব দিব নোৱাৰে দত্তই। অন্ততঃ আজি নিশাটোৰ বাবে। আজি নিশাটো যিকোনো উপায়েৰে ৰজতক তেওঁ ৰাখি থ'ব। কিন্তু ক'ত? ইমানপৰে লছমীয়ে হয়তো মনবাহাদুৰ ৰজতৰ ঘৰত শুই থকা কথাটো আনক ক'বগৈ। আৰু দুই এজনে মনবাহাদুৰক চাবলৈ আহি হয়তো গম পাই যাব যে ৰজতে মনবাহাদুৰক অকল মদ খাবলৈ দিয়া নাছিল, দিছিল শক্তিশালী নিদ্ৰাজনিত দৰৱ। কিন্তু কুকুৰটো? কুকুৰটো ক'লৈ গ'ল? নে আন কোনোবাই। ................

'ৰজত!'

ৰজতে মূৰটো দাঙি দত্তলৈ চালে।

'শুনা।' আশুতোষ দত্তই ধীৰে ধীৰে কৈ গ'ল 'হৈ যোৱা ঘটনাবোৰ চিন্তা কৰি এতিয়া একো লাভ নাই। বৰঞ্চ ৰাতিটোৰ বাবে তুমি এতিয়াৰে পৰা সাজু হোৱাটোহে ভাল হ'ব। তুমি মোৰ ইয়াতে খাই বই গধূলি পিছফালৰ বাটটোৰে ওলাই যাবা। দহটামান বজালৈকে সেই পুৰণি ঘৰটোতে থাকিবা। কিন্তু সাৱধান! চিগাৰেট নেখাবা আৰু মম নজ্বলাবা। বৰুৱাৰ বঙলা পাই তুমি আধাঘণ্টামান ৰ'ৱা। তাৰ পিছতহে ভিতৰলৈ সোমাবা। আবেলি ঘৰটো চাই আহিছা যেতিয়া একো অসুবিধা নহ'ব

কিজানি। আহোঁতে লকাৰটো বন্ধ কৰি থৈ আহিবা। তাৰ পিছত ৰেলওৱে ষ্টেচনত মোক লগ ধৰিবা। মই তোমালৈ টিকট এটা কাটি থম। তুমি তাৰপিছত গুছি যাবা অসমৰ পৰা বাহিৰলৈ।'

আশুতোষ দত্তই কথাখিনি শেষ কৰি ছিগাৰেট এটা জ্বলালে। ৰজত উঠি গৈ পাকঘৰ পালেগৈ। প্লেট এখনত মুৰ্গীৰ ৰষ্ট এটা থকা দেখি ৰজতৰ ভাল লাগিল। সি খাই বই দত্তক মাতযাৰ লগাই ওলাই আহিল। সি পিছফালৰ লুংলুঙীয়া বাটটোৰে চাহপাতৰ শাৰী বোৰৰ মাজেৰে আগবাঢ়ি গ'ল। বাগানৰ সমীপত থকা পুৰণি ঘৰটোলৈ ৰজত সোমাই গ'ল। ঘৰটো আগেয়ে বাগানৰ বাবুবোৰৰ ক্লাব আছিল। দহবছৰমান আগতে কোনোবা এজনে ঘৰটোত আত্মহত্যা কৰাৰ পিছৰে পৰা ঘৰটো পৰিত্যক্ত হৈ পৰিছিল।

আৰু এতিয়া এইটোৱে ৰজতৰ আশ্ৰয় হ'ল। ৰজতে পুৰণি ভগা কাঠৰ চকী এখনত বহিলৈ দীঘলকৈ উশাহ এটা ল'লে। ৰজতৰ ওঠৰ কোণত তেতিয়া ক্ৰুৰ হাঁহি এটা বিৰিঙিছিল।

আশুতোষ দত্তই ভবামতে ৰজত এজন আজ্ঞাবহ ভৃত্য নহয়। আশুতোষ দত্তই ব্লেক মেইলিং কৰি তাৰ হতুৱাই কাম কৰাই ল'ব খোজাত ৰজতে একো বেয়া পোৱা নাছিল। সি আশাই কৰা নাছিল যে পলাতক অৱস্থাত এনে এটা সুবৰ্ণ সুযোগ সি পাব বুলি। সি অফাৰটো পায়েই ঠিক কৰিছিল বিশ লাখ টকাৰ ভাগ সি দত্তক নিদিয়ে। নিজে লৈ সি উধাও হ'ব। অসমত এবছৰলৈ লুকাই থাকিবলৈ তাৰ কাৰণে আৰু বহুত ঠাই আছে।

ৰজতে ঘড়ীটো চালে। ন বাজিছে। হঠাতে ৰজতৰ কাণত পৰিল অদূৰত কোনোবা এলচেছিয়ান কুকুৰৰ ভুকভুকনি। ভুকভুকনিৰ ধ্বনি যেন ক্ৰমে ওচৰ চাপিব ধৰিছে। ৰজতৰ মুখত ঘাম বিৰিঙিল! কি কৰিব এতিয়া সি? কুকুৰৰ ভুকভুকনিৰ শব্দ আৰু স্পষ্ট হ'ল। এইবাৰ যেন আৰু ওচৰত। ৰজত উচপিচাব ধৰিলে। কুকুৰটোৱে হয়তো তাৰ দেহৰ গোন্ধ পাইছে। ৰজতে কোঠাটোৰ পৰা ওলাই আহিল। খেপিয়াই খেপিয়াই ভিতৰফালৰ বাৰাণ্ডাখন পাই উশাহটো সলালে। তাৰ পিছত সি বাৰাণ্ডাখনৰ পৰা নামি গৈ চাহগছৰ শাৰীবোৰৰ মাজত সোমাই গ'ল।

ৰজতে এবাৰ উভতি চাইছিল। ঘৰটোৰ ভিতৰত ছকা-মকাকৈ কিহবাৰ পোহৰ দেখি ৰজত আৰু নৰ'ল। সি দৌৰিবলৈ আৰম্ভ কৰিলে। দুৰ্গাধৰ বৰুৱাৰ বঙলা থকা টিলাটোৰ ওচৰ চাপি সি ৰ'ল। ৰজতে ঘন ঘনকৈ উশাহ সলালে। সি পিছফালে চালে। অন্ধকাৰত একোকে মনিব নোৱাৰিলে ৰজতে। তথাপিও সি স্বস্তিৰ নিশ্বাস

পেলালে। কিছুসময় সেইখিনিতে ৰৈ থাকি অৱশেষত ৰজতে টিলাটোৰ দক্ষিণ দিশেৰে ওপৰলৈ উঠি গ'ল।

দূৰৈৰ পৰাই ৰজতে দেখা পালে পৰ্চত গাড়ীখন নাই।

তাৰ অৰ্থ দুৰ্গাবৰুৱাহঁত ক্লাবলৈ গ'ল। উত্তেজনাত ৰজতৰ মনটো চঞ্চল হৈ উঠিল। সি চাৰিওফালে এবাৰ চালে। কোনো নাই। ৰজতে সাৱধানে আগবাঢ়ি গ'ল। পৰ্চৰ ওচৰৰ বাৰাণ্ডাখনতে লাইটৰ মেইন চুইচটো আছে। ৰজতে খুপি খুপি বাৰাণ্ডাখনলৈ উঠি গ'ল। মেইন চুইচটো অফ কৰি সি উশাহ সলালে। কিছুসময় অপেক্ষা কৰি ৰজতে কিবা যেন শুনিব খুজিলে। তাৰ পিছত ৰজতে আগফালৰ দৰ্জাখন ঠেলি চালে। দৰ্জাখন ঈষৎ মেল খালে। ৰজতে দৰ্জাখন আৰু অলপ মেল খুৱাই ভিতৰলৈ সোমাই গ'ল।

ভিতৰখন ঘোপ মৰা অন্ধকাৰ। ৰজতে কৰিডৰৰ দেৱালখন খেপিয়াই খেপিয়াই আগবাঢ়ি গ'ল। দুৰ্গাবৰুৱাৰ বেডৰুমৰ ওচৰ পাই ৰজত ৰ'ল। ৰজতে এইবাৰ পকেটৰ পৰা তাৰ চাবিকোচা উলিয়াই আনিলে। দুপৰীয়াই সি চাই গৈছিল দৰ্জাৰ লকটো। এতিয়া খোলোতে তাৰ একমিনিটো নালাগিল।

কোঠাটোৰ ভিতৰ সোমাই ৰজতে দৰ্জাখন ভিতৰৰ পৰা জপাই ল'লে। পিছৰ পাঁচমিনিটৰ ভিতৰত লকাৰটো খুলি ৰজতে নোটৰ বাণ্ডিলবোৰ লগত নিয়া সৰু চামৰাৰ বেগটোত সোমাই ল'লে। লকাৰটো বন্ধ কৰি থৈ ৰজত কোঠাটোৰ পৰা ওলাই আহিল।

কৰিডৰটো পাই ৰজত থমকি ৰ'ল। আগফালৰ বাৰণ্ডাখনত কোনোবা এজন থিয় দি আছে। কিন্তু এই মানুহজনতো বেয়েৰা হ'ব নোৱাৰে। মানুহজন নিয়মিত ওখ। আগতে দেখাও মনত পেলাব নোৱাৰিলে ৰজতে।

ৰজত দুখোজ আগুৱাই গ'ল। পৰ্দাখন আৰু অলপ ফাঁক কৰি দিলে। ৰজত চমকি উঠিল। এইজনী দেখোন ৰাতিপুৱা দেখা যুৱতীজনী! দুৰ্গাবৰুৱাৰ মৃতা পত্নীৰ বান্ধৱী। ৰজতে ভাবি পাৰ নাপালে অসময়ত যুৱতী বঙলাত কিয় উপস্থিত হৈছে! যুৱতী উচপিচাব ধৰিছে। কাৰোবালৈ যেন বাট চাইছে। কিন্তু কাক?

'প্ৰণয়!' হঠাতে যুৱতীয়ে কাৰোবাক মাত লগালে।

ৰজতৰ চকুত পৰিল, অন্ধকাৰ বাৰাণ্ডাখনত যেন কোনোবা এজন আহি থিয় হৈছে। মানুহজনে নিবিড়ভাৱে যুৱতীক আকোৱালী ল'লে। ৰজতৰ চকুত পৰিল মানুহজনৰ মুখখন। মানুহজন ওখ, ধুনীয়া। চকুত চশমা। তাৰমানে লছমীয়ে কোৱা....।

.... আৰু ৰফিকে তাক কৈছিল... প্ৰণয়.... প্ৰলয় ..... বা প্ৰবাল এনেকুৱা ধৰণৰ নামটো আছিল মানুহজনৰ। উপাধি আছিল ...... ৰজত সন্ত্ৰস্ত হৈ উঠিল। সি বুজি পালে কৰিডৰত থিয় হৈ থকাটো এতিয়া মুঠেই নিৰাপদ নহয়। যিকোনো মুহূৰ্ত্তত তেওঁলোক ভিতৰলৈ সোমাই আহিব পাৰে।

ৰজত পিছুৱাই আহিল। কৰিডৰটোৰ দেৱালত খেপিয়াই খেপিয়াই সি ডাইনিং ৰুমটো পাওঁতে হঠাতে উজুতি খাই পৰি গ'ল। কাঠৰ মজিয়াখনত লগে লগে শব্দ এটা হৈছিল। ৰজতে মুহূৰ্ত্ততে থিয় হৈ ল'লে। এইবাৰ চামৰাৰ বেগটো এহাতেৰে দৃঢ়ভাৱে খামুচি ধৰি সি কুকচেডলৈ যোৱা দৰ্জাখনলৈ আগবাঢ়িল। দৰ্জাখন লক কৰা আছিল। খোলোতে তিনিচেকেণ্ডমান লাগিছিল। ৰজতৰ কাণত পৰিল কাঠৰ মজিয়াত কাৰোবাৰ পদধ্বনি। ৰজতে পলম নকৰিলে। সি ঠিক সময়তে দৰ্জখনৰ লকটো খুলিলে। কোঠাটোৰ পৰা ওলাই আহি সি বাহিৰৰ পৰা দৰ্জাখন পুনৰ লক কৰি দিলে। তাৰপিছত সি পিছফালৰ বাৰাণ্ডাখন পাৰ হৈ অন্ধকাৰত বিলীন হৈ গ'ল।

ঠিক সেইসময়তে কোঠাটোলৈ বাহিৰৰ পৰা দুয়োজন সোমাই আহিছিল।

'তোমাৰ হাতত টৰ্চ আছে, প্ৰণয়?'

'আছে।'

'জ্বলোৱাছোন।'

মানুহজনৰ কণমানি টৰ্চটোৰ পোহৰে অন্ধকাৰ ডাইনিং ৰুমটোৰ অ'ত ত'ত চুই গ'ল।

'একো নাইছোন ৰূপা।'

'কিন্তু মইছোন স্পষ্টভাৱে শুনিছিলো...'

'শুনোতেতো ময়ো শুনিছিলো। কিন্তু একোযে নাই।'

ৰূপাই কোঠাটোৰ চাৰিওফালে চকুফুৰাই ক'লে 'ব'লা।'

দুৰ্গাবৰুৱাৰ বেডৰুমলৈ সোমোৱা দৰ্জাখনৰ ওচৰ পাই ৰূপাই ক'লে, 'এইডাল চাবি দৰ্জাখনৰ। আনডাল লকাৰৰ। মই আগফালৰ বাৰাণ্ডাত ৰৈ থাকিম। কাম শেষ হ'লে তুমি মোক তাতে লগ ধৰিবা। বিপদ দেখিলে টৰ্চটো মই জ্বলাই দিম। তুমি বেডৰুমৰ খিৰিকিৰে চাই থাকিবা।'

কথাখিনি কৈ ৰূপা আগফালৰ বাৰাণ্ডাখনত থিয় হ'লগৈ।

ৰূপাই ঘড়ীটো চালে। দহ বাজিছে। ৰূপাই স্বস্তিৰ নিশ্বাস পেলালে। ভাগ্য সুপ্ৰসন্ন হ'লে তাই অলপ পৰৰ পিছতে বিশলাখ টকাৰ গৰাকী হ'ব। হয়তো তেতিয়া প্ৰণয় আৰু তাই নিৰ্বিঘ্নে জীৱনটো কটাই দিব পাৰিব। কিন্তু অৱশেষত প্ৰণয়ে যদি তাইক

বিয়া নকৰায়! কিন্তু তাই জানে প্ৰণয় বেলেগ ধৰণৰ মানুহ। প্ৰণয়ৰ ওচৰত সতীত্বৰ কোনো মূল্য নাই। যেতিয়া প্ৰণয়ে গম পালে বৰুৱাৰ লকাৰত বিশলাখ টকা আছে বুলি, আৰু তেওঁ ৰূপাক কেইদিনমানৰ কাৰণে তেওঁৰ বঙলাত থাকি যাবলৈ অনুৰোধ কৰিছে, মুহুৰ্ত্ততে প্ৰণয়ে সিদ্ধান্তটো লৈ পেলাইছিল। দুয়ো ঠিক কৰিছিল যিকোনো উপায়েৰে বৰুৱাৰ লকাৰৰ পৰা টকাখিনি উলিয়াবই লাগিব। তাকে কৰিবলৈ হ'লে ৰূপা বৰুৱাৰ অফাৰত মান্তি হ'ব লাগিব।

'কিন্তু বৰুৱাই তেওঁৰ বঙলাত মোক এনেই থাকিবলৈ মতা নাই ' — ৰূপাই কৈছিল।

'মোৰ ওচৰত সতীত্বৰ কোনো মূল্য নাই ৰূপা। তোমাক এতিয়া যিমান ভাল পাওঁ তেতিয়াওঁ সিমানেই ভাল পাই থাকিম। মাত্ৰ তুমি মোক বিশ্বাস কৰা। তুমি তাত সাদিন থাকিলেই সকলো খুটি-নাটি বুজি পাবা। ইতিমধ্যে মই প্ৰফেশ্যনেল এক্সপাৰ্ট এজনৰ লগতো যোগাযোগ কৰো।'

অৱশেষত ৰূপা মান্তি হৈছিল। তাই দুৰ্গাধৰ বৰুৱাৰ সৈতে গুছি আহিছিল। আৰু যেতিয়া গম পালে প্ৰণয়ে প্ৰফেশ্যনেল এক্সপাৰ্ট জনৰ লগত যোগাযোগ কৰিব পৰা নাই বুলি, তেতিয়া বুজি পালে তাই এতিয়া সিহঁত দুয়োটাই নিজেই কামটো কৰি ল'ব লাগিব।

সেইমতে সিহঁত আগবাঢ়িছিল। আজি দুপৰীয়া প্ৰণয়ে কৈছিল সি হেনো প্ৰফেশ্যনেল এক্সপাৰ্টজনক এইখন বাগানতে আছে বুলি খবৰ পাইছে। ৰূপাই বিশ্বস কৰা নাছিল। ৰূপাই প্ৰণয়ক বুজাই কৈছিল তেতিয়া তাইৰ নিজৰ প্লেনটো।

প্লেনমতে আজি ক্লাৱত তাই সুকৌশলেৰে মিছেছ পলি সিঙৰ লগত দুৰ্গাধৰ বৰুৱাৰ এপইণ্টমেণ্ট এটা ঠিক কৰি দি সেই অৱসৰতে ৰূপা গুছি আহিল। বৰুৱাই পলি সিঙক লৈ হাতীগড় টি ইষ্টেটৰ গেষ্ট হাউচলৈ গৈছে। বাৰটা বজাৰ আগেয়ে বৰুৱাৰ উভতাৰ আশা নাই। ইতিমধ্যে তাই বেয়েৰাটোকো পঠাই দিছে বজাৰ কৰিবলৈ। গতিকে....

'ৰূপা!'

ৰূপাই উচপ খাই উঠিল। 'কি হ'ল প্ৰণয়?' তাই সুধিলে।

'লকাৰটোত দেখোন একোৱেই নাই।'

'কি?'

ৰূপাই চিঞৰি দিব ওলাইছিল, কিন্তু গেটৰ সমুখত গাড়ী এখনৰ হেড লাইটৰ পোহৰ দেখি ৰূপা একমূহুৰ্ত্তত থমকি ৰ'ল। তাৰপিছত প্ৰণয়লৈ চাই কৈ উঠিল 'তুমি

পিছফালৰ দৰ্জাখনেৰে গুছি যোৱা। মোৰ বোধেৰে সেইখন বৰুৱাৰ গাড়ী।'

কিন্তু প্ৰণয় পলাব নোৱাৰিলে। ইতিমধ্যেই গাড়ীখন আহি পৰ্চত ৰৈ গৈছিল। ৰূপাই দেখিলে, গাড়ীখনৰ পৰা বৰুৱা নামি আহিছে। আহিয়ে বাৰাণ্ডাখনত থিয় হৈ থকা দুয়োকো দেখি বৰুৱা থমকি ৰ'ল। বৰুৱাই ঘন-ঘনকৈ উশাহ লৈছে। ৰূপাই যথাসম্ভৱ মোলায়েম হাঁহি এটা মাৰি বৰুৱাৰ ওচৰলৈ আগবাঢ়ি আহিল।

'কি হ'ল?' তাই সুধিলে। মাতটো তাইৰ কঁপিছিল।

'মানে —' সেপ এটা ঢুকি টাইৰ নটটো ঠিক কৰি লৈ বৰুৱাই উশাহ এটা সলালে। তাৰ পিছত ক'লে 'ৰেলওৱে ষ্টেচন মাষ্টৰে মোলৈ অলপ আগতে খবৰ এটা পঠিয়াইছিল ; এজন মানুহ চলন্ত ট্ৰেইনত জাপ মাৰি উঠিব লওঁতে শ্লিপ হৈ তলত পৰি গ'ল। মানুহজন মোৰেই বাগানত কাম কৰে। মানুহজনৰ হাতত থকা চামৰাৰ বেগ এটাত বোলে কেইবা লাখো টকা পাইছে। শুনি ভাবিলো .. মানে বুইছাতো মোৰো লকাৰটোত মাজে সময়ে অলপ অচৰপ টকা থাকে বুলি ... সেয়েহে ভাবিলো ....... চেক কৰি যাওঁ।'

কথাখিনি কৈ দুৰ্গাবৰুৱা এখোজ আগুৱাই গৈ পুনৰ ৰৈ গ'ল।

'ৰূপা! তোমাৰ হাতত গধূলি লকাৰৰ চাবিতো দিছিলো নহয়, দিয়াছোন চাবিপাত।'

'মানে....'

ৰূপাই আৰু একো ক'ব নোৱাৰিলে। তাইৰ মুৰটো যেন আচন্দ্ৰাই কৰি উঠিল। ○

# সলিল সমাধি

খৰকৈ খোজ দিছে বিপুলে। আলিবাটটো অন্ধকাৰাছন্ন। ষ্ট্ৰীটলাইট কেইটা নুমাই আছে। ব্লেক আউট। এটা মৃত্যুকাতৰ শীতলতাই অকল আলিবাটতোকে কিয় সমগ্ৰ তেজপুৰ চহৰখনকে গিলি পেলাইছে। পৰিত্যক্ত চহৰখনৰ জনপ্ৰাণীহীন আলিবাটতোৰে অকলে খোজদি যাওঁতে বিপুলৰ দেহ মন এক অসহনীয় অস্বস্তিকৰ ভাবে বিমোৰ কৰি পেলাইছে। সি যদি এতিয়া ট্ৰেজাৰী অফিচাৰ পুৰন্দৰ নাথক লগ ধৰিব নোৱাৰে তাৰ সমস্ত আশা উদ্দীপনা আৰু কষ্ট অথলে যাব।

বিপুলৰ পিন্ধনত দীঘল ক'লা ৰঙৰ অভাৰকোট এটা, মূৰত টুপী। বিপুলে বুজিছিল নিজকে তাক বৰ বিসদৃশ দেখাইছে।

বৰ কৌশলেৰে বিপুলে সামৰিক কনভয়বোৰ এৰাই এৰাই আহিছে। আবেলি চাৰিটা বজাত জিলাৰ উপায়ুক্তই জনসাধাৰণক চহৰখন এৰি যাবলৈ আদেশ দিয়াৰ পিছতে মিলিটাৰীয়ে চহৰখন পিয়াপি দিব ধৰিছিল। চৌদিশে মাথো যুদ্ধৰ বিভীষিকা।

চীনা সৈন্য ফুটহিলচ পালেহি। খবৰটোৱে তেজপুৰ চহৰখন পলকতে মৰিশালী কৰি পেলালে।

বিপুল হয়তো কিঞ্চিত বিচলিত হৈছিল। অৱশ্যে সি ভয় খোৱা নাছিল। তাৰ তিনিজনীয়া পৰিয়ালটোক সাতদিন আগেয়ে নগাওঁলৈ পঠিয়াই দিছিল। সিয়ো হয়তো আজি গধূলিয়েই তেজপুৰ এৰিলেহেঁতেন।

কিন্তু বিপুল ন'গল। সি সুযোগটো হেৰুৱাৰ নুখুজিলে।

ঠিক এনেকুৱা এটা সুযোগ তাৰ নিচিনা দুশটকীয়া কেৰাণী এজনৰ জীৱনত সতকাই নাহে। অইনৰ ক্ষেত্ৰত নহ'লেও বিপুলে জানে ট্ৰেজাৰী অফিচাৰ পুৰন্দৰ নাথৰ অকৃত্ৰিম বাল্যবন্ধুৰ কাৰণে এইটোৱেই দুৰ্লভ সুযোগ।

আউসীৰ ঘন ক'লা অন্ধকাৰত পুৰন্দৰ নাথৰ আসাম টাইপৰ সৰু ঘৰটো নিমাও-মাও হৈ পৰি আছে। বিপুলে কাঠৰ গেটখন খুলি এবাৰ চাৰিওফালে চাই আগফালৰ সৰু বাৰাণ্ডাখনত ভৰি দিলেহি। এপলক সি তেনেকৈয়ে থিয় হৈ ৰ'ল। চুবুৰীটোত এতিয়া কোনো নাই। নিজান হৈ আছে। তথাপিও চাৰিওফালে সতৰ্ক দৃষ্টি বুলাই বিপুলে বন্ধ হৈ থকা দৰ্জাখনত টুকুৰিয়াই দিলে। প্ৰথমবাৰ সৰুকৈ, পিছৰবাৰ

কিঞ্চিত জোৰেৰে।

২

'কোন?' ভিতৰৰ পৰা পুৰন্দৰ নাথৰ মাতষাৰ ভাঁহি আহিল। কণ্ঠস্বৰ যেন যৎকিঞ্চিত কঁপিছিল।

'মই বিপুল। দৰ্জাখন খুলি দে।' বিপুলে ফুচ্ ফুচাই ক'লে।

দৰ্জাখন সামান্য ফাঁক হ'ল। বিপুলে ভিতৰলৈ সোমাই গৈ নিজেই দৰ্জাখন বন্ধ কৰি দিলে।

'ভিতৰলৈ আহ।'

পুৰন্দৰ নাথৰ হাতত পেঞ্চিল টৰ্চ এটা। টৰ্চটোৰ সামান্য পোহৰত বিপুলে ভিতৰৰ কোঠাটো এবাৰ ভালদৰে চাই ল'লে। পুৰন্দৰ নাথে আঙুলিয়াই দিয়া চকীখনত বহি বিপুলে পুনৰাই ভাবি চালে, কথাটো সি কেনেকৈ বুজাব? কেনেকৈ পুৰন্দৰ নাথক সৈমান কৰিব যে ...

পুৰন্দৰ নাথে চুটকেচ এটাত কাপোৰ-কানি এসোপা ভৰাই আছিল। চুটকেচটো বন্ধ কৰি নাথে বিপুললৈ চালে।

'মম এডাল জ্বলাওঁ!'

'নালাগে, থাকক। মই এটা গুৰুত্বপূৰ্ণ কামত আহিছো।'

'জানিছো, নহ'লে তই এই ৰাতিখন অকলে মোৰ ইয়ালৈ নাহ।'

'আৰু এযাৰ কথা তই জানি থোৱা ভাল হ'ব, এই সুযোগ আৰু দুনাই নাহে।'

'কি?' নাথে আৰু কিবা ক'ব ওলায়ো নকৈ বিপুললৈ একেথিৰে কিছুপৰ চাই ৰ'ল। এনেকুৱা এটা অস্বাভাৱিক পৰিস্থিতিত বিপুলৰ পাকলগা কথাবোৰে নাথক বিমোৰত পেলালে।

কিন্তু পুৰন্দৰ নাথ বুৰ্ব্বক নহয়। হাড়ে হিমজুৰে বুজি পায় বিপুলক।

'তই কি ক'ব ওলাইছ মই অকনো বুজি পোৱা নাই।'

'তই ধনী হ'ব বিচাৰ?' হঠাতে সুধিলে বিপুলে।

'বিচাৰো, কিন্তু ........'

'শুন। আৰু দুঘণ্টাৰ পিছত তই অসমৰ ভিতৰতে ধনী হোৱাৰ সুযোগ এটা পাবি যদিহে অলপমান মৰাসাহ দেখুৱাব পাৰ। অৱশ্যে তোৰ উপৰি ময়ো কেইলাখমান টকাৰ গৰাকী হ'ব পাৰিম।

'মানে?'

'মানে অতি সহজ। ট্ৰেজাৰীৰ পৰা এশটকীয়া নোটেৰে ওফোন্দ খাই থকা বস্তা

কেইটাৰ অন্ততঃ এটা পদুম পুখুৰীত নেপেলাই ৰাখিলেই হ'ল।'

হুমুনিয়াহ এটা পেলালে পুৰন্দৰ নাথে।

বিপুলৰ বুকুখন চিৰিং কৰি উঠিল। পুৰন্দৰ নাথে যদি অসন্মতি প্ৰকাশ কৰে ! সি সুধিলে, 'কি হ'ল তোৰ?'

'ভাবি আচৰিত হৈছো, এডিশ্যনেল ডি, চি. আৰু মোৰ মাজত আৱদ্ধ হৈ থকা গোপন সংবাদটো কেনেকৈ বাহিৰ হ'ল।'

'বাহিৰ হ'ল নহয়, বাহিৰ কৰালো।'

'কিন্তু কেনেকৈ?'

'তাৰ আগতে কচোন তই সন্মত নে?'

একমূহুৰ্ত্ত নীৰৱে ৰৈ পুৰন্দৰ নাথে অৱশেষত ক'লে, 'এইবিলাক কামত পদে পদে বিপদৰ সম্ভৱনা আছে। অলপ ভুল কৰিলেই.....'

'অকনো ৰিস্ক নাই। শুন!' বিপুলে কৈ গ'ল, 'আৰু বাৰঘণ্টা বা বিশঘণ্টাৰ পিছত তেজপুৰখন চীনা সৈন্যৰে ভৰি পৰিব। গতিকে তাৰ আগেয়ে ট্ৰেজাৰীৰ টকাখিনি হয় নষ্ট কৰিব লাগিব, নহ'লে লৈ যাব লাগিব। এডিশ্যনেল ডি. চিয়ে টকাখিনি নষ্ট কৰাকে ঠিক কৰিলে। আৰু সেই দেখিয়ে আশীলাখতকৈ অধিক টকাৰ বাণ্ডিলৰ বস্তা বোৰ এঘাৰটা বজাৰ পিছত পদুম পুখুৰীত পেলাই দিয়াৰ দিহা কৰা হ'ল। এইখিনিলৈকে অকল তই আৰু এ. ডি. চিয়ে জানিছিলি। আৰু এতিয়া ময়ো জানিলো। তই এবাৰ ভাবিচা, যি কেইজন মিলিটাৰীয়ে বস্তা কেইটা পদুম পুখুৰীত পেলাব, সিহঁতক সেইবোৰ মাথো চৰকাৰী কাগজপত্ৰৰ বস্তা বুলিহে কোৱা হ'ব। গতিকে যিকোনো এটা বা দুটা বস্তা সিহঁতৰ চকুত ধূলি মাৰি পানীত নেপেলোৱাকৈ ৰাখিব পাৰিলেই তই ৰাতিটোৰ ভিতৰতে ধনীহৈ পৰিবি।'

নাথে মাত লগালে 'কিন্তু তেজপুৰৰ পৰা ওলাই যাবি কেনেকৈ?'

'অৱশ্যে এই ক্ষেত্ৰত তই অলপ মৰসাহ দেখুৱাব লাগিব। মিলিটাৰী কেইটাক পঠিয়াই দি তই অহা জীপখন চাৰ্কিট হাউচৰ ৰাস্তাটোৰে জাহাজঘাটলৈ লৈ আহিব লাগিব। কিন্তু সাৱধান, তই গাড়ীৰ হেডলাইট ভুলতো জ্বলাব নোৱাৰ। কিয়নো চাৰ্কিট হাউচটো মিলিটেৰীৰে ভৰ্তি হৈ আছে।'

'কিন্তু জাহাজঘাটলৈ যোৱাৰটো একো আৱশ্যক নাই।'

'আছে। কিয়নো মই এখন সৰু নাওঁ তাতে ৰখাই থ'ম।'

'কিন্তু মই নাওঁ চলাব নোৱাৰো। সাঁতুৰিবও নোৱাৰো।'

'মই জানো।'

পুৰন্দৰ নাথে বিপুললৈ একেথিৰে কিছুপৰলৈ চাই ৰ'ল। পাঁচ ফুট তিনি ইঞ্চি ওখ নিশকটীয়া বিপুলক আজি বৰ অচিনাকী যেন অনুভৱ হ'ল। হঠাৎ পুৰন্দৰ নাথৰ খেয়াল হ'ল তেওঁৰ নিচিনা বলিষ্ঠ মানুহ এজনৰ কাৰণে বিপুলক ডিঙিত টিপি মাৰি পেলোৱাটো মাত্ৰ একমিনিটৰ কাম। তেনেহ'লে.....

আৰু যদি বিপুলেও ঠিক এনেকুৱা এটা পৰিকল্পনাকে ভাবি থৈছে!

'কি হ'ল পুৰন্দৰ?'

নাথে একো নকঁই লাহে লাহে খোজ দি বাহিৰৰ কোঠাটোলৈ আহিল। খিৰিকিখনৰ পৰ্দাখন কিছু ফাঁক কৰি বাহিৰলৈ জুমি চাই ক'লে নাথে, 'বিপুল সাৱধান! বাহিৰত জীপ এখন ৰোৱা যেন লাগিছে।'

৩

'সোমাই আহক।'

পুৰন্দৰ নাথে দৰ্জাখন মেলি দিলে। বুটজোতাৰ শব্দৰ লহৰ তুলি সোমাই আহিল সামৰিক বিষয়া এজন। পুৰন্দৰ নাথে পেন্সিল টচটোৰ অনুজ্বল পোহৰত সামৰিক বিষয়াজনৰ মুখখনত আঁৰ চকুৰে চকু ফুৰালে।

'মোৰ নাম জগদীশ গুপ্তা। সম্ভৱত আপুনি অনুমান কৰি ল'ব পাৰিছেই মই আপোনাক নিব আহিছো বুলি।'

'হয়। আপুনি অলপপৰ বহক। মই ভিতৰৰ পৰা আহিছো।'

নাথে ভিতৰলৈ সোমাই আহি চুইকেচটো এহাতেৰে ডাঙি ল'বলৈ গৈ উচপখাই উঠিল। জগদীশ গুপ্তা পিছে পিছে সোমাই আহিব বুলি নাথে সপোনতো ভাবিব পৰা নাছিল।

'আপোনাৰ বাথৰূমটো কোনফালে দেখুৱাই দিবনে?' সুধিলে জদগীশ গুপ্তাই।

পুৰন্দৰ নাথৰ অন্তৰাত্মা মৃত্যু আশংকাত কঁপিব ধৰিলে। যুদ্ধৰ বিভীষিকাময় পৰিস্থিতিত যিসময়ত চহৰখন এৰি জনসাধাৰণ ঢপলিয়াই গৈছে, ঠিক তেনেকুৱা এটা স্পৰ্শকাতৰ মূহৰ্ত্তত অসামৰিক ব্যক্তি এজন ট্ৰেজাৰী অফিচাৰৰ ঘৰৰ বাথৰূমত আৱদ্ধ হৈ থকাটো সমূলি বাঞ্চিত নহয়। আৰু .....

'এ.....ই...খ....ন.... দৰ্জাৰে ...... গ'লে....' উশাহ এটা সলাই কোনোমতে ক'লে নাথে 'বাথৰূমটো.... পাব....।'

'আপুনি ইমান কঁপিছে কিয়?'

'মানে —' নাথে সেপ ঢুকিলে।

'বুজিছো....' হঠাতে হাঁহি দিলে জগদীশ গুপ্তাই। সেই হাঁহিৰ টৌৱে পুৰন্দৰ

নাথৰ মুখমণ্ডলত মৃত্যুকাতৰ অভিব্যক্তিৰ বোল সানি দিলে।

গুপ্তা কিন্তু নৰ'ল। ধীৰ খোজেৰে বাথৰূমটোলৈ সোমাই গ'ল।

পুৰন্দৰ নাথে তেনেকৈয়ে এহাতেৰে চুটকেচটো লৈয়ে নিথৰ ভাবে থিয় হৈ ৰ'ল। প্ৰায় একমিনিট পিছতে জগদীশ গুপ্তা ওলাই আহি পুৰন্দৰ নাথৰ শেঁতা পৰা মুখখনলৈ চাই কৈ উঠিল, 'আপুনি বাথৰূমৰ খিৰিকিখন খুলি থৈছিল। ময়ে বন্ধ কৰি থৈ আহিছো।'

'অ।' ধন্যবাদ।'

পুৰন্দৰ নাথে আৰু পলম নকৰিলে। ঘৰটো বন্ধ কৰি ধীৰে ধীৰে খোজ পেলাই জীপখনৰ ওচৰ চাপিলে। জীপখনত উঠিবলৈ লৈ চাৰিওফালে এবাৰ চকু ফুৰালে নাথে। তিনিজন সশস্ত্ৰ চিপাহী জীপখনৰ পিছফালে বহি আছে। নাথে আঁৰচকুৰে সিহঁতলৈ এবাৰ চাইলৈ জীপখনত উঠি বহিল।

জীপখন কেইমিনিটমান পিছতে ট্ৰেজাৰীৰ আগত ৰৈ গ'ল। জীপখনৰ পৰা নামিব ধৰোতে জগদীশ গুপ্তাই মাত লগালে, 'এনেকুৱা সময়ত টকা পইচাৰ লেঠা থকা কাম মুঠেই ভাল নালাগে, নহয়নে মিষ্টাৰ নাথ?'

'মই ঠিক বুজিব পৰা নাই আপুনি কি ক'ব ওলাইছে।'

'আপুনি বুজিছে। মাথো অভিনয় কৰিছে। মই পিছে অভিনয় কৰা নাই।'

নাথৰ ভাব হ'ল তেওঁ এক গভীৰ মায়াজালত সোমাই পৰিছে, কেনিও মুক্তিৰ পথ নাই। নাথে চুটকেচটো এহাতেৰে দাঙি লৈ ট্ৰেজাৰী অফিচৰ ভিতৰলৈ সোমাই গ'ল। যাওঁতে গুপ্তাৰ লগত এষাৰিও কথা নাপাতিলে নাথে। ভিতৰৰ কোঠাত এডিশ্যনেল ডি. চিক দেখা পাই কিঞ্চিত সকাহ পালে নাথে।

চুটকেচটো কোঠাটোৰ একোণত থৈ তেওঁ এ. ডি. চিৰ ওচৰত থিয় হ'ল।

'আপুনি জগদীশ গুপ্তাক অপাৰেছনটোৰ কিবা সম্ভেদ দিছে নেকি?'

উচপখাই উঠিল নাথ। 'মই তেওঁক একো কোৱা নাই।'

'ময়ো কোৱা নাই। কৰ্ণেল বাগচীয়েও একো জনোৱা নাই। গতিকে তেওঁলোকে কোনেও নাজানে কেনেকুৱা কাম এটাত তেওঁলোকে অংশ লৈছে। বুজিব পাৰিছেই কৰ্মজীৱনৰ আটাইতকৈ কঠোৰতম কামটো আপুনি কৰিব ওলাইছে, যিটোৰ লগত দেশৰ প্ৰতিৰক্ষাৰ প্ৰশ্নও জড়িত হৈ আছে। এনেকুৱা সময়ত যিকোনো কথাই অতি কম সময়তে ইকাণ সিকাণকৈ সহস্ৰ কাণ হয়, তাতে আকৌ দেশৰ প্ৰতিৰক্ষা আৰু .......।'

পুৰন্দৰ নাথৰ মূৰটো যেন আচন্দ্ৰাই কৰি উঠিল। ঘনেপতি মাথো তেওঁ মনত

পেলালে জগদীশ গুপ্তাই অলপ আগতে কোৱা কথাখিনি। যদি এ. ডি. চিৰ কথা সঁচা হয়; তেন্তে গুপ্তাই কোনো পথ্যেই গম পাব নালাগিছিল টকা পইচাৰ লেঠা থকা কাম এটাত তেওঁ অংশ লৈছে বুলি।

তেনেতে বুটজোতাৰ শব্দৰ লহৰে নাথক সচকিত কৰি তুলিলে। মূৰটো হলাই নাথে কোঠাটোলৈ সোমাই অহা জগদীশ গুপ্তালৈ চালে।

৪

বিপুলে টৰ্চটো জ্বলাব নেকি এবাৰ ভাবি চালে।

ঠাইখণ্ড আঁউসীৰ আন্ধাৰে আবৰি পেলাইছে। সৰু সৰু জুপুৰী ঘৰবোৰ অন্ধকাৰৰ বুকুত প্ৰেতপুৰী যেন লাগিছে।

বিপুলে আবেলিতেই এই মাছমৰীয়া লোকৰ অঞ্চলটোলৈ আহিছিল।

কিন্তু এতিয়া অন্ধকাৰৰ কাৰণে সি ধৰিব নোৱাৰিলে ঘনাই দাসৰ ঘৰটো।

হঠাতে বিপুলৰ ভাব হ'ল কোনোবা দুজন যেন অন্ধকাৰেদি আহি আছে।

'কোন?' বিপুল মাত লগতে।

'আই ঐ! চীনা সৈন্য পালেহি ঐ।'

'ঐ চুপ। চীনা সৈন্যই অসমীয়া ক'ব পাৰিব নেকি?' দ্বিতীয় কণ্ঠস্বৰটো খন্তেক নিমাতে ৰ'ল। অলপ পিছতে বিপুলৰ কাণত পৰিল, 'কোন আপুনি?'

'মই বিপুল দাস?'

'অ। মই অইন কোনোবা বুলিহে ভাবিছিলো।'

বিপুলে টৰ্চটো জ্বলালে। টৰ্চৰ পোহৰত ঘনাই দাসক দেখা পাই সি ফুচফুচাই সুধিলে, 'নাওঁখন বন্দৱস্ত হ'লনে?'

'হয়। কিন্তু চম্ভালিবলৈ আপোনাৰ কষ্ট হ'ব নেকি! টুলুঙা নাওঁতো!!'

'নহয়। নাওঁখন ক'ত বান্ধি থৈছে?' বিপুলে সুধিলে।

'ঘাটৰ মূৰত থকা বকুল গছজোপাৰ তলতে থৈছো ; কোনেও দেখা নোপোৱাকৈ।'

বিপুলে এইবাৰ খোজ দিলে। কিন্তু দুখোজ আগবাঢ়ি গৈয়ে দাসৰ মাতষাৰ শুনি সি উভতি চালে। ঘনাই দাস এখোজ আগুৱাই আহিল। বিপুলৰ চকুত পৰিছিল, ঘনাই দাসৰ কঁকালত ওলমি থকা মেচি দাখন। সি যথাসম্ভৱ গহীনাই সুধিলে, 'কি হ'ল?'

'এটা কথা সুধো?'

বিপুলে একো নক'লে। নীৰৱে বৈ থাকিল সি।

'যি সময়ত চহৰৰ মানুহখিনি আঁতৰলৈ ঢপলিয়াই গৈছে, সেই সময়ত আপুনি

চহৰখনত অকলে আছে। এই সময়ত নাওঁ এখনেৰে মাজনিশা বৰলুইত পাৰ হ'বলৈ চেষ্টা কৰাতোও মুৰ্খামীৰ বাহিৰে অইন কি বুলি ক'ম? লগত কোনো নাওৰীয়া নৰখাটোও আচৰিত। মোৰ বোধেৰে আপুনি কিবা এটা আইন বিৰুদ্ধ কাণ্ড কৰিব ওলাইছে।'

বিপুলে পকেটতো খেপিয়াই চালে। তাৰপিছত হাতৰ মুঠিতো পকেটৰ পৰা উলিয়াই আনি ঘনাই দাসলৈ আগবঢ়াই দিলে। খন্তেকলৈ ঘনাই দাসে হয়তো নিজকে চন্তালিবলৈ টান পাইছিল। কিন্তু পিছমূহুৰ্ত্ততে বুজি পালে বিপুলৰ ইংগিতটো। দাসে বিপুলৰ হাতৰ মুঠিটো মেলি চাই কিবা এসোপা বিৰবিৰালে। নোটখন সামৰি লৈ দাসে লগৰীয়াজনলৈ চালে। বিপুলে কেইখোজমান আগুৱাই যোৱাৰ পিছত দাসে মাত লগালে, 'এই মানুহজন এতিয়া খীৰতী গাই হৈ পৰিছে। মাত্ৰ তেওঁৰ ওপৰত চকু ৰাখিব পাৰিলেই ......।'

'তাৰমানে তই চহৰ এৰি নাযাৱ?'

'যাম, কিন্তু পিছত।'

বিপুলে পিছৰ কথাখিনি শুনা নাপালে। তাৰ অন্তৰখন দুৰু দুৰুকৈ কঁপিছিল। সি ঠিক কৰিছিল পৰিকল্পনাটো বাদ দিব। কিন্তু বকুলজোপাৰ তলত নাওঁখন দেখি তাৰ লুভীয়া মনটো পুনৰাই লিক্‌লিকাই উঠিল। সি চঞ্চল ভাবেৰে নাওঁখনলৈ উঠি গ'ল। সি উঠাৰ লগে লগে পানী যুৱঁলিত থকা নাওঁখন ধলং-পলং কৰিব ধৰিলে। কোন পলকতযে তাৰ ভৰিত লাগি টিনৰ টেমা এটা নাওঁখনৰ পৰা পানীত পৰি গ'ল, সি গমকে নাপালে। যেতিয়া গম পালে ইতিমধ্যেই বহুদেৰি হৈ গ'ল।

যাওঁক। খালী টেমাহে।

গুৰি বঠা পাতহে মোৰ এতিয়া সবল আশ্ৰয়, বঠাপাত দাঙি চাই ভাবিলে বিপুলে।

কেইমিনিটমান পিছতে বিপুল উভতি খোজ ল'লে। জুপুৰী ঘৰকেইটাৰ কাষেৰে পাৰহৈ যাওঁতে বিপুলৰ মনটো আচম্বিতে সচকিত হৈ উঠিল।

সি ঘূৰি চালে।

দুটা ছায়মুৰ্ত্তি।

বিপুল এখন্তেক ৰ'ল। সি অভাৰকোটতো খেপিয়াই চালে।

ৰিভলভাৰটো আছে। আৰু .......

আৰু তেন্তে দুটা গুলী বেছিকৈ খৰছ হ'ব!!

৫

পুৰন্দৰ নাথৰ বুকুখন দুৰু-দুৰুকৈ কঁপিছে।

নাথৰ মনৰ উত্তেজনা এতিয়া চৰম শিখৰত।

কোঠাটোত এতিয়া কোনো নাই। এই সময়ত ট্ৰেজাৰী কোঠাটোত অকলে থাকিব পোৱাটো অৱশ্যে এটা দুৰ্লভ সুযোগ। হয়তো আৰু একমিনিট-দুইমিনিট অথবা দহমিনিটৰ পিছতে জগদীশ গুপ্তা অথবা এ. ডি. চি. সোমাই আহিব পাৰে। কিন্তু তাৰ আগেয়ে নাথে কামখিনি শেষ কৰি ল'ব লাগিব।

পুৰন্দৰ নাথে জানে ট্ৰেজাৰীত এতিয়া আশীলাখ টকা আছে। সাধাৰণতে ট্ৰেজাৰীত টকা নাথাকে। কিন্তু চীনৰ আক্ৰমণে সকলো সলনি কৰি দিলে। যুদ্ধৰ আশংকাত উপায়ুক্তই নিজে চহৰ এৰি পলাল। যাওঁতে চৰকাৰী কাৰ্য্যালয় সমূহত থকা সমস্ত টকা ট্ৰেজাৰীত থৈ গ'ল। এতিয়া সেই টকা নটা বস্তাত ওফোন্দ খাই আছে। পুৰন্দৰ নাথে কিছুপৰলৈ একেথিৰে বস্তা কেইটালৈ চাই ৰৈছিল। এবাৰ দাঙিও চাইছিল বস্তা এটা। বেছ গধুৰ। এজন মানুহৰ কাৰণে বস্তা কেইটা অনায়াসে দাঙিব পৰা বিধৰ নহয়। এনেকুৱা দুটা অথবা এটা বস্তা জীপ এখনত কোনোপধ্যেই লুকাই থ'ব পৰা নাযাব।

তেন্তে........।

পুৰন্দৰ নাথে বহাৰ পৰা উঠি গৈ একোণত থকা চুটকেচটো দাঙি লৈ আকৌ উভতি আহিল। ততাতৈয়াকৈ চুটকেচটো খুলি কাপোৰখিনি উলিয়াই নাথে ইফালে-সিফালে চালে। কোঠাটোত থকা আলমাৰী কেইটাৰ তলা বন্ধ হৈ আছে। কাপোৰখিনি লুকাই থ'বলৈ হ'লে কাষৰ কোঠাটোলৈ যাব লাগিব।

যদি কোনোবাই দেখা পায়!

নাথৰ কপালত ঘাম বিৰিঙিল। হাতৰ তলুৱাৰে কপালৰ ঘামখিনি মুচি ল'লে নাথে। এইবাৰ কাপোৰখিনি লৈ খুপি-খুপি খোজ দিলে। কাষৰ কোঠাটোত কোনো নাই। নাথে আৰু পলম নকৰিলে। বাথৰুমলৈ যোৱা দৰ্জাখন খুলি নাথে ভিতৰলৈ সোমাই গ'ল। বাথৰুমৰ খিৰিকিখন খুলি কাপোৰখিনি তললৈ পেলাই দিওঁতে নাথৰ খুউব বেছি আধা মিনিট লাগিছিল আৰু তাৰ পিচত দহ চেকেণ্ডৰ ভিতৰতে তেওঁ আগৰ ঠাইলৈ গুছি আহিল।

হঠাতে নাথৰ অন্তৰাত্মা সিয়ঁৰি উঠিল।

নাথে আকৌ এবাৰ ভাবি চালে।

হয় চুটকেচটো যি অৱস্থাত নাথে থৈ গৈছিল, ঠিক একে ঠাইতে চুটকেচটো নাই।

অলপ যেন আঁতৰত আছে চুটকেচটো।

খিৰিকিবিহীন কোঠাটোত বতাহে ডাঙৰ চুটকেচ এটা লৰাব নোৱাৰে।

অন্ততঃ সিমানখিনি ভাবিবলৈ পুৰন্দৰ নাথ জধামুৰ্খ নহয়।

এজন দ্বিতীয় ব্যক্তিৰ অস্তিত্বই নাথক অস্থিৰ কৰি পেলালে।

কোঠাটোত এতিয়া নাথৰ বাহিৰে অইন কোনো নাই। নাথে বাথৰূমত কটোৱা আধামিনিটৰ ভিতৰতে দ্বিতীয় ব্যক্তি কোঠাটোলৈ সোমাই আহি চুইকেচটো চাইছিল আৰু তাৰ পিছৰ মুহুৰ্ত্তটোত কোঠাটোৰ পৰা ওলাই গৈছিল।

কিন্তু কোন এই দ্বিতীয় ব্যক্তি.....!

জগদীশ গুপ্তা ..... এডিশ্যনেল ডি. চি. নে অইন কোনোবা!!

পুৰন্দৰ নাথে আৰু পলম নকৰিলে। চিল্ড নকৰা বস্তা এটা মেলি নাথে নোটৰ বাণ্ডিলবোৰ উলিয়াই আনি চুটকেচটোত ভৰাই দিলে। চুটকেচটো বন্ধ কৰি নাথে উশাহ সলালে। এবাৰ হিচাব কৰি চালে নাথে। একলাখ .... দুইলাখ... নাথৰ ওঁঠত হাঁহি বিৰিঙিল।

বস্তা এটা সৰকাব নোৱাৰিলে চুটকেচটোৱে অন্ততঃ মনটো নিচুকাব পাৰিব। চুটকেচটো এহাতেৰে দাঙিলৈ উভতি চাইয়ে পুৰন্দৰ নাথ হতভম্ব হ'ল। এখন্তেক নিৰ্ব্বাক হৈ নাথে দুৱাৰডলিত আউজি থিয় হৈ থকা ছেণ্ট্ৰিটোলৈ চাই ৰ'ল। গুপ্তাৰ লগত অহা তিনিজন সামৰিক বাহিনীৰ লোকৰ ভিতৰত হয়তো এইজনকে গুপ্তাই নাথৰ ওপৰত চকু ৰাখিব কৈ গৈছিল। হয়তো এইজনেই তেওঁৰ চুটকেচটো লৰাই চাই গৈছিল।

পুৰন্দৰ নাথৰ হাতত ভাবিবলৈ এতিয়া অতি কম সময়।

ঘড়ীৰ ছেকেণ্ডৰ কাটাডাল টিক্‌টিকাই গৈয়ে আছে।

পুৰন্দৰ নাথে চুটকেচটো থৈ এখোজ আগুৱাই গ'ল। ছেণ্ট্ৰিজনে উদ্যত ৰাইফলটো পুৰন্দৰলৈ টোৱাই আছে। ৰাইফলটোৰ সংলগ্ন বেয়নেটখনৰ আগটোৰ পৰা পুৰন্দৰ নাথ মাথো চাৰিখোজ পিছত আছে।

'হেণ্ডচ আপ।'

পুৰন্দৰ নাথে আৰু এখোজ আগুৱাই গৈ দুয়োখন হাত ওপৰলৈ ক্ৰমশঃ উঠাই ৰাখিলে।

এতিয়া মাথো এটা দীঘল জাপেই যথেষ্ট। জাপটো নিৰ্ভুল হ'লে ছেণ্ট্ৰিজনৰ আলসুৱা ডিঙিটো পুৰন্দৰ নাথৰ দুয়োখন হাতৰ মুঠিত সোমাই পৰিব।

'কৰ্ণেল চাহাব!' পুৰন্দৰ নাথে ছেণ্ট্ৰিটোৰ কান্ধৰ ওপৰেৰে সমুখলৈ চাই মাত

লগালে।

উচপ খাই উঠি উভতি চালে ছেণ্ট্ৰিটোৱে।

লগে-লগে পুৰন্দৰ নাথে জপিয়াই দিলে। ছেণ্ট্ৰিটোৱে মূৰটো হলাবলৈ লোৱাৰ আগেয়ে পুৰন্দৰ নাথে তাৰ ডিঙিটো বজ্ৰমুঠিৰে ছেপি ধৰিলে। ছেণ্ট্ৰিটোৰ দেহটো কিছুপৰলৈ ছট্‌ফটাই ৰ'ল। হাতৰ মুঠিৰ পৰা ৰাইফলটো সুলকি পৰি যোৱাৰ পিছত পুৰন্দৰ নাথে হাতদুখন ডিঙিটোৰ পৰা আঁতৰাই আনিলে। এবাৰ চাৰিওফালে চাই নাথে ছেণ্ট্ৰিটোৰ দেহটো চোঁচোৰাই আনি কাষৰ কোঠাটোৰ বাথৰূমলৈ লৈ আহিল। খিৰিকিখন খুলি ছেণ্ট্ৰিটোৰ মৰাশ সিপাৰলৈ পেলাই দি নাথ উভতি আহি এইবাৰ ৰাইফলটো তুলি ল'লে।

তেনেতে বাহিৰত কাৰোবাৰ মাত নাথৰ কাণত পৰিল।

ৰাইফলটো লৈ ক্ষীপ্ৰতাৰে বাথৰূমটোলৈ সোমাই গৈ দৰ্জাখন লক কৰি দিলে নাথে। ৰাইফলটো পেলাই দিব খুজিও নাথে পেলাই দিব নোৱাৰিলে। এতিয়া আগ্নেয়াস্ত্ৰ এটাৰ খুবেই প্ৰয়োজন। কিন্তু.........

কাষৰ কোঠাটোৰ পৰা এডিশ্যনেল ডি. চিৰ কণ্ঠস্বৰে পুৰন্দৰ নাথক বিমোৰত পেলালে। ততালিকে ৰাইফলটো খিৰিকিৰে পেলাই দি খিৰিকিখন বন্ধ কৰি নাথে বাথৰূমৰ পৰা ওলাই আহিল।

'কামখিনি শেষ হ'লনে?'

'মাত্ৰ এটা বস্তা চিল্ড কৰিবলৈ বাকী ৰ'ল।'

'সোনকালে কৰক। জগদীশ গুপ্তা আহিবৰ হ'ল।'

'জগদীশ গুপ্তা!' বিৰ্ বিৰালে নাথে।

'অ। জগদীশ গুপ্তা। তেওঁৰ ছেণ্ট্ৰি এজন দহ মিনিটৰ আগতে জীপখনৰ পৰা ওলাই গৈছিল। এতিয়ালৈকে ছেণ্ট্ৰিজন ঘূৰি নহা দেখি তেওঁ চিন্তিত হৈছে। আনপিনে কৰ্ণেল বাগচীয়ে আৰু আধাঘণ্টাৰ ভিতৰতে কামখিনি শেষ হোৱাটো বিচাৰে।'

পুৰন্দৰ নাথ ট্ৰেজাৰী ৰূমটোলৈ উভতি আহিল।

বস্তাটো যিমান পাৰে সোনকালে চিল্ড কৰি পেলাবলৈ নাথে চেষ্টা কৰিলে। কিন্তু বাৰেপতি হাতখন কঁপি উঠে। মূহুৰ্ত্তে-মূহুৰ্ত্তে ঘামে কপালখন লুপ্‌লুপীয়া কৰি তোলে।

'নাথ! আপুনি বৰকৈ ঘামিছে।'

'মানে .....' নাথে একো ফুটাই ক'ব নোৱাৰিলে।

৬

'চাৰ।'

জগদীশ গুপ্তাই চাই পঠিয়ালে ৰামমোহন ৰায়লৈ।

'হেডকোৱাৰ্টাৰলৈ খবৰ পঠোৱা ভাল হ'ব নেকি?'

'নালাগে।'

জগদীশ গুপ্তাই হুমুনিয়াহ এটা এৰিলে। জীপখনত বহি বহি তেওঁ হিচাব কৰি চালে বলদেৱ সিঙ নাইকিয়া হোৱা পোন্ধৰ মিনিটৰ ওপৰ হৈ গ'ল। ঠিক এইখিনি সময়তে বলদেৱ সিঙে তেওঁক ৰিপৰ্ট কৰাৰ কথা আছিল। কিন্তু এতিয়া?

এতিয়া চাৰিজনীয়া দলটো তিনিজনীয়া হ'ল। ৰাইফল এটাও সেই অনুপাতে কমি গ'ল।

'চাৰ! তেওঁলোক ওলাই আহিছে।'

খপ্‌জপাই জীপখনৰ পৰা জগদীশ গুপ্তা নামি আহিল।

'আপোনাৰ ছেণ্ট্ৰিজনক পালেনে?' সুধিলে এ. ডি. চিয়ে।

'নাই পোৱা।'

'কাৰোবাক বিচাৰিবলৈ পঠিয়াইছিলে নেকি?'

'এজনক পঠাইছো।' দূৰৈৰ অন্ধকাৰলৈ চাই গুপ্তাই এইবাৰ ক্ষীণ স্বৰেৰে ক'লে, 'তেওঁ আহি আছে।'

পুৰন্দৰ নাথ চঞ্চল হৈ উঠিল। অন্ধকাৰ ভেদি আহি থকা ছেণ্ট্ৰিটোলৈ চাই নাথে নীৰৱে ক্ষণ গণি ৰ'ল।

'নাপালো।' ছেণ্ট্ৰিটো ওচৰলৈ আহি মাত লগালে, 'কিন্তু......'

'কিন্তু কি?'

'ট্ৰেজাৰীৰ পিছফালে গছ এজোপাৰ তলত ৰুমাল এখন পৰি থকা দেখি বুটলি আনিলো।'

ছেণ্ট্ৰিটোৱে আগবঢ়াই দিয়া ৰুমালখন দেখি চমকি উঠিল পুৰন্দৰ নাথ।

পুৰ্ণিমাই উপহাৰ দিয়া তেওঁৰ ফুলাম ৰুমালখন!!

ৰুমালখনত বাৰু কিবা লিখা আছিল নেকি? মনত পেলাব নোৱাৰিলে নাথে। কিন্তু ৰুমালখন সিমানখিনিলৈকে গ'ল কেনেকৈ? বাথৰুমটোৰ খিৰিকিখনৰ তলৰ পৰা পিছফালৰ গছজোপালৈ কমেও দুশ বা তিনিশ ফুট হ'ব। মাজতে সৰু সৰু কাঁইটীয়া গছৰ বননি এখনো আছে। সিমানখিনিলৈকে ৰুমালখন বতাহত উৰি যাব

লাগিব আৰু এতিয়া যদি ৰুমালৰ অনুসন্ধানত জগদীশ গুপ্তা সেইখিনিলৈকে যায় .... তেতিয়া হ'লে পুৰন্দৰ নাথ নিৰ্ঘাট ফাঁচী কাঠত ওলমিব লাগিব।

কিন্তু ছেণ্ট্ৰিটোৱে ডেডবডীটো দেখা নাপালে কিয়!!

'এটা টৰ্চ হ'লে ঠাইখণ্ড ভালদৰে চাই আহিব পৰা গ'লহেঁতেন।'

'কিন্তু আমাৰ অপাৰেছন?'

জগদীশ গুপ্তাই ঘূৰি চালে নাথলৈ। পুৰন্দৰ নাথে আৰু কিবা ক'ব ওলাইছিল, নক'লে।

'এৰা। এতিয়া আমাৰ অপাৰেছনটোৰ সমাধা হোৱাহে উচিত হ'ব। সদ্যহতে ময়ো ডিষ্ট্ৰিক অথৰিটী হিচাবে ইয়াত বেছি সময় থাকিব নোৱাৰো। বাৰটা বজাৰ আগেয়ে পগলা ফাটেকৰ ৰোগী বোৰক মুকলি কৰি দিয়াৰ ব্যৱস্থা কৰিব লাগিব। আনপিনে কৰ্ণেল বাগচীয়ে জনোৱা মতে যুদ্ধৰ পৰিস্থিতি আৰু বেয়াকৈ গৈছে। এই অৱস্থাত আৰু মানুহ খুজিবলৈ যোৱাটো .....'

'তাৰমানে আমি দুজনেই অপাৰেছনটো শেষ কৰিব লাগিব?'

'আমি দুজন মানে? আপোনালোক এতিয়াওতো তিনিজন আছে। নাথক ধৰিলে অৱশ্যে চাৰিজন হ'ব।'

'তিনিজন থাকিলেও ৰামলাল আমাৰ লগত যাব নোৱাৰিব। তেওঁ বলদেব সিঙক বিচাৰিব আৰু পালে আমাক পদুম পুখুৰীত খবৰ দিব।'

'তেন্তে....... !'

'আপোনালোকৰ বস্তা কেইটা ক'ত আছে?'

এডিশ্যনেল ডিচিয়ে আঙুলিয়াই দেখুৱামতে জগদীশ গুপ্তাই চিপাহী কেইজনৰ সৈতে লগ লাগি বস্তা কেইটা জীপখনৰ ট্ৰেইলাৰত উঠাই দিলে। পুৰন্দৰ নাথে নীৰৱ দৰ্শকৰ দৰে মাথো থিয় হৈ ৰ'ল। নাথে অনুমান কৰি ল'ব পাৰিছিল, তেওঁৰ দেহৰ — মনৰ ভাবান্তৰে সকলোকে বিমোৰত পেলাইছে। অইন কেইজনে তেওঁৰ প্ৰতি কি ভাব লৈছে নাথে গণ্য নকৰে। কিন্তু জগদীশ গুপ্তা? গুপ্তাৰ চকুৰ চাৱনিত সেইয়া কি দেখিছে নাথে!

মানুহজন হঠাতে যেন বৰ গহীন হৈ পৰিল।

পুৰন্দৰ নাথে ধীৰে ধীৰে খোজ দি জীপখনত উঠিলেগৈ।

এডিশ্যনেল ডি. চিয়ে মাতযাৰ লগাই গুছি গ'ল।

জগদীশ গুপ্তাই অন্ধকাৰত থিয়হৈ ৰামলালৰ লগত কথা পাতিছিল। নাথে চেষ্ট কৰিছিল কিবা শুনা পায় নেকি, কিন্তু একো শুনা নাপালে। নাথে ঘড়ীটো চালে।

এঘাৰটা বাজি বিশমিনিট গৈছে। আৰু তেন্তে দহমিনিটৰ ভিতৰত তেওঁলোক পদুম পুখুৰী পাব। কামখিনি শেষ হওঁতে হয়তো আৰু দহ পোন্ধৰ মিনিট পাৰ হৈ যাব। কিন্তু সিমানখিনি সময়ৰ আগতেই যদি ৰামলালে ছেণ্ট্ৰিটোৰ ডেড্‌বডী বিচাৰি পায়?

পুৰন্দৰ নাথে চকুহাল মুদি দিলে।

হাতত এতিয়া তেওঁৰ মাথো পোন্ধৰ মিনিটতকৈয়ো কম সময়। এইকণ সময়ৰ ভিতৰতে তেওঁ পদুম পুখুৰী পাব লাগিব। বস্তা কেইটা পানীত পেলোৱাৰ উপৰিও এটা বস্তা সৰকাব লাগিব আৰু তাৰ পিছত জীপখনলৈ....

৭

আকৌ ঘড়ীটো চালে নাথে। এঘাৰটা বাজি ত্ৰিশ মিনিট গৈছে।

জীপখন পদুম পুখুৰীৰ পাৰত ৰৈ গ'ল। পুৰন্দৰ নাথে ততাতৈয়াকৈ জীপখনৰ পৰা নামি ল'লে। জগদীশ গুপ্তাই জীপখনৰ ষ্টাৰ্ট বন্ধ কৰি পুৰন্দৰ নাথৰ ওচৰলৈ খোজ দিলে।

'ক'ত পেলাব?'

'দাঁতিতে পেলাই দিওঁ। পুখুৰীটো দ। তদুপৰি পুখুৰীৰ মাজলৈ যাবলৈ হ'লে এতিয়া নাওঁ এখন পাব ক'ত?'

'কিন্তু!'

'কিয় চিন্তা কৰিছে আপুনি। কাগজৰ বস্তাহে। চীনাইতো কোনো পধ্যেই গম পাব নোৱাৰে, পদুমপুখুৰীত আমি নথি পত্ৰবোৰ পেলাই দিছো বুলি।'

'আপুনি আকৌ অভিনয় কৰিছে।'

'কি?'

'অ। আপুনি আকৌ এবাৰ ডাঠি ক'ব পাৰিবনে এই বস্তা কেইটাত অকল কাগজৰ নথি-পত্ৰ আছে বুলি?'

'নিশ্চয়।'

'চাৰ।' তেনেতেই মাত লগালে ছেণ্ট্ৰি ৰামমোহনে।

নাথে যেন এই সুৰুঙাটোলৈকে বাট চাই আছিল। তেওঁ ঘূৰি চালে ছেণ্ট্ৰিটোলৈ। ৰামমোহনে সুধিলে, 'বস্তা কেইটা নমাওঁনে?'

'নমোৱা!' নাথে নিজেই ক'লে।

ছেণ্ট্ৰিটো ট্ৰেইলাৰখনত উঠিবলৈ গ'ল। জগদীশ গুপ্তাই পিছে একো নক'লে। পুৰন্দৰ নাথে মানুহজনলৈ এবাৰ আঁৰচকুৰে চালে। জগদীশ গুপ্তাৰ সততা এবাৰ জুখি চাবৰ মন গ'ল নাথৰ। এতিয়া যদি জগদীশ গুপ্তাৰ অন্তৰত লুভীয়া মন এটাৰ

উমান পালেহেঁতেন তেন্তে তেওঁৰ অকণো চিন্তাই নাথাকিলেহেঁতেন। হয়তো নটা বস্তাত থকা আশী লাখ টকা সমুদায় আত্মসাৎ কৰিব পাৰিলেহেঁতেন নাথে।

জগদীশ গুপ্তাই ধীৰে ধীৰে খোজ দি ট্ৰেইলাৰখনৰ ওচৰ চাপিল।

পুৰন্দৰ নাথে জনশূণ্য অন্ধকাৰ পথটোৰে পোনে-পোনে সমুখলৈ চাই পঠিয়ালে। আঁতৰত পোহৰৰ বিন্দু এটা জ্বলিছে। আকৌ নুমাইছে। আকৌ জ্বলিছে।

নাথে উশাহ সলালে। বিপুলৰ ইংগিতটো ঠিক সময়তে পাই নাথে যেন নতুন সাহস অলপ পালে। নাথে পকেটতো খেপিয়াই চাই পেন্সিল টৰ্চটো উলিয়াই লৈ এবাৰ জীপখনলৈ চালে। জগদীশ গুপ্তা আৰু ছেন্ট্ৰিটোৱে পিছমুৱা কৰি থকা দেখি তেওঁ টৰ্চটো এবাৰ জ্বলাই, পিছৰবাৰ নুমুৱাই প্ৰত্যুত্তৰ দিলে।

নাথে মন কৰিলে আঁতৰৰ পোহৰৰ বিন্দুটোৱে ক্ৰমশঃ যেন গতি ল'ব ধৰিছে। পুৰন্দৰ নাথে জানে ইয়াৰ অৰ্থ এটাই হ'ব, বিপুল আহি আছে।

জীপখনৰ ওচৰলৈ গৈ নাথে দীঘলকৈ উশাহ এটা ল'লে। চাৰ্জেণ্ট গুপ্তাই ছেন্ট্ৰিটোৰ লগত কিবা কথা পাতিছিল। নাথক দেখি আকৌ নীৰৱ হৈ গ'ল। নাথক ইংগিতেৰে মাতিলে গুপ্তাই। নাথ আগুৱাই গ'ল। গুপ্তা আৰু ছেন্ট্ৰিটোৰ সৈতে লগলাগি নাথে বস্তা এটা নমাই আনিলে। তিনিও কঢ়িয়াই নি বস্তাটো পানীলৈ দলি মাৰি দিলে।

নাথৰ বুকুখন হমহমাই গৈছিল।

কিন্তু জগদীশ গুপ্তা নিৰ্ব্বিকাৰ। ভাৱলেশহীন চাৱনি এটাই মুখখন আবৰি পেলাইছে। আনকি দ্বিতীয় বস্তাটো পেলাওঁতেও কোনো ভাৱান্তৰ প্ৰকাশ নাপালে।

তাৰমানে ......!!

নাথে জানে জগদীশ গুপ্তাই অনুমান কৰি ল'ব পাৰিছে, এই বস্তা কেইটাত অকল গোপন নথি-পত্ৰ নাই। নোটৰ বাণ্ডিলেৰে ওফোন্দ খাই আছে আৰু তেওঁ নিশ্চয় উমান পাইছে পুৰন্দৰ নাথৰ দুৰ্ব্বলতাখিনিৰ কথা। জগদীশ গুপ্তাই মাথো এটা ইংগিত দিলেই ......

কিন্তু এতিয়া এনেকুৱা এজন দেশ প্ৰেমিকৰ আৱশ্যক নাই। নাথৰ খেয়াল হ'ল, আঁতৰত ... বহু আঁতৰত তেওঁ যেন বুটজোতাৰ শব্দৰ লহৰ শুনা পাইছে।

'অলপ জিৰাই লওঁ।'

'নালাগে। মাত্ৰ দুটাহে বস্তা আছে। সেইকেইটাও পেলাই দি লোৱাটো ভাল হ'ব।'

বস্তাটো নমোৱাৰ পিছত নাথে চাৰিওফালে চালে। এটা ছাঁ সন্তৰ্পনে আহি জীপখনৰ আঁৰত লুকাইছে। পুৰন্দৰে বস্তাটো তললৈ নিয়াৰ সময়ত দেখা পালে ছাঁটো

জীপখনত উঠি বহিছে। তাৰ অৰ্থ হ'ব বিপুল এতিয়া জীপখনত উঠি বহিছে।

'অ।' আৰু তললৈ নিয়ক।'

'চাৰ!'

'কি?'

'আঁতৰত যেন বুটজোতাৰ শব্দ শুনিছো।'

বস্তাটো ধৰি ৰাখিয়েই গুপ্তাই ক'লে, 'শুনিছো।'

'ৰামলাল দৌৰি আহি আছে।'

'বোধহয়। কিন্তু..... এই..... নাথ ক'লৈ গ'ল?'

উচপখাই উঠিল ৰামমোহন। সি চাৰিওফালে চালে। ক'লে, 'সৌৱা তেওঁ জীপখনলৈ গৈছে।'

'তাৰমানে?'

ৰামলাল দৌৰি অহা আৰু লগে-লগে পুৰন্দৰ নাথ দৌৰি যোৱাটো বৰ বিসংগতিপূৰ্ণ যেন অনুভৱ হ'ল জগদীশ গুপ্তাৰ।

'তাক পকৰাও কৰা।'

বিপুলে ঠিক সেই সময়ত ৰিভলভাৰটো উলিয়াই ল'লে। পুৰন্দৰ নাথ জীপখন পাবলৈ আৰু বিশছেকেণ্ড লাগিব। এইকণ সময়ৰ ভিতৰতে জগদীশ গুপ্তাৰ ৰিভলভাৰ গৰ্জী উঠিলে সিহঁতৰ সমস্ত সপোন ধুলিসাৎ হ'ব।

বিপুলৰ ৰিভলভাৰটোৰ পৰা জুই বৰশিলে। কাগজৰ দৰে দুটা মানৱ দেহ ঢলি পৰিল।

'পিছফালে আৰু এটা আহি আছে।'

'থাকক। দুটা গুলী সাঁচি থ'ব লাগিব।'

'কিয়?'

বিপুলে উত্তৰ নিদিলে। সি উল্কা বেগেৰে জীপখন চলাই নিলে। সি পিছফালে হুইচেল বজোৱা শুনিছিল। এতিয়া কোনো পধ্যেই সময়ৰ অপব্যয় কৰিব নোৱাৰি। বিপুলৰ হাতদুখন কঁপিছে। জীপখনৰ হেড্‌লাইট সি জ্বলোৱা নাই। সি জানে গুলীৰ শব্দই চাৰ্কিট হাউচত থকা সামৰিক বাহিনীটোক সজাগ কৰি দিছে। বিপুলৰ অন্তৰখনো দুৰু-দুৰুকৈ কঁপিছে। যদি ঘনাই দাসে নাওঁখন লৈ যায় ... আৰু যদি.....

জীপখন হঠাতে ৰখাই বিপুলে ক'লে, ' বস্তাটো নমা পুৰন্দৰ। ইয়াৰ পৰা আৰু জীপ নিব নোৱাৰি।'

বস্তাটো নমাই আনিলে পুৰন্দৰ নাথে। চুটকেচ এটাও এহাতেৰে দাঙি ধৰা দেখি

বিপুলে ক'লে, 'চুটকেচটো নালাগে নিব।'

'কিন্তু ইয়াতোযে টকা আছে।'

চমকি উঠিল বিপুল। নাথৰ কথা শুনি সি অকণো ভাল নাপালে।

'ব'ল।'

নাওঁখন দেখা পাই বিপুলে স্বস্তিৰ নিশ্বাস এৰিলে। বস্তাটো নাৱঁত উঠাই গুৰি বঠাডাল হাতত লৈ সি পাৰলৈ চালে। কিন্তু সি দেখা নাপালে দুটা চঞ্চল ছাঁ। হয়তো ৰিভলভাৰৰ শব্দই আঁতুৰ কৰি পেলালে ঘনাই দাসহঁতক। বিপুলে হাঁহি দিলে। সি এতিয়া বিপদ মুক্ত। বস্তাটোত বাৰু কিমান টকা আছে। দহলাখ......। বিশলাখ! তাৰমানে সি এতিয়া লাখপতি হ'ল।

'বিপুল নাওঁত পানী সোমাইছে।'

'কি?'

'টেমা এটা আছে নেকি চাছোন।'

'টেমা? টেমা এটা আছিল। কিন্তু মই পেলাই দিছিলো।'

'তেন্তে.....!!'

বিপুলে মাথো বঠা মাৰিছে। লুইতৰ সিটো মুৰ পাৰলৈ এতিয়াওঁ বহু দুৰ।

'বিপুল ...... পানী বেছি হৈছে .... বি..... পু.....ল.....।'

বিপুলে একো ক'ব নোৱাৰিলে। সি স্থবিৰ হৈ ৰ'ল। সি সাঁতুৰিবলৈকো পাহৰি গ'ল।

'বি..... পু..... লু....... মোক ..... ব......ছা.....বি.....পু.....' ○

# ৰহস্যময়ী

চহৰখনৰ উপকণ্ঠত থকা এয়াৰপৰ্টটোৰ নাম লীলাবাৰী।

সৰু এয়াৰপৰ্ট। গুৰুত্বও নাই এয়াৰপৰ্টটোৰ। দিনটোত মাথো দুখন ফ্লাইট উঠে, নামে। সেইখিনি সময়ত এয়াৰপৰ্টৰ আছাম টাইপৰ সৰু ঘৰটো মুখৰিত হৈ উঠে। কিন্তু যাত্ৰী কঢ়িয়াই নিয়া বাছখন চহৰলৈ যোৱাৰ পিছত সেইখিনি ব্যস্ততাও শেষ হৈ আহে। এয়াৰপৰ্টৰ বিষয়া বিজয় শৰ্ম্মাই তেতিয়া ছিগাৰেট এটা জ্বলাই স্বস্তিৰ নিঃশ্বাস এৰে। সেই সময়তে তেওঁ প্লেনত অহা দৈনিক কাগজখিনি পঢ়ি লয়। দুটামান ছিগাৰেট শেষ হোৱাৰ পিছত কাগজখিনিৰ ওপৰত চকু ফুৰোৱাও তেওঁৰ হৈ যায়। তাৰপিছত বিজয় শৰ্ম্মা আঁতৰত থকা বঙলাটোলৈ নিজৰ স্কুটাৰখনেৰে গুছি যায়।

তাৰপিছৰ সময়খিনি চকীদাৰ ৰামসিঙৰ কাৰণে ব্যস্ততাপূৰ্ণ। অৱশ্যে দহ-পোন্ধৰ মিনিটৰ কাৰণেহে। সেইখিনি সময়ৰ ভিতৰতে ৰামসিঙৰ দৰ্জা-খিৰিকি বন্ধ কৰা শেষ হৈ যায়। ৰামসিঙ গুছি যোৱাৰ পিছত বিমানকোঠতো আৰু বেছি উৰুঙা হৈ পৰে। কণ্ট্ৰল টাৱাৰৰ কৰ্তব্যত থকা মানুহ দুজনেও হামিয়াই হিকটিয়াই বহি থাকে। কৰ্তব্যৰত ছেণ্ট্ৰিটোৱে ফিল্ডৰ মাজেৰে খোজকাঢ়ি থাকে। কণ্ট্ৰ'ল টাৱাৰৰ খিৰিকিৰ আহল-বহল কাঁচ কেইখনেৰে তেওঁলোকে তলৰ ফিল্ডত খোজকাঢ়ি থকা ছেণ্ট্ৰিটোলৈ চাই থাকে।

সময় যেন নাযায়, নুপুৰাই।

কিন্তু ...... এদিনাখন....

১

বিজয় শৰ্ম্মাই চকীখনত বহি লৈ ছিগাৰেটটো ওঁঠৰ ফাঁকত গুজি লৈ জ্বলাব খুজিও নজ্বলালে। কোঠাটোৰ দুৱাৰডলিৰ সিপাৰে কোনোবা এজন যেন বৈ আছে। দৰ্জাখন খোলায়ে আছে। কিন্তু পৰ্দাখনৰ কাৰণে তেওঁ ধৰিব নোৱাৰিলে মানুহজনক। অলপ আঁচৰিতো হ'ল তেওঁ। অলপ আগেয়ে শেষ ফ্লাইটখন গ'লগৈ। ইয়াত থকা যাত্ৰীসকল আৰু গ্ৰাউণ্ড অফিচাৰ কেইজনকো ষ্টাফ বাছখনে লৈ গ'ল। আপাতঃ দৃষ্টিত

এজন বাহিৰৰ মানুহ বিমান কোঠত থকা অলপ বিস্ময়ৰ কথা।

অলপ পৰৰ পিছত বিজয় শৰ্ম্মাই মাত লগালে, 'কোন?'

মানুহজনে একো নামাতিলে। বিজয় শৰ্ম্মাই ছিগাৰেটতো ওঁঠৰ ফাঁকৰ পৰা গুছাই আনি আকৌ এবাৰ মাত লগালে, 'সোমাই আহক।'

পৰ্দাখন অলপ ফাঁক হ'ল। এগৰাকী যুৱতী কোঠাটোলৈ সোমাই আহিল।

'বহক।'

যুৱতী বহিল। বিজয়ে এইবাৰ যুৱতীক ভালদৰে নিৰীক্ষণ কৰিলে। যুৱতী ধুনীয়া। গাৰ বৰণ বগা নহয়, কিন্তু মিঠা বৰণীয়া। বয়স হয়টো একৈশ-বাইশমান হ'ব, বিজয়ে অনুমান কৰিলে। পিন্ধনত পাতল নীলা ৰঙৰ শাৰী এখন।

ৰামসিঙে হাতত নিউজ পেপাৰৰ নুৰাটো লৈ সোমাই আহি শৰ্ম্মাৰ সন্মুখৰ টেবুলখনত কাগজৰ নুৰাটো থৈ সি যুৱতীলৈ চাই পঠিয়ালে। ৰামসিঙ যেন চমকি উঠিল। সি কিবা এষাৰ ক'ব ওলাইছিল, নক'লে। সি কোঠাটোৰ পৰা ওলাই গ'ল।

'কওঁক, মই কি সহায় কৰিব পাৰো?'

'মানে —' যুৱতীয়ে উশাহ এটা সলাই পুনৰ ক'লে, 'মোৰ নাম জুলি সেন। অলপ আগতে মই এয়াৰপৰ্ট পাইছিলোহি। কিন্তু মোৰেই দুৰ্ভাগ্য প্লেনখন মই ধৰিব নোৱাৰিলো। মই অহাৰ পাঁচ মিনিট আগেয়ে প্লেনখন উৰা মাৰিলে। আনপিনে মই আজিয়েই গুৱাহাটী পাব লাগে।'

'কিন্তু ......'

'চাওঁক, মই গম পাইছো, অলপ পিছতে ডিব্ৰুগড়ৰ পৰা এখন চাৰ্টাড ডাকোটা প্লেন ইয়াত নামিবহি। ইয়াৰ পৰা ছজন বিজনেছমেনক উঠাই লৈ প্লেনখন গুৱাহাটীলৈ উৰা মাৰিব আৰু তাৰ পিছত কলিকতালৈ যাব। আপুনি যদি অনুগ্ৰহ কৰি এবাৰ তেওঁলোকক অনুৰোধ কৰে ..........'

'কিন্তু আপোনাক নিবলৈ তেওঁলোক সন্মত নহ'বও পাৰে।'

'মই জানো তেওঁলোক সন্মত হ'বই। মাত্ৰ আপুনি মোৰ হৈ তেওঁলোকক এটা অনুৰোধ কৰিব লাগিব, বছ ইমানেই।'

বিজয়ে একো নক'লে। কেইটামান মুহূৰ্ত নীৰৱে গ'ল।

'আপুনি ইয়াতে থাকে?' অৱশেষত ছিগাৰেটটো জ্বলাই বিজয়ে সুধিলে।

'ওঁহো।' মুৰটো জোকাৰি জুলিয়ে ক'লে, 'মই ইয়াত নাথাকো। মই ঔষধ কোম্পানী এটাৰ ৰিপ্ৰেজেনটেটিভ। পৰহি উত্তৰ লক্ষীমপুৰলৈ আহিছিলো। হঠাতে আজি হেড অফিচৰ পৰা খবৰ আহিল মই হেনো এতিয়াই গুৱাহাটী পাব লাগে।

তেওঁলোকেই কৈ পঠিয়াইছিল প্লেন ধৰিব নোৱাৰিলে মোক এই চাৰ্টাড প্লেনখনত ........'

'অ।'

'আচলতে মোৰ ঘৰ পশ্চিম বংগৰ আলিপুৰদুৱাৰত।'

'আলিপুৰদুৱাৰত?'

'অ। কিয়?'

'নাই, এনেয়ে সুধিছো। কালিৰ খবৰ কাগজত নামটো পাইছিলো, সেইকাৰণে হ'বলা নামটো শুনি চিনাকি যেন লাগিল।'

জুলিৰ মুখখনে যেন বৰণ সলালে।

'কি ওলাইছিল কালিৰ খবৰ কাগজত?'

'আলিপুৰদুৱাৰত পুলিচ ফায়াৰিং হৈছে। চাৰিজন নক্সাল পন্থীৰ স্পট ডেড্। তাৰপিছত কাৰফিউ দিছে। ইমানেই।'

'বাতৰিটো ময়ো শুনিছো!' জুলিয়ে অনুচ্চ কণ্ঠেৰে ক'লে।

২

জুলিয়ে চাৰিওফালে চালে। দীঘল কৰিডৰটো জনশূণ্য হৈ পৰি আছে। তাই সন্তপৰ্ণে খোজ দি আগুৱাই গ'ল। জুলিৰ উজ্বল চকুযুৰিৰ জেউতিক আওকাণ কৰিব নোৱাৰি বিজয় শৰ্ম্মাই অৱশেষত ব্যৱসায়ী কিজনলৈ ফোন কৰিবলৈ বাধ্য হৈছিল। ফোন নাম্বাৰ লিখা কাগজখিলা অৱশ্যে জুলিয়েই ভেনিটি বেগটোৰ পৰা উলিয়াই দিছিল।

'কি খাব? চাহ বা কফি?' বিজয়ে তাৰপিছত সুধিছিল।

'তাৰমানে কাফেটেৰিয়াখন খোলা আছে নেকি?'

'সেইখন কেতিয়াবাই বন্ধ হ'ল। আপুনি ইচ্ছা কৰিলে মোৰ বঙলাৰ পৰা -'

'নালাগে, ধন্যবাদ।'

'তেন্তে আপুনি কিছুসময় ইয়াতে বহক। মই কণ্ট্ৰল টাৱাৰৰ পৰা আহিছো।'

বিজয় বহাৰ পৰা উঠি গুছি গৈছিল। জুলি দুইমিনিটমান কোঠাটোত বহি থাকি অৱশেষত তায়ো কোঠাটোৰ পৰা ওলাই আহি জনশূণ্য দীঘল কৰিডৰটোৰে আগবাঢ়িল। কৰিডৰটো বিশমিটাৰমান আঁতৰত ভাঁজ এটা লৈ উত্তৰলৈ গৈছে। সেইফালে কণ্ট্ৰল টাৱাৰলৈ উঠি যোৱা চিৰি আছে। জুলিয়ে সেইফালেই খোজ দিলে। দুখোজমান গৈয়ে হঠাত জুলি বৈ গ'ল, ততালিকে তাই পিছুৱাই ঘূৰি চালে। মানুহ এটা চকামকাকৈ দেখা পালে তাই। তাই চোৱাৰ লগে লগে মানুহটো সাউৎকৰে

যেন নাইকিয়া হৈ গ'ল। জুলি এপলক ৰৈ কিবা চিন্তা কৰিলে। তাইৰ কঁপালৰ গাঠি থুপ খালে। খন্তেক পিছত আকৌ তাই আগুৱাই গ'ল। কণ্ট্ৰল টাৱাৰৰ দৰ্জাৰ সমুখত বিজয় শৰ্ম্মাক লগ পালে তাই।

'আপুনি........'

'বহি বহি আমনি লাগিল দেখি উঠি আহিলো।'

'অ,' তেন্তে ব'লক মোৰ কোৱাৰ্টাৰৰ পৰা এপাক মাৰি আহিব।' বিজয়ে এইবাৰ পিছফালে ঘূৰি চাই ক'লে, 'অৰুণ! প্লেন আহিলেই ফোন কৰিবা।'

বিজয়ে কথাখিনি কৈয়ে চিৰিয়েদি নামি গ'ল। জুলিয়ে বিজয় শৰ্ম্মাৰ পিছে পিছে ধীৰে ধীৰে খোজ পেলাই নামি গ'ল। তাই আকৌ এবাৰ পিছলৈ ঘূৰি চাইছিল। কণ্ট্ৰল টাৱাৰলৈ সোমাই যোৱা খোলা দৰ্জাখনৰ আঁৰত কোনোবা এজনক থিয় হৈ থকা তাইৰ চকুত পৰিছিল। তাই ৰ'ব খুজিছিল ; কিন্তু বিজয় শৰ্ম্মাই অনৰ্গল কথা কৈ থকা কাৰণে তাই ৰ'ব নোৱাৰিলে।

পাঁচ মিনিটৰ ভিতৰতে বিজয় শৰ্ম্মাৰ স্কুটাৰত উঠি জুলিয়ে একাশৰীয়া কোৱাৰ্টাৰটো পালে। স্কুটাৰখন পৰ্চত ষ্টেণ্ড কৰি বিজয় শৰ্ম্মাই চাৰিওফালে চালে। ঘৰটো নিমাওমাও হৈ আছে। অইন দিনাৰ এইখিনি সময়ত ৰেখা আৰু দুবছৰীয়া বিমান বাৰাণ্ডাখনত থিয় হৈ থাকে। আজিৰ ব্যতিক্ৰমে বিজয় শৰ্ম্মাক বিস্ময়ত পেলালে। বাৰাণ্ডাখনৰ পৰা ভিতৰলৈ সোমাই যোৱা দৰ্জাখন খোলা থকা দেখি কিবা এযাৰ ক'ব ওলায়ো তেওঁ নক'লে। মাত্ৰ জুলিক ভিতৰলৈ সোমাই যাবলৈ আঙুলিয়াই দেখালে। জুলি ভিতৰলৈ সোমাই যোৱাৰ পিছত বিজয়ো ভিতৰলৈ গৈ চিঞৰিলে, 'ৰেখা!'

দুয়োকেও নীৰৱে গ'ল।

বিজয়ৰ হঠাতে খেয়াল হ'ল কিবা এটা অমঙ্গল ঘটিছে। তেওঁ জুলিক একো নক'ই বেডৰুমলৈ আগবাঢ়িল। পিছে পিছে জুলিয়েও খোজ দিব ধৰা দেখি বিজয়ে অস্বস্তি অনুভৱ কৰিলে। আজি যেন .......

বেডৰুমৰ বন্ধ দুৱাৰখন খুলি বিজয় সোমাই যোৱাৰ লগে লগে অনুভৱ কৰিলে জুলিয়ে যেন তেওঁৰ পিঠিখনত কিহবাৰে খুচি দিছে।

'ডন্ট মুভ।'

আৰু ৰেখা আৰু বিমান ...!! বিজয় শৰ্ম্মা হতভম্ব হ'ল। বিজয়ৰ বুজিবলৈ বাকী নৰ'ল যে তেওঁ এটা পাকচক্ৰৰ মকৰাজালত বন্ধী হ'ল। কিন্তু ৰেখা আৰু বিমানক দুজন মানুহে মুখত সোপা দি বান্ধি থৈছে কিয়! তাৰমানে ......

৩

'আমি নিৰুপায় মিঃ শৰ্ম্মা। সচাঁকৈয়ে আমি দুঃখিত। কৰ্ত্তব্যৰ খাটিৰতে আপোনাক এইখিনি দিগ্‌দাৰী দিছো। সেইবুলি আপুনি যদি আমাৰ লগত সহযোগ নকৰে তেন্তে আমি নিষ্ঠুৰতম কাৰ্য্যপন্থা হাতত ল'বলৈ অকণো কুণ্ঠাবোধ নকৰিম।'

ৰেখা আৰু বিমানক চকীদুখনত বান্ধি থৈ মানুহদুজনে বিজয়ৰ দুয়োখন হাত চকী এখনৰ হেণ্ডেলত আটিলকৈ বান্ধি থৈছিল। জুলি তেওঁৰ পৰা পাঁচ হাতমান আঁতৰত ৰিভলভাৰ এটা টোৱাই ৰৈ আছে।

জুলিয়ে ঘড়ীটো চালে। তিনিটা বাজিছে। শীতকাল বাবে ৰ'দ জাক চোকা নহয়। তথাপিও জুলিয়ে খিৰিকি কিখন বন্ধ কৰি দিলে। কোঠাটোৰ পৰিবেশ এতিয়া শান্ত, অস্বস্তিকৰ।

'শুনক! অলপ পাছতে কণ্ট্ৰল টাৱাৰৰ পৰা ফোন আহিব। আপুনি তেওঁলোকক ক'ব লাগিব প্লেনখন ভি. আই. পি. ৰুমৰ মুখামুখিকৈ ৰাখিব লাগিব যাতে কণ্ট্ৰল টাৱাৰৰ পৰা প্লেনখনৰ পিছফালটোহে চকুত পৰে। আপুনি বিজনেছমেনকিজনক যিমানপাৰে সোনকালে প্লেনখনত উঠিব ক'ব। কণ্ট্ৰল টাৱাৰক জনাই দিব, প্লেনখন দহমিনিটতকৈ বেছি সময় যেন ৰানৱেত থাকিব নোৱাৰে। প্লেনখন মোক লৈ যেতিয়া উৰা মাৰিব, তাৰ পিছতহে আপোনালোকক মুক্তি দিয়া হ'ব। ইয়াৰ ভিতৰত পুলিচৰ উপস্থিতিয়ে কিন্তু আমাক চৰম ব্যৱস্থা ল'বলৈ বাধ্য কৰাব।'

জুলিয়ে আৰু কিবা ক'ব ওলাইছিল, নক'লে। তাই বিজয় শৰ্ম্মাৰ ওচৰ চাপি আহিল ; ওচৰলৈ আৰু ওচৰলৈ। এহাঁতত ৰিভলভাৰটো ধৰি আনখন হাতেৰে তাই বিজয়ৰ পেণ্টৰ পকেট খেপিয়াই চাই কিবা বিচাৰিলে। তাই আকৌ আঁতৰি আহিল। কঁপালত বিন্দু বিন্দু ঘাম বিৰিঙিল।

'শেখৰ আৰু বিমল! তোমালোকে কোঠাটো এবাৰ চাৰ্চ কৰা। লেপ-তুলি আলমাৰী সকলো ওলট-পালট কৰি বিচাৰি চোৱা ৰিভলভাৰ এটা আছে, নে নাই। আলমাৰী চুকটোত গুলীৰ পেকেট এটা পৰি আছে, গতিকে ৰিভলভাৰ এটা এই কোঠাটোত থাকিবই লাগিব। হয়নে নহয় মিঃ শৰ্ম্মা?'

টক্ - টক্ - টক্।

বাহিৰৰ দৰ্জাখনত হঠাতে কোনোবাই টুকুৰিয়াই দিলে। পিছ মুহূৰ্ততে জুলিৰ কাণত পৰিল, 'চাৰ!'

বিজয়ৰ ওঁঠত কুটিল হাঁহিৰ ৰেখা এডাল বিয়পি পৰিল।

'এতিয়া কি কৰিব মিছ সেন?'

জুলি বিজয়ৰ ওচৰলৈ আকৌ আগবাঢ়ি গ'ল। হাতত থকা ৰিভল্‌ভাৰটোৰ বাটটোৰে বিজয়ৰ মূৰত খুন্দামাৰি ৰিভলভাৰটো কান্ধত ওলমি থকা বেগটোত ভৰাই জুলি এইবাৰ ধীৰ খোজেৰে বাহিৰলৈ ওলাই আহিল।

৪

বিকাশৰ অভ্যাসটো বৰ বেয়া। সি নিজকে কেতিয়াও সম্বৰণ কৰিব নোৱাৰে। যেতিয়া তাৰ হাতত বাইন'কুলাৰটো পৰেহি, আকাশমাৰ্গত দৃষ্টি নিক্ষেপন কৰাতকৈ পোনে-পোনে সি পশ্চিম ফালৰ খিৰিকিখনৰ ওচৰলৈ কাষচাপি আহে। এয়াৰপৰ্ট অফিচাৰ বিজয় শৰ্মাৰ পত্নী পিছফালৰ বাৰাণ্ডাত বহি থাকে তেতিয়া। সি লুকাই চুৰকৈ চায়। দেহৰ নিভৃততম অংশত বাইন'কুলাৰৰ দৃষ্টিৰেখা মিলাই সি পৈশাচিক পৰিতৃপ্তি পায়। কিন্তু আজি .....

বিকাশ উভতি আহি নিজৰ চকীখনত বহিল।

'কি হ'ল? আজি নেদেখিলি?' অৰুণে সুধিলে।

বিকাশে মূৰ দুপিয়ালে।

'তোৰ ভাগ্যই বেয়া আজি।'

'ভাগ্য বেয়া বুলি তই ক'ব নোৱাৰ।'

'মানে!'

'তিনিটামান বজাত দেখিছিলো। এজনী নহয়, দুজনী! লগত অৱশ্যে আৰু দুটা মানুহ। তাৰ পিছত অৱশ্যে আৰু দেখা পোৱা নাই। আনকি বেডৰুমৰ খিৰিকি দুখনো অলপৰ আগতে কোনোবাই বন্ধ কৰি থ'লে।'

অৰুণে নিজৰ চকীখনৰ পৰা উঠি আহি এইবাৰ বিকাশৰ ওচৰ চাপিলহি। সি বিকাশৰ চকুৰে-চকুৰে চাই সুধিলে, 'তাৰমানে মিচেচ শৰ্মাৰ বাহিৰেও তই আন এগৰাকী তিৰোতাকো দেখিছিলি?'

'অ'। লগত আৰু মানুহ দুজন।'

'পিছফালৰ বাৰাণ্ডাত নে আগফালৰ বাৰাণ্ডাত?'

'পিছফালৰ।' বিকাশৰ চুটী উত্তৰ। সি যেন ক্ৰমে গহীন হৈ আহিব ধৰিছে।

'আচ্ছা বিকাশ! ইগৰাকী তিৰোতাৰ চেহেৰাটো তোৰ মনত আছে?'

'আছে। কিন্তু তই এনেকুৱা প্ৰশ্ন সুধিব ধৰিছ কিয়?'

অৰুণে উত্তৰ নিদি আকৌ সুধিলে, 'ইগৰাকী তিৰোতা নহয়, যুৱতী। পিন্ধনত নীলা ৰঙৰ শাৰী এখন আছিল, হয়নে?'

'হ-য়-' বিকাশে সেপ এটা ঢুকি ক'লে, 'কিন্তু তই কেনেকৈ জানিলি?'

'অলপ আগতে চাৰৰ ওচৰলৈ ছোৱালী এজনী আহিছিল। ছোৱালীজনী ধুনীয়া। নীলা শাৰী এখন পিন্ধিছিল। সেই ছোৱালীজনীৰ লগতে চাৰ কোৱাৰ্টাৰলৈ যোৱা দেখিছিলো।'

কিন্তু বিকাশ যেন আগ্মনা হৈ পৰিল। সি অনুভৱ কৰিলে ক'ৰবাত যেন তাৰ সদা সৰ্তক মনটোৰ অলক্ষিতেই অঘটন এটা ঘটি গ'ল। সি বাইন'কুলাৰটোৰে চাই আছিল মিচেচ শৰ্ম্মাক। মিচেচ শৰ্ম্মাই পিছফালৰ বাৰাণ্ডাখনত বহি লৈ উল গুঠি আছিল। তেনেতে বেডৰূমৰ পৰা ওলাই অহা দৰ্জাখনত যুৱতী এগৰাকী দেখা গ'ল। তাৰপিচত আৰু দুজন মানুহ। সিহঁতক দেখি মিচেচ শৰ্ম্মা ততালিকে বহি থকা মূঢ়াটোৰ পৰা উঠি থিয় হৈছিল। মুখেৰে কিবা এষাৰ কৈছিলো কিজানি। মুখখন তেতিয়া বাৰু তেওঁৰ কেনেকুৱা হৈছিল? বিকাশে মনত পেলাব খুজিলে। ওঁ, তেওঁ যেন বেডৰূমত ভয়ানক কিবা এটা দেখিছিল। নহ'লে বেডৰূমলৈ একপ্ৰকাৰ দৌৰি যোৱাদি যাব কিয়? কিন্তু তেওঁ গ'ল কিয় তেনেকৈ?'

'কি হ'ল বিকাশ?'

'হু। নাই, একো হোৱা নাই।'

'হৈছে। তয়ো মই যি চিন্তা কৰিছো তাকেই ভাবিছ। কাৰণ এনেকুৱা এটা ঘটনা লীলাবাৰীত আজি প্ৰথম ঘটিছে। আজি প্ৰথমবাৰৰ কাৰণে এখন চাৰ্টাৰ্ড প্লেন লীলাবাৰীত নামিব। এইটো বোলে টপ চিক্ৰেট আছিল। তেনেস্থলত ছোৱালীজনীয়ে গম পালে কেনেকৈ? তদুপৰি আজি প্ৰথমবাৰৰ কাৰণে —'

ৰামসিঙ সোমাই অহা দেখি অৰুণ ৰ'ল। সি সুধিলে, 'চাৰক পালি?'

'চাৰ নাই। নতুন মেমচাহেবে ক'লে চাৰ হেনো উঃ লক্ষীমপুৰলৈ গ'ল।'

'স্কুটাৰেৰে?'

'ক'ব নোৱাৰো। স্কুটাৰ পৰ্চতে আছে।'

'আচ্চা! নতুন মেমচাহেব মানে অলপ আগতে অহা ছোৱালীজনী নেকি?'

ৰামসিঙে মূৰ দুপিয়ালে। অৰুণে এইবাৰ বিকাশলৈ চালে।

'মই যেন .... কিবা এটা অনুভৱ কৰিছো অৰুণ। হয়তো বৰ বেয়া কিবা এটা।'

অৰুণ পশ্চিমফালৰ খিৰিকিখনৰ ওচৰলৈ গ'ল। সি বিজয় শৰ্ম্মাৰ ঘৰটোলৈ চালে। সেইখিনিৰ পৰা ঘৰটো ৰিণিকি ৰিণিকি চকুত পৰে। হঠাৎ যেন অৰুণ চঞ্চল হৈ উঠিল। বিকাশৰ পৰা বাইন'কুলাৰটো আনি ঘৰটোৰ ওপৰত এপলক চকুফুৰাই সি ক'লে, 'ৰামসিঙ! তই আকৌ এবাৰ চাৰৰ ঘৰলৈ যাব লাগিব। ফোনটো বেয়া হৈ নাথাকিলে অৱশ্যে তই নগ'লেও হ'লহেঁতেন। কিন্তু এতিয়া .....'

৫

শান্ত, নিজুম হৈ আছে এয়াৰপৰ্টটো। অইনদিনাখনো এইসময়ত এয়াৰপৰ্টটো শান্ত হৈ থাকে। কিন্তু আজি যেন কিছু ব্যতিক্ৰম। কণ্ট্ৰল টাৱাৰত এতিয়া অকল বিকাশ আৰু অৰুণ। বিকাশৰ প্ৰগলভতা এতিয়া আৰু নাই। সি যেন অচঞ্চল। সি মেচেজবোৰ ৰিচিভ কৰাত ব্যস্ত। চাৰ্টাড প্লেনখন অলপ আগতে চাবুৱা এৰিছে। হয়টো আৰু দহ-পোন্ধৰ মিনিটৰ ভিতৰত লীলাবাৰীত অৱতৰণ কৰিব। কিন্তু তাৰপিছত সি কি কৰিব?

অৰুণে ঘড়ীটো চালে। ৰামসিঙ যোৱা পোন্ধৰ মিনিট হৈ গ'ল। চাৰিটা বাজিবলৈ এতিয়া পাঁচ মিনিট আছে।

হঠাতে অৰুণৰ ভাব হ'ল, কাঠৰ চিৰি বগাই কোনোবা এটা যেন কণ্ট্ৰল টাৱাৰলৈ উঠি আহিছে! অৰুণে বিকাশলৈ চালে। সি আপোনমনে হেডফোনটো কাণত গুজি লৈ কিবা নোট কৰি আছে। অৰুণে নামাতিলে। সি উঠি আহি দৰ্জাখনৰ কাষ চাপি গ'ল। চিৰি বগাই অহাৰ শব্দৰ লহৰ আৰু স্পষ্ট হৈ আহিছে।

অৰুণ কণ্ট্ৰল টাৱাৰৰ পৰা ওলাই আহিল। য'ত ওপৰলৈ উঠি অহা চিৰিৰ শেষ ঢাপটো শেষ হৈছে ঠিক সেইখিনিতেই সি জুলিক লগ পালে। অৰুণ চমকি উঠিল। সি অনুভৱ কৰিলে যে জীৱনত সি প্ৰথমবাৰৰ কাৰণে নাৰীজাতিৰ প্ৰতি চঞ্চল হৈ উঠিছে।

'আপুনি?'

'মই জুলি সেন। চাৰ্টাড প্লেনখনত মোৰ গুৱাহাটীলৈ যোৱাৰ কথা আছে। আপুনি ক'ব পাৰে নেকি প্লেনখন কিমানপৰত পাবহি?'

'আৰু দহ-পোন্ধৰ মিনিটৰ পিছতে লেণ্ড কৰিব লাগে।'

জুলিয়ে চিৰিৰ শেষ ঢাপটো অতিক্ৰম কৰি তিনি ফুট আহল-বহল সৰু ঠাই টুকুৰাত থিয় হ'ল। তাইৰ দুহাত আঁতৰত অৰুণ মন্ত্ৰমুগ্ধ হৈ থিয় হৈ আছে।

'বিজয় শৰ্ম্মাই কৈ পঠিয়াইছে প্লেনখন যেন দহ মিনিটতকৈ বেছি সময় ৰানৱেত বৈ নাথাকে। আৰু .....'

'কিন্তু চাৰ ক'ত আছে এতিয়া? অলপ আগতে ৰামসিঙে আহি ক'লে যে চাৰ উত্তৰ লক্ষীমপুৰলৈ গ'ল। অৱশ্যে আপুনিয়েই হেনো কৈ পঠিয়াইছিল।'

'হয় ....' জুলিয়ে মূহুৰ্তৰ কাৰণে অপ্ৰস্তুত হৈছিল। সেপ এটা ঢুকি লৈ ক'লে, 'তেখেতে যোৱাৰ আগেয়ে মোক কথাখিনি আপোনাক কৈ যাব কৈছিল।'

জুলিৰ দেহৰ প্ৰসাধনৰ সুগন্ধই অৰুণক স্বপ্নালু কৰি তুলিছিল। বতাহৰ প্ৰছন্নতাই বাৰে প্ৰতি জুলিক লাজ দি গৈছে। অৰুণ স্থিতপ্ৰজ্ঞ হৈ থাকিব নোৱাৰিলে।

সি এখোজ আগুৱালে। জুলিৰ ওঁঠত বিয়পি পৰা দিগ্‌বিজয়ী হাঁহিৰ স্ৰোতত সি যেন উটি ভাঁহি যাব।

'অৰুণ!' হঠাৎ বিকাশৰ মাতটোৱে অৰুণৰ স্বপ্নালু ভাবটো ভাঙি চুৰমাৰ কৰি দিলে। সি বাস্তৱলৈ ঘূৰি আহিল। অৰুণ আকৌ কণ্ট্ৰল টাৱাৰলৈ গুছি গ'ল!

'প্লেনখন অলপ পিছতে লেণ্ড কৰিব। তই তললৈ যাগৈ। আজি ভাটিয়া আৰু পেটেলো নাই। তই অকলেই চম্ভালিব লাগিব।'

'প্লেনখন ভি. আই. পি. ৰুমৰ আগত বিজয় শৰ্মাই প্লেচ কৰিব কৈছে।'

পিছফালৰ পৰা জুলিৰ মাতটো শুনি অৰুণ আৰু বিকাশ উচাপ খাই উঠিল। অৰুণৰ মুখৰ অভিব্যক্তি কিছু সলনি হ'ল। বিকাশ কিন্তু নিৰ্বিকাৰ। সি এপলক জুলিলৈ একেথিৰে চাই ৰ'ল। জুলিয়ে মূৰটো হলাই দিলে। তাই ইতিমধ্যেই কণ্ট্ৰল টাৱাৰৰ পৰা আঁতৰি অহা অৰুণৰ পিছে পিছে উভতি খোজ দিবলৈ আৰম্ভ কৰিলে।

জুলি ভি. আই. পি. ৰুমৰ বেলকনিত ৰৈ প্লেনখন অৱতৰণ কৰা চাই ৰ'ল। ভি. আই. পি. ৰুমৰ পৰা প্ৰায় দুশগজ আঁতৰত প্লেনখন ৰৈ গ'ল। ঘড়ীতো চাই জুলি উচপিচাই উঠিল।

'দেৰী হ'ল।' তাই অস্ফুটস্বৰেৰে ক'লে।

'কি হ'ল মিছ সেন?'

'কোন?' জুলি উচপ খাই উঠি ঘূৰি চালে। অৰুণক দেখি আশ্বস্ত হ'ল জুলি। 'মই আন কোনোবা বুলি ভাবিছিলো।' তাই ক'লে। কথাখিনি কৈয়ে তাই খোজ পেলালে। তাইৰ পিছে পিছে মন্ত্ৰমুগ্ধৰ দৰে অৰুণ আগুৱাই গ'ল। মিহি স্বৰেৰে জুলিয়ে কিবা কৈ গৈছিল। অৰুণ হয়টো অন্যমনস্ক হৈ পৰিছিল। হঠাতে এটা মুহুৰ্ত্তৰ ভিতৰত জুলি দুখোজ আগুৱাই গৈ আকৌ ঘূৰি দিলে। জুলিৰ এহাতত জিলিকি উঠা উদ্যত ৰিভলভাৰটো দেখি অৰুণ হতভম্ব হ'ল। সি বুজিলে, বহুত পলম হৈ গ'ল।

এয়াৰপৰ্টত এতিয়া অকল সি আৰু বিকাশহে আছে।

সি কি কৰিব এতিয়া! প্লেনখনত থকা পাইলট আৰু বহু আঁতৰত ৰানৱেৰ সিটো মূৰত থকা চেণ্ট্ৰিটোৰ পৰা সহায় আশা কৰাটোও মিছা!!

'পিছুৱাই যাওঁক। আৰু পিছুৱাই যাওঁক।'

অৰুণ পিছুৱাই গ'ল। ভি. আই. পি. ৰুমৰ দৰ্জাৰ ওচৰ পাওঁতে জুলিয়ে ৰুমাল এখন বেগৰ পৰা উলিয়াই অৰুণৰ মুখলৈ দলি মাৰি দিলে। অৰুনে নিজকে বচাব নোৱাৰিলে! এক অন্তহীন ক্লান্তিয়ে পলকতে অৰুণক অৱশ কৰি পেলালে। জুলিয়ে অকণো সময় অপব্যয় নকৰি চাৰিওফালে চাই লৈ অৰুণৰ ঢলি পৰা দেহটো চোচোৰাই

ভি. আই. পি. ৰুমলৈ টানি লৈ গ'ল। তাই অৰুণক কোঠাটোৰ মাজৰ থকা ডাঠ কাৰ্পেটখনত শুৱাই থ'ব খোজোতেই অৰুণ একেজাপে উঠি ঠিয় হৈ জুলিক আগভেটা দি ধৰিলে।

'আপোনাৰ অভিনয় শেষ হ'ল মিচ্ জুলি সেন।'

'শেষ হোৱা নাই, আৰম্ভহে হ'ল।'

জুলি হয়টো এপলকৰ কাৰণে স্তম্ভিত হৈছিল, কিন্তু পিছ মুহূৰ্ততে তাই মনস্থিৰ কৰি পেলালে। তাই নিৰ্বিকাৰ ভাৱে ৰিভলভাৰৰ ট্ৰিগাৰত হেঁচা দিলে। চাইলেঞ্চাৰ যুক্ত ৰিভলভাৰটোৰ পৰা চেপা আৰ্তনাদটো ওলাই আহিল। অৰুণে দুয়োখন হাতেৰে বুকুখন হেঁচি ধৰিলে। সি হয়তো সীমাহীন যন্ত্ৰনাত চিৎকাৰ কৰিব ওলাইছিল, কিন্তু জুলিৰ দ্বিতীয়টো গুলীৰ আঘাতে অৰুণক চিৰকাললৈ স্তব্ধ কৰি দিলে। সোণালী ৰঙৰ ডাঠ কাৰ্পেটখনত অৰুণৰ দেহটো কিছুপৰলৈ চট্‌ফটাই থাকি অৱশেষত নিথৰ হৈ গ'ল।

জুলিয়ে চাৰিওফালে চালে। তাই শিয়ঁৰি উঠিল। শাৰীৰ আচলখনত ৰঙা কণিকা কেইটামান বিৰিঙিছে। তাইৰ অন্তৰ দুৰু-দুৰুকৈ কঁপি উঠিল। তাই কি কৰিব এতিয়া! হাতত তাইৰ দহ মিনিটতকৈ কম সময়। যিকোনো সময়ৰ ভিতৰতে ব্যৱসায়ী কিজন আহি পাবহি। কিন্তু শাৰীৰ আচলখনত সুস্পষ্টকৈ বিৰিঙি থকা তেজৰ কণিকা লৈ তাই কেনেকৈ বিজনেছমেন কিজনৰ সমুখত থিয় হ'ব? আৰু যদি এইসময়ত কোঠাটোলৈ কোনোবা সোমাই আহে!!

জুলি ভি. আই. পি. ৰুমৰ সংলগ্ন বাথৰুমটোলৈ সোমাই গ'ল। বেছিনৰ টেপটো খোলোতে পানী নোলোৱা দেখি হতাশাই আকৌ জুলিক আগুৰি ধৰিলে। তাই আকৌ এবাৰ চকু ফুৰালে। চাৱাৰটোৰ তলত মগ এটা দেখি তাই মগটো তুলি ল'লে। মগটোৰ সেইকণ পানীৰে শাৰীৰ আচলখন তিয়াই দিলে। তেজাল ৰক্তিম বৰণটো কিছু পাতলিল।

জুলি খৰধৰকৈ ওলাই আহিল। কিন্তু অৰুণৰ মৃতদেহটো ক'ত গ'ল? জুলিৰ মূৰটো যেন আচন্দ্ৰাই কৰি উঠিল।

জুলিৰ ভাব হ'ল ভি. আই. পি. ৰুমলৈ সোমোৱা দৰ্জাৰ পৰ্দাখনৰ সিপাৰে কোনোৱা এটা যেন থিয়হৈ আছে। জুলিয়ে ৰিভলভাৰটো আকৌ উলিয়াই লৈ শাৰীখনৰ আগটোৰে ঢাকি ল'লে। জুলি সন্তৰ্পণে খোজ দি আগুৱাই গ'ল। পৰ্দাখনৰ পৰা চাৰিহাতমান আঁতৰত তাই ৰৈ গ'ল। তাই অনুমান কৰিলে, মানুহজন এইবাৰ সোঁফালে দুখোজ আগুৱাই গৈছে। হঠাতে জুলিৰ হাঁহি উঠি গ'ল। চিকাৰৰ নিৰ্বুদ্ধিতা

দেখি তাই চৰম সুখ পালে। এতিয়া তাই পৰ্দাখন অলপ ফাঁক কৰিয়ে মানুহজনক পলকতে ধৰাশায়ী কৰি দিব পাৰে। কিন্তু অৰুণৰ মৃতদেহটো ... জুলিৰ অন্তৰাত্মা আকৌ এবাৰ কঁপি উঠিল। দুঃশ্চিন্তাই তাইৰ  মনটো চঞ্চল কৰি তুলিলে।

জুলি দুখোজ আগুৱালে। তাই পৰ্দাখন এহাতেৰে ঈষৎ ফাঁক এটা কৰিলে।

'জুলি?' বাহিৰৰ পৰা চিনাকী কণ্ঠস্বৰ এটা ভাঁহি আহিল। জুলি এককোৰে ভি. আই. পি. ৰূমৰ পৰা ওলাই আহিল।

'শেখৰ! তুমি!! মই ভাবিছিলো আন কোনোবা বুলি।'

'ৰিভলভাৰটো বেগৰ ভিতৰত সুমুৱাই থোৱা। ভি. আই. পি. ৰূমটো বন্ধ কৰি থ'ব লাগিব।'

'কিন্তু শেখৰ.......'

'মানুহজনৰ মৃতদেহটো মইয়ে আলমাৰীটোত সুমুৱাই থৈছো।'

জুলি আশ্বস্ত হ'ল। শেখৰে ভি. আই. পি. ৰূমৰ দৰ্জাখন বন্ধ কৰি তলা মাৰি দিলে। জুলিয়ে চাৰিওফালে চালে।

দীঘল বাৰণ্ডাখন জনশূণ্য। ফিল্ডত থকা ছেনট্ৰিটো বহুদূৰৈত আছে। অন্ততঃ ৰাইফলৰ ৰেঞ্জৰ বাহিৰত। জুলিৰ মনটো কিছু সুস্থিৰ হ'ল। তাই এইবাৰ সমগ্ৰ আঁচনিখন মনত পেলালে।

'শেখৰ! বিমল ক'ত?'

'বিমল এয়াৰপৰ্ট অফিচাৰজনৰ ঘৰটোত আছে। অলপ পিছতে পাবহি কিজানি।'

জুলি বাহিৰলৈ ওলাই আহিল। জুলিয়ে দেখিলে দূৰৈত চলমান বগা এম্বেচাডৰ এখন এয়াৰপৰ্টলৈকে আহি আছে।

জুলিয়ে আকৌ ঘড়ীটো চালে। চাৰিটা দহ বাজিছে। আঁচনিখনৰ মতে সকলো সুকলমে ঘটি গ'লে আৰু দহমিনিটৰ পিছতে তাই লীলাবাৰী এৰিব পাৰিব। কিন্তু ..... জুলিৰ অন্তৰত সন্দেহে বাহ ল'লে। তাই শেখৰলৈ চালে। শেখৰে নিৰ্বিকাৰভাৱে দৃষ্টি আন পিনে পোনালে।

জুলি শেখৰৰ ওচৰলৈ এখোজ আগুৱাই গ'ল।

'শেখৰ!'

শেখৰ চমকি উঠিল। জুলিৰ কণ্ঠস্বৰৰ তীক্ষ্ণতাই শেখৰৰ পৌৰুষ যেন দুৰ্বল কৰি তুলিলে।

'বিমলৰ কি হ'ল?'

'মই কৈছোৱেই ...'

'তুমি মিছা কৈছা।'

'মানে —' শেখৰে সেপ এটা ঢুকি মূৰটো তললৈ পোনাই অৱশেষত ক'লে, 'তুমি যোৱাৰ পিছত চকীদাৰটো আকৌ আহিছিল। তেতিয়াই মিচেচ্ শৰ্ম্মাই চিঞৰি দিছিল। চিঞৰটো শুনি চকীদাৰটো বেডৰুমলৈ দৌৰি যাওঁতে বিমলে আগভেটা দি ধৰিলে। তুমিতো ড্ৰয়িংৰুমত নগা যাঠি এপাত সজাই থোৱা দেখিছিলাই। চকীদাৰটোৱে সেইডালেৰে বিমলক আক্ৰমণ কৰিব ওলোৱা দেখি মই বিজয় শৰ্মাৰ ৰিভলভাৰটোৰে গুলীয়াই দিলো। কিন্তু ইতিমধ্যেই......'

'তাৰমানে......!!'

'বিমলৰ বুকুৰেদি নগা যাঠিপাত সোমাই গৈছিল। মই আৰু তাত ৰৈ নাথাকিলো।'

জুলিয়ে তপ্ত হুমুনিয়াহ এটা মাৰিলে।

বিজয় শৰ্মাৰ ৰিভলভাৰটো নিশ্চয় চাইলেঞ্চাৰ লগোৱা নাছিল। গুলীৰ শব্দ অতি সহজতে ওচৰ-চুবুৰীয়াৰ কাণত পৰিব। আৰু যেতিয়াই তেওঁলোকে বেডৰুমৰ দৃশ্যটো দেখিব, কাৰো বুজিবলৈ বাকী নাথাকিব, বিমানকোঠত কি ঘটিব ধৰিছে। কিন্তু ... তেনেকুৱা এটা অঘটন ঘটাৰ অৰ্থই হ'ব সিহঁতৰ সকলো প্ৰচেষ্টা ব্যৰ্থ হোৱা। আৰু জুলিয়ে সেইয়া কেতিয়াও হ'ব দিব নোৱাৰে।

বগা এম্বেচাডৰখন অস্পষ্টৰ পৰা ক্ৰমশঃ স্পষ্ট হৈ আহিছে।

'শেখৰ।' জুলিয়ে কৈ গ'ল, 'শুনা! আমাৰ হাতত আৰু মাত্ৰ পাঁচ মিনিট আছে। তুমি এইকণ সময়ৰ ভিতৰতে কন্ট্ৰল টাৱাৰৰ কৰ্ত্তব্যত থকা বিকাশ নামৰ অপাৰেটৰজনক শেষ কৰি দি আকৌ তললৈ আহি ৰানৱেত মোক লগ ধৰিব লাগিব। তুমি বিজনেছমেন কিজনৰ আগত নিজকে এয়াৰপৰ্টৰ চিকিউৰিটি অফিচাৰ বুলি চিনাকী দিব লাগিব। মই ইতিমধ্যেই প্লেনখনৰ ভিতৰলৈ সোমাই যাম। তুমি তাৰ পিছত কাৰেন্সী নোটৰ বাণ্ডিলেৰে ভৰ্ত্তি হৈ থকা ব্ৰীফকেচটো লৈ থকা ব্যৱসায়ীজনক আগতে প্লেনখনত উঠিব দিবা। আৰু অজুহাত এটা দেখুৱাই তাৰ পিছত তুমি প্লেনখনলৈ উঠি আহি প্ৰৱেশ দ্বাৰখন বন্ধ কৰি দিবা। মই থাকিম ক'কপিটত। কিন্তু .....।'

৬

'আপুনিয়েই মিছ সেন?'

'হয়।' মুখত এমোকোৰা হাঁহিলৈ জুলিয়ে ক'লে।

'প্লেনখন পালেহিনে?'

জুলিয়ে মূৰ দুপিয়ালে। তাই ব্যৱসায়ীকিজনলৈ চাই পঠিয়ালে। পাঁচজন ব্যৱসায়ী গাড়ীখনৰ পৰা নামি বাৰাণ্ডাখনত থিয় হৈছেহি। জুলিয়ে এইবাৰ আঁৰচকুৰে হাতত ক'লা ব্ৰীফকেচ লৈ থকা জনলৈ চাই পঠিয়ালে। ব্ৰীফকেচটো অস্বাভাৱিকভাবে ডাঙৰ। এই ব্ৰীফকেচটো এতিয়া এহেজাৰ টকীয়া নোটৰ বাণ্ডিলেৰে ওফন্দি আছে। জুলিৰ মনটো এবাৰ সেমেকি উঠিল। তাইৰ অলপমান অসাৱধানতাই সত্তৰ লাখতকৈ অধিক টকা হস্তগত কৰাৰ দুৰ্লভ সুযোগটো মাটি কৰি দিব পাৰে। তাই পেটে-পেটে চৰকাৰলৈ ধন্যবাদো জনালে। জুলিৰ দলে গম পাইছিল, দুদিনমান পিছতে চৰকাৰে এহেজাৰ টকাৰ নোটবোৰ নিষিদ্ধ কৰিব। সিহঁতৰ বাহিৰেও আনকি সুদূৰ উত্তৰ লক্ষীমপুৰৰ ব্যৱসায়ী মহলতো গোপন সংবাদটোৱে খলকনি তুলিছিল।

সংগোপনে ব্যৱসায়ী কিজনে চাৰ্টাৰ্ড প্লেন এখন বন্দবস্ত কৰিছিল। তেওঁলোকে ক'লা টকাখিনি কলিকতালৈ নিয়াটো ঠিক কৰিছিল। এই সত্তৰ লাখতকৈ অধিক টকা হোৱাইট মানি কৰিবলৈ হয়টো এদিন বা দুদিন লাগিব। তাৰ পিছত আকৌ তেওঁলোক উভতি আহিব।

কিন্তু......।

জুলিৰ ওঁঠত হাঁহিৰ ক্ৰুৰ ৰেখা এডাল বিৰিঙি উঠিল।

অলপপৰৰ পিছতে এই ব্ৰীফকেচটোৰ অধিকাৰী হ'ব জুলি, জুলি সেন। কিন্তু? ওহো, তাই ভুল কৰিছে। এই টকাখিনি যাব সিহঁতৰ দলৰ ভঁৰাললৈ। তাৰপিছত জুলি আকৌ আগৰ দৰে এজনী সাধাৰণ ছোৱালী হৈ পৰিব। হয়তো পুনৰ আন এটা বিপদ সংকুল কামত তাই জপিয়াই পৰিব লাগিব। কিন্তু কিমানদিন তাই এনেকৈ থাকিব?

জুলিৰ মনটো আকৌ অস্থিৰ হৈ উঠিল। ব্যৱসায়ী কিজনে নিজৰ ভিতৰতে কথা পাতিছিল। জুলিয়ে তেওঁলোকলৈ এবাৰ চাই ঘড়ীটো চালে। আৰু পাঁচ মিনিটৰ ভিতৰত লীলাবাৰী এৰিব পাৰিলে ছয়টা বজাৰ আগেয়ে প্লেনখন বাগড্ৰোগাত অৱতৰণ কৰিব পাৰিব। অৱশ্যে অৱতৰণ কৰিবলৈ বাধ্য কৰোৱা হ'ব। আৰু জুলি অন্ধকাৰৰ আঁৰলৈ প্লেনখনৰ পৰা নামি আহি চিকিউৰিটি অফিচাৰ বিভাস পোদ্দাৰ আৰু লাইনমেন আলোক দাসৰ মাজত সোমাই পৰিব। অলপ ওচৰত ৰৈ থাকিব এয়াৰপৰ্টৰ জীপ এখন। জুলিক সকলোৰে অলক্ষিতে পোদ্দাৰে জীপখনলৈ লৈ যাব। জীপৰ ভিতৰত ছিগাৰেট হুপি থকা চাপৰ গাঠলু মানুহজনে জুলিক এখন হাতেৰে আকোৱালী লৈ আনখন হাতেৰে ব্ৰীফকেচটো তুলি ল'ব। তাৰপিছত জীপখন দ্ৰুত বেগেৰে আঁতৰি যাব। কিন্তু .......

জুলি উচপখাই উঠিল। তাই আকৌ ঘড়ীটো চালে, এক মিনিট পাৰ হৈ গ'ল।

'আপোনালোক ছজন যোৱাৰ কথা আছিল। কিন্তু এতিয়াছোন —'

'আপুনি ৰামশংকৰ জৈনৰ কথা সুধিছে?'

'হয় কিজানি। মই অৱশ্যে নামটো নাজানিছিলো।'

'আমি তেখেতৰ কাৰণেইতো ৰৈ আছো। ইমানপৰে তেওঁ পাবহি লাগিছিল। আচ্চা, কওঁকছোন এয়াৰপৰ্ট অফিচাৰৰ বাংলাটো ইয়াৰপৰা কিমান দূৰত?'

'মানে .......' জুলিয়ে সেপ এটা ঢুকি কোনোমতে ক'লে।

'মানে জৈন বেলেগে অহাৰ কথা আছিল, আৰু আহোঁতে বিজয় শৰ্মাৰ বাংলাত সোমাই অহাৰ কথা আছিল। কিন্তু চাওঁকছোন, তেখেতে ইমান দেৰী কৰিছে।'

'তাৰমানে .....!!'

হতাশাই জুলিক ম্ৰিয়মান কৰি তুলিলে।

৭

জুলিয়ে দ্ৰুত চিন্তা কৰিলে। কৰিডৰটোৰে পিছফাললৈ চাওঁতে আঁতৰৰ ফিল্ডত প্লেনখন তাইৰ চকুত পৰিছিল। লাওঞ্জৰ পৰা দুশ-গজ আতৰত উৰিবলৈ সম্পূৰ্ণ প্ৰস্তুতিৰে প্লেনখন ৰৈ আছে। জুলিয়ে হিচাব কৰি চালে ব্ৰীফকেচটো আজুৰ মাৰি লৈ দৌৰি গ'লে হয়তো খুব বেছি আধামিনিটৰ ভিতৰতে তাই প্লেনখনত উঠি বহিব পাৰিব। কিন্তু তেনেকুৱা এটা অঘটন ঘটাৰ লগে লগে ব্যৱসায়ী কিজনে আতঙ্কত চিঞৰি দিব। লগে লগে ৰানৱেৰ সিটো মুৰত থকা চেণ্ট্ৰিটো দৌৰি আহিব। এই মুহূৰ্তত চেণ্ট্ৰিটো যি অৱস্থানত আছে, তাতকৈ অন্ততঃ আৰু তিনিশগজ গুছি আহিলেই তাৰ ৰাইফলৰ ৰেঞ্জে ঢুকি পাবহি।

'জৈন অহালৈকে আপোনালোকে লাওঞ্জতে জিৰাব পাৰে।'

ইমানপৰে জুলিৰ লগত কথা পাতি থকা প্ৰায় পয়ত্ৰিছ বছৰীয়া ক্ষীণকায় ব্যৱসায়ীজনে জুলিৰ কথা শুনি ব্ৰীফকেচটো লৈ থকা শকত মঙহাল মানুহজনক ইংগিত এটা দি কৰিডৰটোৰে আগবাঢ়িল। তেওঁক অনুসৰণ কৰি আটাইকেইজন কৰিডৰটোৰে আগবাঢ়িল।

জুলিয়ে বাহিৰলৈ চালে।

দূৰৈত ৰঙা স্কুটাৰ এখনৰ অস্পষ্ট চলমান মূৰ্ত্তি এটা তাইৰ চকুত ধৰা দিলে। তাৰমানে জৈন বিজয় শৰ্মাক লৈ আহিছে। হয়তো আৰু তিনি বা চাৰি মিনিটৰ ভিতৰতে এইখিনি পাবাহি....।

জুলিয়ে খৰখোজেৰে কৰিডৰটো পাৰহৈ লাওঞ্জলৈ আহিল।

তেনেতে ....

গুৰুম্ ..... গুৰুম্......

জুলি ৰৈ গ'ল। এপলক তাই অচঞ্চল হৈ ৰ'ল। তাই এইবাৰ আশ্বস্ত হ'ল শব্দটো কণ্ট্ৰল টাৱাৰৰ পৰা আহিছে।

জুলিয়ে আকৌ খোজ দিলে।

ব্যৱসায়ী কিজন লাওঞ্জৰ এমূৰত থিয় হৈছেহি। কঁপিছে তেওঁলোক। মাথো দহহাত আঁতৰত থিয় হৈ থকা জুলিৰ ওপৰত তেওঁলোকৰ মিলিত দৃষ্টি স্থবিৰ হৈ ৰৈ আছে। জুলিৰ হাতত জিলিকি উঠা উদ্যত ৰিভলভাৰটোৰ চিকমিকনিয়ে তেওঁলোকৰ সমগ্ৰ সত্বা পংগু কৰি তুলিলে।

'ব্ৰীফকেচতো মোক দিয়ক।'

ব্ৰীফকেচটো লৈ থকা মঙহাল মানুহজনে ব্ৰীফকেচটো দুয়োখন হাতেৰে সাৱটি ধৰিলে।

'সোনকালে কৰক।'

'নাই ..... কেতিয়াও .... নিদিও..... আস!' জুলিৰ হাতত থকা ৰিভলভাৰৰ পৰা অহা অগ্নিস্ফুলিংগৰ আঘাতত মানুহজনে ব্ৰীফকেচটো সাৱটি লৈয়ে ঢলি পৰিল। জুলিয়ে মুহূৰ্তৰ ভিতৰতে ব্ৰীফকেচটো লৈ লাওঞ্জ পাৰ হৈ ফিল্ডত ভৰি দি পিছফালে এবাৰ ঘূৰি চালে। পলকৰ ভিতৰতে ঘটি যোৱা কাণ্ডটোত সম্মোহিত হৈ ব্যৱসায়ী কিজন প্ৰস্তুৰ মূৰ্ত্তিৰ দৰে ঠিয় হৈ আছে।

'শেখৰ!' জুলিয়ে চিঞৰিলে।

আৰু এটা ছেকেণ্ড জুলি তেনেকৈ ৰৈ থাকিল। চেণ্ট্ৰিটোৱে কিংকৰ্ত্তব্যবিমূঢ় হৈ কণ্ট্ৰল টাৱাৰৰ দিশলৈ দৌৰিছে। চেণ্ট্ৰিটোৰ পৰা অন্তত ঃ আৰু আধামিনিটলৈ জুলি নিৰাপদ দূৰত্বত থাকিব। কিন্তু শেখৰ.....

'শেখৰ..... ' আকৌ চিঞৰিলে জুলিয়ে।

জুলিৰ চকুত পৰিল লাওঞ্জৰ ওচৰৰ বাৰাণ্ডাখনত শেখৰ ঠিয় হৈছেহি। কিন্তু .... বেদনাত কাতৰ হৈ জুলিৰ চকুহাল মুদি দিবৰ মন গ'ল। শেখৰৰ সোঁ-ভৰিখনৰ আঠুৰ ওপৰ অংশ চুৰীবিদ্ধ হৈ আছে। এখন হাতেৰে ক্ষতস্থানটো চেপি ধৰি ৰিভলভাৰটো ইখন হাতেৰে ধৰি সি লেকেচিয়াই খোজ দিব ধৰিলে।

বাহিৰৰ পৰ্চত স্কুটাৰ এখন ৰৈ যোৱাৰ শব্দ শুনিলে জুলিয়ে। তাৰমানে তেওঁলোক পালেহি.....!

জুলিৰ হাতত এতিয়া আধা মিনিটতকৈয়ো কম সময়। পঞ্চাশগজ আঁতৰত

প্লেনখনৰ প্ৰৱেশদ্বাৰ। পাইলট এজনৰ কৌতুহলী মুখ চকামকাকে জুলিৰ চকুত পৰিল। পাইলটজনৰ দুচকুত বুজা-নুবুজাৰ সাঁথৰ। পাইলটজনে কিবা এটা সন্দেহ কৰাৰ আগেয়ে জুলি প্লেনখনত সোমাব পাৰিব লাগিব। নহ'লে হয়তো চিৰদিনলৈ .....

'জুলি ...... ৰ'বা .... অকণমান ৰ'বা।'

জুলি নৰ'ল।

তাই দৌৰিছে।

পিছফালে কাৰোবাৰ জোতাৰ শব্দৰ লহৰ জুলিৰ কাণত পৰিল। আঁতৰত চকামকালৈ চেণ্ট্ৰিটো জুলিৰ চকুত পৰিছে। প্লেনখনৰ ইঞ্জিন আগৰ পৰাই গৰজি আছিল। এতিয়া যেন ভয়ংকৰ আক্ৰোশত আস্ফালন কৰিব ধৰিছে।

জুলিয়ে আৰু বেগাই দৌৰিছে। আৰু মাত্ৰ দহগজ ... সাত গজ ..... পাঁচ গজ .... তিনি গজ ..... আছে। হঠাতে জুলিৰ ভাব হ'ল তাইৰ সোঁ ভৰিখন যেন ক্ৰমে অৱশ হৈ আহিছে। কিহবাৰ উষ্ণ স্ৰোঁত এটাই তাইৰ সোঁ ভৰিখনৰ সুকোমল কলাফুল তিয়াই নিব ধৰিছে। তথাপিও জুলি নৰ'ল। তাই সৰ্ব্বশক্তিৰে দৌৰিছে। কিন্তু তাইৰ সমস্ত আশাৰ সপোনক দুৰাশাত পৰিণত কৰি প্লেনখন অৱশেষত গতি ল'ব ধৰিলে ....। গতি লোৱাৰ ঠিক আগেয়ে প্লেনখনৰ দুৰ্ব্বাৰ গতিত ঘূৰি থকা পাখিখনে জুলিক চুই গ'ল তেজৰ নদীত বুৰাই দিব পৰাকৈ.....। ○

# টোপ

ৰাহুলে সেপ এটা ঢুকি কোনোমতে ক'লে, 'মই কেতিয়াওঁ ত্ৰিদীৱ চৌধুৰীক বিশ্বাসঘাটকতা কৰিব নোৱাৰো।'

'আপুনি পাৰিব দাস। সেই কাৰণেইতো আপোনাক আমি জালত পেলালো।'

'মানে ......'

'মানে অতি সহজ। আপুনি যদি পাণ্ডুৰ সেই কুখ্যাত এলেকাটোলৈ গৈ দাগী আচামী ফাৰুক খানক লকাৰ এটা ভাঙি দিবলৈ অনুৰোধ নকৰিলেহেঁতেন তেনেহ'লে আমিও কেতিয়াও গম নাপালোহেঁতেন যে ত্ৰিদীৱ চৌধুৰীৰ চন্দ্ৰপুৰৰ ঘৰটোত এতিয়া এক কৌটি টকা আছে বুলি। অৱশ্যে আমি জানো ত্ৰিদীৱ চৌধুৰী এজন ধনী বিপত্নীক আদহীয়া লোক বুলি। মাথো পো-বোৱাৰী আৰু নাতি লৰাৰে তেওঁৰ পৰিয়াল। অলপতে তেওঁ চন্দ্ৰপুৰৰ চুনচালি চাহ বাগিচাখন কিনিব বুলিও আমি জানো। কিন্তু এইখিনি জনা নাছিলোযে বাগিচা কিনিবলৈ ৰখা টকাখিনি তেওঁ ঘৰৰ লকাৰতে ৰাখিছে বুলি আৰু তিনিদিনমান পিছত টকাখিনি বেঙ্কত জমা থ'ব বুলিও গম পোৱা নাছিলো।'

ৰাহুলে হুমুনিয়াহ এৰিলে।

সি সমুখলৈ চালে। ছিগাৰেট এটা জ্বলাই তাৰ সন্মুখত আদহীয়া মানুহজন বহি আছে। পিছফালে এজন যুৱক থিয় হৈ আছে। কোঠাটোত মাথো চল্লিশ পাৱাৰৰ বাল্ব এটা জ্বলি আছে। এই অনুজ্বল পোহৰত একোকে স্পষ্টকৈ মণিব নোৱাৰি। ৰাহুল পিছে নিশ্চিত হ'ল যে এই মানুহ কিজনৰ লগত ফাৰুক খানৰ নিশ্চয় সম্পৰ্ক আছে। নহ'লে ফাৰুক খানে তাক ইয়ালৈ লৈ নাহে। তেন্তে কি কৰিব এতিয়া সি?

কিমান সুন্দৰকৈ সি জাল পেলাইছিল। কোনেও গম নাপালেহেঁতেন যে বিশিষ্ট ব্যৱসায়ী ত্ৰিদীৱ চৌধুৰীৰ প্ৰাইভেট চেক্ৰেটেৰী ৰাহুল দাসে এক কৌটি টকালৈ উধাও হৈছে বুলি।

'শুনক মিঃ দাস! আপুনি যিখন জাল পেলাইছে তাত বহুতো খুঁট আছে। আপুনি ত্ৰিদীৱ চৌধুৰীকো আণ্ডৰ এষ্টিমেট কৰিছে। পুলিচ মহলৰ লগত তেওঁৰ

সম্পৰ্কটো আপুনি চিন্তা কৰি চোৱাই নাই। তদুপৰি এনেকুৱা কামত প্ৰফেচনেল হোৱাটো বাঞ্চনীয়। আমি আপোনাক সহায় কৰিম। আপুনিও আমাক সহায় কৰিব। বিনিময়ত এক কৌটি টকাৰ অংকটোৰ পৰা আপুনি দহলাখ টকাৰ ভাগ এটা পাব।'

'দহ লাখ টকা?'

'অ, দহলাখ টকা। আপুনি সিমান খিনিহে পাব।'

'ওহোঁ, কেতিয়াও হ'ব নোৱাৰে।'

'আপোনাৰ এতিয়া নিজৰ কোনো অস্তিত্ব নাই মিঃ দাস। আপুনি আমাৰ জালত ইতিমধ্যেই ভৰি দিলে। এতিয়া আপুনি মাথো মোৰ আজ্ঞাবহ ভৃত্য। আপুনি যাৰ লগত লগহৈ জালখন পেলাইছিল, সেই জন অৰ্থাৎ ত্ৰিদীৱ চৌধুৰীৰ ড্ৰাইভাৰ সতীশ মেধি আৰু নাই। মৰ্গত পৰি আছে তেওঁৰ লাচতো। তেওঁৰ হত্যাকাণ্ডটোৰ লগত আপোনাৰ নামটো জড়িত কৰিবলৈ মোক মাথো একমিনিট লাগে।'

'কি!' ৰাহুল সিঁয়ৰি উঠিল।

'ভয় নাখাব দাস। যেতিয়ালৈকে আপুনি মোৰ কথামতে কাম কৰি থাকিব তেতিয়ালৈকে আপোনাৰ মুঠেই ভয় নাই। তাকো অৱশ্যে দুদিন অথবা তিনিদিনলৈ। তাৰপিছতে আপুনি মুক্ত। এই তিনিদিনৰ কাৰণে আপুনি অভিনয় কৰিব লাগিব। তেনেকুৱা এটা লোকালয়হীন টিলাত থকা প্ৰকাণ্ড ঘৰটোৰ পৰা এক কৌটি টকা উলিয়াই অনা.....'

'কিন্তু কেনেকৈ এক কৌটি টকা সৰকাব? লকাৰ খুলি....'

'লকাৰ আমি নোখোলো। আপোনাৰ জনা উচিত আছিল যে ত্ৰিদীৱ চৌধুৰীৰ লকাৰটো অভিনৱ, অত্যাধুনিক বুলি। আনকি লকাৰটোও চৌধুৰীৰ ঘৰৰ ক'ত লুকুৱাই থোৱা আছে সেইয়া আমি নাজানো, আপুনিও নাজানে। এই পৃথিৱীত চৌধুৰীৰ বাহিৰে অইন কাৰো সাধ্য নাই লকাৰটো খুলিবলৈ। লকাৰটো খুলিব চৌধুৰীয়ে নিজে। টকাখিনি হয় তেওঁ বেংকত থ'ব, নতুবা চুনচালি বাগিচাৰ অফিচলৈ লৈ যাব বাগিচাখন কিনাৰ দিনাখন আৰু আমাৰ অপাৰেছনো হ'ব সেইদিনাই। খুব বেছি আধাঘণ্টাৰ ভিতৰতে আমাৰ অপাৰেছন শেষ হ'ব। কিন্তু তাৰকাৰণে আমি এতিয়াৰে পৰা সাজু হৈ থাকিব লাগিব। আপুনি আমাক জনাব লাগিব কোনদিনাখন চৌধুৰীয়ে বাগিচা কিনিবলৈ ঠিক কৰিছে। আপুনি ততালিকে আমাক ফ'ন কৰি জনাব লাগিব। ফ'ন নাম্বাৰটো আপুনি মনত ৰাখক টু ..... চেভেন......'

২

বৰ অকলশৰীয়াকৈ আছে প্ৰকাণ্ড ঘৰটো। মূল আলিবাটটোৰ পৰা কেঁচা মাটিৰ পথ এটা উঠি গৈছে টিলাটোলৈ। টিলাটো বেছ ওখ। টিলাটোৰ শীৰ্ষৰ পৰা আঁতৰৰ ব্ৰহ্মপুত্ৰ নদীখন ৰিণিকি-ৰিণিকি দেখা যায়। পিছফালে চন্দ্ৰপুৰৰ পাহাৰৰ শেষ নোহোৱা শাৰীবোৰ।

আৰু এতিয়া ৰাতিৰ অন্ধকাৰত জ্বলি থকা লাইট কেইটাৰে ঘৰটো অপূৰ্ব দেখাইছে।

ত্ৰিদীৱ চৌধুৰী সন্মুখৰ বহল বাৰাণ্ডাখনত বহি আছে। তেওঁৰ দুচকু মূৰৰ ওপৰত ঘূৰি থকা চিলিং ফেনখনত আৱদ্ধ হৈ আছে। বৰ চিন্তা কৰিছে চৌধুৰীয়ে। এনেকুৱা সময়ত ক'তো ভুল কৰিব নোৱাৰি। অতীততো তেওঁ ক'তো ভুল কৰা নাছিল। সেই দেখিয়ে তেওঁ এতিয়া লাখপতি, ওঁহো কৌটিপতি হ'লহি আৰু এতিয়া চুনচালি চাহ বাগিচাখন কিনিব পাৰিলে তেওঁৰ জীৱনৰ অতি পুৰণি সপোন এটি বাস্তৱত পৰিণত হ'ব।

হঠাতে খপজপাই উঠি চৌধুৰীয়ে পিছলৈ ঘূৰি চালে।

বোৱাৰীয়েক নীলাক্ষী আহি থিয় হৈছেহি।

'ৰাজু শুলে?' চৌধুৰীয়ে সুধিলে।

'শুলে।' কথাষাৰ কৈ নীলাক্ষীয়ে দূৰৈৰ অন্ধকাৰ বাটটোলৈ চাই আকৌ ক'লে, 'তেওঁ এতিয়াও আহি নাপালে দেখোন।'

'বিকাশৰ কাৰণে চিন্তা নকৰিবা। আজি সি বহু ৰাতিলৈ কষ্ট কৰিব লাগিব।'

'তাৰমানে কালিলৈকে বাগিচা কিনিব?' সুধিলে নীলাক্ষীয়ে।

'কালি নহয়, পৰহিলৈ।'

'কিন্তু ....'

'কিন্তু কি নীলাক্ষী?'

'আবেলি ৰাহুল দাসক সুধিছিলো মই এবাৰ বাগিচা কিনাৰ কথা। তেওঁৰ মতেতো অহা কালিলৈকে .....'

'ৰ'বা।' চৌধুৰীয়ে নীলাক্ষীক ওচৰৰ চকীখনত বহিব দি সুধিলে 'ৰাহুল ক'ত আছে এতিয়া?'

'ক'ব নোৱাৰো। আবেলিয়ে ড্ৰাইভাৰ সতীশ মেধিৰ সৈতে তললৈ নামি যোৱা দেখিছিলো। তাৰপিছৰে পৰা আৰু ......'

'সতীশ মেধিৰ সৈতে? কিন্তু সিতো ৰাতিপুৱাই ছুটীলৈ ঘৰলৈ গৈছে।'

'কিন্তু মইতো স্পষ্টকৈ সতীশ মেধিক আবেলি দেখিছিলো।'

কিবা এষাৰ বিৰবিৰাই ত্ৰিদীব চৌধুৰী বহাৰ পৰা উঠি ল'লে।

'ক'লৈ যায় দেউতা?' নীলাক্ষীয়ে সুধিলে।

'মই বিপদৰ গোন্ধ পাইছো নীলাক্ষী।' তেনেতে টেলিফ'নটো বাজিব ধৰা দেখি চৌধুৰীয়ে খোজ দিবলৈ গৈয়ো ৰৈ গ'ল। ক'লে 'ফ'নটো ধৰাছোন নীলাক্ষী।'

নীলাক্ষী উঠি গ'ল। দুই মিনিটৰ পিছতে নীলাক্ষী উভতি আহিল।

'কি হ'ল নীলাক্ষী? কোনে ফ'ন কৰিছিল?'

'মানে ... চিটি ডি. এচ. পি. আনন্দ ফুকনে ফ'ন কৰিছিল।' সেপ এটা ঢুকি নীলাক্ষীয়ে ক'লে 'মৰ্গত লাচ এটা পৰি আছে। তেওঁ সতীশ মেধি বুলি সন্দেহ কৰিছে।'

'কি?'

চৌধুৰী আকৌ বহি ল'লে। নীলাক্ষী আচৰিত হ'ল। শহুৰেক যেন অকণো উত্তেজিত হোৱা নাই।

'তুমি যোৱাগৈ নীলাক্ষী। অকণো চিন্তা নকৰিবা। মাত্ৰ কাঞ্চীক কৈ থাপাক মোৰ ওচৰলৈ পঠিয়াই দিবা।'

নীলাক্ষীয়ে শহুৰেকৰ নিৰ্লিপ্ততাত অস্বস্তিবোধ কৰিলে।

নীলাক্ষী নীৰৱে ভিতৰলৈ সোমাই গ'ল।

কিছুসময়ৰ পিছতে কৃষ্ণ থাপা আহি বাৰাণ্ডাখনত থিয় হ'ল। এই পঞ্চাশ বছৰতো মানুহটো আটিল হৈয়েই আছে। চৌধুৰীয়ে কৃষ্ণ থাপালৈ চাই ক'লে, 'তই আকৌ সাজু হ'বৰ হ'ল কৃষ্ণ।'

উচপ্ খাই উঠিলে থাপা। চৌধুৰীৰ কথাযাবৰ অৰ্থ এটাই হ'ব, বহু বছৰৰ মূৰকত তেওঁ আকৌ তেজৰ খেলা খেলিব লাগিব!

'তোৰ মানুহ কেইজনক কৈ দে - সকলো সময়তে সাৱধান হৈ থাকিব লাগিব। বিকাশ এতিয়া পানবজাৰৰ মধুমিতা ৰেষ্টুৰেণ্টত চুনচালি বাগিচাৰ মেনেজাৰৰ লগত আছে। তই অৰ্জুনক তালৈ পঠিয়াই দিবি। চাবি যাতে কোনেও বিকাশৰ চুলি এডালৰো অনিষ্ট সাধন কৰিব নোৱাৰে। বিমলক ৰাহুল দাসে আজি দিনটো ক'ত কেনেকৈ কটাইছে তাৰ খবৰ উলিয়াব কবি আৰু সতীশৰ লাচটো মৰ্গত পৰি আছে। তাৰো উৱাদিহ উলিয়াব লাগিব।'

চৌধুৰী উঠিল।

উশাহ এটা লৈ তেওঁ আকৌ ক'লে 'মই টকা দহ হেজাৰ দিম ; তই কাৰোবাৰ

হতুৱাই চিটি ডি. এচ. পি. আনন্দ ফুকনৰ ওচৰলৈ পঠিয়াই দিবি। এইবছৰৰ বছৰেকীয়া ফিজটো তেওঁক দিয়াই হোৱা নাই। আৰু শুন, মই চাৰিটা বজাত শোৱাৰ পৰা উঠিম! পাঁচটা বজাতে মোক ৰিপৰ্ট কৰিবি।’

কৃষ্ণ থাপাই মূৰ দুপিয়ালে।

৩

অৰ্জুনে ঘড়ীটো চালে। দহটা বাজি গৈছে।

পানবজাৰৰ চকটো এতিয়া বেছ শান্ত। কিন্তু ৰেষ্টুৰেণ্টখনৰ সন্মুখত তেতিয়াওঁ তিনিখন গাড়ী ৰৈ আছে। দুখন ফিয়েট। অৰ্জুনে চিনি পালে সেইখন বিকাশ চৌধুৰীৰ গাড়ী। অইন দুখন এম্বেচাডৰ। এখন বগা, অইনখন ক’লা।

অৰ্জুন অগ্ৰসৰ হ’ল।

ফিয়েটখন লক হৈ আছে। কিন্তু বাকীদুখন গাড়ীৰ চালকৰ আসনত দুজন মানুহ বহি আছে। ক’লা বৰণৰ গাড়ীখনৰ ওচৰত অইন এজন মানুহ ছিগাৰেট হুপি থিয় হৈ আছে। অৰ্জুনে ধীৰে-ধীৰে খোজ পেলাই মানুহজনৰ কাষেৰে পাৰ হৈ গ’ল। লগে লগে অৰ্জুন চমকি উঠিল। মানুহজনক যেন ক’ৰবাত দেখিছিল সি! কিন্তু ক’ত? অৰ্জুনে কিছুদূৰ আগবাঢ়ি গৈ আকৌ ঘূৰি চালে। মানুহজনে ওচৰৰ এম্বচাডৰখনৰ ড্ৰাইভাৰজনক কিবা এষাৰ কৈছে। পিছমুহূৰ্ত্ততে অৰ্জুনে মন কৰিলে যে ক’লা এম্বেচাডৰখনৰ ড্ৰাইভিং ছীটৰ দৰ্জাখন খোল খাইছে।

অৰ্জুনে খোজৰ গতি বঢ়ালে।

সি নিঃশ্চিত যে কোনোবাই তাৰ পিছ লৈছে।

অৰ্জুনে টেক্সীষ্টেণ্ডটো পাই ৰ’ল। ষ্টেণ্ডত এতিয়া তিনিখন টেক্সী ৰৈ আছে। ঠাইখিনিও অন্ধকাৰ। অৰ্জুনে তড়িৎ গতিৰে টেক্সী এখনৰ আঁৰত লুকাই গ’ল। উশাহ এটা সলোৱাৰ পিছতে অৰ্জুনে দেখিলে ; আঁতৰত মানুহ এটা আহি ৰৈ গৈছে। মানুহটোৰ পিঠিখনহে অৰ্জুনে দেখা পালে। অৰ্জুনে আৰু পলম নকৰিলে। সি পকেটৰ পৰা ধাৰাল ডেগাৰ এখন উলিয়াই খুপি খুপি আগবাঢ়ি গ’ল।

মানুহটো হঠাতে ঘূৰি দিলে। কিন্তু অৰ্জুনে তাৰ আগতেই.....

মানুহটোক অৰ্জুনে টেক্সীখনৰ পিছফাললৈ চোঁচোৰাই আনিলে।

‘কি নাম তোৰ?’ সুধিলে অৰ্জুনে।

মানুহটো নিৰ্বাক। অৰ্জুনে ডেগাৰখন কিছু ভিতৰলৈ সোমাই দিলে। যন্ত্ৰণাত চিঞৰি দিলে মানুহটোৱে।

‘কি নাম তোৰ?’ আকৌ সুধিলে অৰ্জুনে।

'বিনোদ সিঙ।'

'কাৰ মানুহ তই?'

'ফাৰুক খানৰ .....'

অৰ্জুনে এইষাৰ কথা শুনিবলৈকে ৰৈ আছিল। সি ডেগাৰখন ভিতৰলৈ সোমাই দি উলিয়াই আনিলে। মানুহটোলৈ নাচালে সি। ডেগাৰখন ওচৰৰ পুখুৰীটোলৈ দলিয়াই সি নিমিষতে অন্ধকাৰত মিহলি হৈ গ'ল।

ৰেষ্টুৰেণ্টখনৰ বাহিৰত তেতিয়া অকনো ব্যস্ততা নাই।

কিন্তু অৰ্জুনৰ অনুমান হ'ল যে পৰিস্থিতি বৰ উত্তেজনাপূৰ্ণ। সি দূৰৈৰ পৰাই দেখিলে অলপ আগতে ক'লা ৰঙৰ গাড়ী এখনৰ কাষত ছিগাৰেট হুপি থিয় হৈ থকা মানুহজনে দূৰৈৰ টেক্সীষ্টেণ্ডটোলৈকে চাই অৱশেষত ৰেষ্টুৰেণ্টখনৰ ভিতৰলৈ সোমাই গৈছে। কিন্তু দুমিনিটমান পিছত আকৌ ওলাই আহিল। এইবাৰ লগত অইন এজন। প্ৰথম মানুহজন ক'লা এম্বেচাডৰখনত উঠি বহাৰ পিছত তেওঁৰ লগত অহাজন অলপ দূৰ আগুৱাই গৈ ফুটপাথৰ অন্ধকাৰ ঠাই খিনিত ৰৈ গ'ল। এম্বেচাডৰখনো এইবাৰ আগুৱাই আহি মানুহজনৰ ওচৰত ৰৈ গ'ল, কিন্তু ষ্টাৰ্ট বন্ধ নকৰিলে।

অৰ্জুন আগুৱালে।

তাৰ চকুত পৰিছে মানুহজনৰ হাতৰ মুঠিত ক'লা বস্তু এটা জিলিকিছে।

তাৰমানে ....

কিন্তু সিয়ে বিকাশ চৌধুৰীক যিকোনো উপায়েৰে বচাব লাগিব। সেয়ে হ'লে সি ৰিভলভাৰটো ব্যৱহাৰ কৰিব লাগিব। তাৰ ৰিভলভাৰটোত চাইলেন্সাৰ নাই। গুলীৰ শব্দই এই নীৰৱ পানবজাৰখনত খলকনি তুলিব।

অৰ্জুন ঘামিছে। সি বাৰেপতি কপালৰ ঘামখিনি মচিছে।

অৱশেষত বিকাশ চৌধুৰী ওলাই আহিল। লগত আৰু এজন মানুহ।

দুৱাৰদলি পাই কাষৰ মানুহজন কিছু আঁতৰি গ'ল।

অৰ্জুনে এই মুহূৰ্ত্তটোলৈকে বাট চাই আছিল। তাৰ ৰিভলভাৰৰ গুলীৰ আঘাতত ক'লা এম্বেচাডৰখনৰ কাষত থিয় হৈ থকা মানুহটো ঠাইতে ঢলি পৰিল। অৰ্জুনে দ্বিতীয়বাৰ ট্ৰিগাৰত চেপি ধৰোতে উচপ খাই উঠিল। আঁতৰত জীপ এখন আহি আছে। ওপৰত ৰঙা লাইট এটাও জ্বলি আছে। অৰ্জুনে জীপখনলৈ এবাৰ চাইয়ে ঘূৰি দিলে। সি ভয় খালে। জীপখনৰ হেডলাইটৰ পোহৰ এপলকৰ কাৰণে তাৰ মুখত পৰিছিল। অৰ্জুন আৰু নৰ'ল। সি দৌৰিব ধৰিলে।

'মিঃ চৌধুৰী! আপোনাৰ একো অনিষ্ট হোৱা নাইতো?' জীপখনৰ পৰা নামিয়েই

চিটি ডি. এচ. পি. আনন্দ ফুকনে সুধিলে বিকাশ চৌধুৰীক।

'নাই হোৱা। কিন্তু....'

'সেইবোৰ আপুনি চিন্তা নকৰিব। আপুনি এতিয়া গাড়ীত উঠি বহকহি।'

৪

বিকাশৰ হাতদুখন কঁপিছে। কোনো ৰকমে সি ষ্টিয়েৰিং হুইলত হাত দুখন থৈছে। তাৰ কাষত বহিছে ডি. এচ. পি. আনন্দ ফুকন। পিছফালে পুলিচৰ জীপখন আহি আছে।

নিশা এতিয়া এঘাৰটা বাজিছে।

আলিবাটটো জনশূণ্য।

'আপুনি কোনো ৰকমে বাচিলে মিঃ চৌধুৰী। মানুহজন অৰ্থাৎ ফাৰুক খান যদি নমৰিলহেঁতেন তেন্তে তেওঁৰ হাতৰ মুঠিত থকা ৰিভলভাৰৰ গুলীয়ে আপোনাকে শেষ কৰি দিলেহেঁতেন।'

'কিন্তু কোনে মাৰিলে ফাৰুক খানক?'

'অৰ্জুনে। আপোনালোকৰ অৰ্জুনে।'

'অসম্ভৱ।'

'মই তাক নিজ চকুৰে দেখিছো। মোৰ বাহিৰে অৱশ্যে কোনেও দেখা নাই। তথাপিও তাক সাৱধানে থাকিব ক'ব। কাৰণ তাক নিৰাপত্তা দিবলৈ আৰু কোনো নাই এতিয়া।'

চমকি উঠিলে বিকাশে। 'কিয় আপুনি?' সি সুধিলে।

'মোক নলবাৰীলৈ বদলি কৰিছে। আই, জি, পিৰ কড়া আদেশ মই কাইলৈ পুৱ ন-বজাৰ আগেয়ে নলবাৰীত জইন কৰিব লাগিব। আনহাতে নুনমাটি থানাৰ অ. চি. আৰু চেকেণ্ড অফিচাৰকো বদলি কৰিছে। গতিকে ... আপোনালোকে অহাকালি পুৱা নটা বজাৰ আগেয়ে কামটো শেষ কৰিব লাগিব। নহ'লে....'

'কিন্তু সেইটোয়ে অসম্ভৱ। পৰহিলৈহে বাগিচা কিনিব পাৰিম।'

'তেন্তে আপোনালোকে নিজৰ ৰিস্কতে কামটো কৰিব লাগিব।' ফুকনে গহীন স্বৰেৰে কৈ গ'ল 'মন কৰিব চন্দ্ৰপুৰৰ পৰা পানবজাৰৰ ষ্টেটবেঙ্কটোলৈ বহুদূৰ। চুনচালি বাগিচাৰ মালিক পক্ষই অইন ক'তো টকা গ্ৰহণ নকৰে। তাতেহে কৰিব। গতিকে এই দীঘল বাটচোৱাৰ যিকোনো ঠাইত আপোনালোকৰ গাড়ী ৰখাই এক কৌটি টকা লৈ উধাও হোৱাতো কোনো টান কাম নহয়, আৰু এই সুযোগটো ল'বলৈ যিয়ে বাট চাই আছে তাৰ লগত ফাৰুক খানৰ দৰে দাগী অপৰাধী এটাও জড়িত আছিল। গতিকে বুজিছেই দলটো কিমান ভয়ানক।'

'কিন্তু মোক মাৰিব খুজিছিল কিয়?'

'হয়তো আপোনাক মাৰিবলৈ খোজা নাছিল ফাৰুক খানে। ভয় দেখুৱাই অপহৰণ কৰি মুক্তিপণ স্বৰূপে এক কৌটি টকা বিচাৰিলেঁহেতেন।'

হুমুনিয়াহ এৰিলে বিকাশে। সি যিকোনো উপায়েৰে এক কৌটি টকা বচাবই লাগিব। অন্যথা দেউতাকৰ জীৱনৰ মধুৰতম সপোনটো ভাঙি ঠানবান হ'ব। কিন্তু হাতত এতিয়া নিচেই কম সময়। কোনোপধ্যেই সি অহাকালিৰ ভিতৰত বাগিচাখন কিনিব নোৱাৰে। পৰহিলৈ বাট চাবই লাগিব।

'আচ্ছা চৌধুৰী। আপোনাৰ লগত ৰেষ্টুৰেণ্টত কোন আছিল?'

'চুনচালি বাগিচাৰ মেনেজাৰ।'

'কিহত আহিছিল তেওঁ?'

'এম্বেচাডৰেৰে। বগা ৰঙৰ মাৰ্কফৰ এম্বেচাডৰ।'

'তেন্তে ক'লা বৰনৰ এম্বেচাডৰখন কাৰ আছিল?'

বিকাশ কিছু আঁচৰিত হ'ল। সি ফুকনলৈ চালে। মানুহজন হঠাতে বৰ গহীন হৈ পৰিল। বিকাশে আৰু একো নুসুধিলে। সিহঁত ইতিমধ্যে চন্দ্ৰপুৰ পাইছিলহি। সিহঁতৰ ঘৰটো নিঃসাৰ হৈ পৰি আছিল। গাড়ীখন পৰ্চত ৰোৱাৰ লগে-লগে কৃষ্ণ থাপাই বিকাশক দুৱাৰখন খুলি দিলে।

'তাৰমানে ত্ৰিদীৱ চৌধুৰী সাৰ পালে।' থাপালৈ চাই ফুকনে ক'লে।

'মানে?' বিকাশ কিছু আচৰিত হৈছিল।

ফুকনে কিন্তু একো নক'লে। তেওঁ গাড়ীখনৰ পৰা নামি আহি বাৰাণ্ডাখনত ভৰি দিলে।

'অফিচ ৰূমটো অন্ধকাৰ হৈ আছে যে কোনো নাই নেকি?'

'নাই।' থাপাৰ চুটী উত্তৰ।

'কিয় ৰাহুল দাস? তেওঁৰতো চব্বিশ ঘণ্টাৰ ডিউটি।'

'কিন্তু আবেলিৰ পৰা মানুহটো নাই। অলপ আগতেহে আহি ওলাইছে। মূৰটো বিষাইছে বুলি কৈ শুই আছে।'

'তেন্তে নজগাব তেওঁক। মাত্ৰ এজন মানুহক তেওঁৰ ওপৰত চকু ৰাখিব দিব।' কথাষাৰ কৈ ফুকন তললৈ নামি গ'ল। 'মই ৰাতিপুৱা পাঁচ বজাত ফ'ন কৰিম। মনত ৰাখিব পাঁচ বজাত।'

৫

চল্লিশ ৱাটৰ বাল্বটো তেতিয়াও জ্বলি আছে কোঠাটোত। মাত্ৰ তিনিজন মানুহ বহি আছে কোঠাটোত। এজন প্ৰৌঢ়। ডাঙৰ আৰামী চকী এখনত বহি আছে তেওঁ। অইন দুজন ডেকা বয়সৰ।

প্ৰৌঢ় মানুহজনে ওচৰৰ টেবুলখনত থকা টেলিফ'নটোলৈ চাই আছে।

বৰ আশাৰে চাই আছে তেওঁ। হঠাৎ —

ক্ৰিং—ক্ৰিং—ক্ৰিং—

ততালিকে ৰিচিভাৰটো ধৰিলে তেওঁ। দুই মিনিট মান কথা পাতিয়ে তেওঁ ৰিচিভাৰটো থৈ দিলে।

'খবৰ বেয়া। ফাৰুক খান মৰিল।' দীঘলকৈ উশাহ লৈ তেওঁ আকৌ ক'লে, 'ডি. এচ. পি. ফুকনে বিকাশ চৌধুৰীক এচকৰ্ট কৰি লৈ গৈছে। তেওঁক ঘৰত থৈ আহি সদৰ থানা পাইছেহি এতিয়া। বহুকেইটা ফ'ন কল কৰিছে। এচ. পিৰ চেম্বাৰলৈকো গৈছে এবাৰ। মোৰ মনে ধৰিছে মানুহটোৱে কিবা এটা পাঙিছে। ভয়ানক কিবা এটা।'

'কিন্তু তেওঁকতো নলবাৰীলৈ.....'

'জানো। কিন্তু গুৱাহাটীৰ পৰা নলবাৰী পাওঁতে এঘণ্টা লাগে। গতিকে অহাকালি ৰাতিপুৱা আঠ বজালৈকে তেওঁ গুৱাহাটীত থাকিব পাৰিব। মোৰ সেইদেখিয়েই ভয় হৈছে।'

পৰিবেশটো এতিয়া থমথমীয়া, অস্বস্তিকৰ।

'মুকুল!' বহুপৰৰ মূৰকত মাত লগালে প্ৰৌঢ় মানুহজনে।

মুকুল বোলাজন ওচৰ চাপি আহিল।

'পাণ্ডুৰ ফাৰুক খানৰ আড্ডালৈ ফ'ন কৰা। তাতে যিমান কেইজন মানুহ আছে ইয়ালৈ আহিব কোৱা।'

মুকুলে টেলিফ'নটোৰ ডায়েল ঘূৰালে। আধা মিনিটৰ পিছতে ৰিচিভাৰটো থৈ তেওঁ ক'লে, 'পুলিছে ফাৰুক খানৰ আড্ডা ৰেইড কৰিছে। মাত্ৰ চাৰিজনহে পলাব পাৰিলে। অইন কিজনক পুলিছে ধৰি লৈ গৈছে।'

'কি?'

'অ, আৰু সেই চাৰিজন ফাঁচী বজাৰলৈ অৰ্থাৎ ইয়ালৈ আহি আছে।'

'তেন্তে সেই চাৰিজন আৰু আমি তিনিজন মুঠ সাতজন ৰ'লোগৈ।'

'নহয়। আঠজন। আপুনি ৰাহুল দাসৰ কথা ভৰাই নাই।'

হঠাতে যেন মানুহজনৰ চকুহাল তিৰবিৰাই উঠিল। 'অ, তেওঁৰ কথা মই ভবাই নাছিলো। এতিয়া তেওঁৱে আমাৰ সাৰথি। আমি তেওঁৰ সহায় ল'বই লাগিব। অহা কালিলৈ বাট চালেও দেৰী হ'ব। আজি নিশাটোৰ ভিতৰতে আমাৰ অপাৰেছন শেষ কৰিব লাগিব। আনন্দ ফুকন অহাকালি আঠটালৈ থাকিব যেতিয়া সেইখিনি সময়ৰ ভিতৰতে তেওঁ টকাখিনিৰ সৈতে সুৰক্ষিতে ত্ৰিদীব চৌধুৰীক পানবজাৰৰ ষ্টেটবেঙ্কত পৌছাই দিব পাৰিব। পৰহিলৈ তেওঁ কেতিয়াও চৌধুৰীক বাট চাব নিদিয়ে। আনহাতে মাজবাটত অৰ্থাৎ বন্দনা চিনেমা হ'ললৈকে এই বাটচোৰাৰ ভিতৰত আমি সাতজনেৰে কোনো পধ্যেই ডকাইতি কৰিব নোৱাৰিম। বেঙ্কতটো প্ৰশ্নই নুঠে। গতিকে আজি ৰাতিৰ ভিতৰতে আমি চন্দ্ৰপুৰৰ ত্ৰিদীব চৌধুৰীৰ ঘৰত আঘাত হানিব লাগিব।'

মানুহজন উঠিল।

মুকুল আৰু এখোজ আগুৱাই গ'ল।

'তুমি মোক কিবা এষাৰ সুধিব খুজিছা। হয়নে?'

'অ।' মুকুলে সুধিলে, 'মই আচৰিত হৈছো ; আপুনি কিহৰ কাৰণে ত্ৰিদীব চৌধুৰীৰ এই এক কৌটি টকাৰ কাৰণে সুদূৰ দিল্লীৰ পৰা ইয়ালৈ ঢপলিয়াই আহিছে।'

'তুমি নুবুজিবা। বহুত পুৰণি কথা এইয়া। যাৰ কাৰণে চৌধুৰীয়ে চুনচালি বাগিচাখন কিনিব ওলাইছে, ময়ো সেই কাৰণতেই টকাখিনি চুৰ কৰিব ওলাইছো। তুমি জানি থোৱা ভাল চৌধুৰী আৰু মই দুয়ো বহুবছৰ আগতে সেইখন চাহবাগিচাৰে এমপ্লয়ী আছিলো। বাগিছাৰ পঞ্চাশ হাজাৰ টকা দুয়ো চুৰ কৰিছিলো। চৌধুৰীৰ লগত কৃষ্ণ থাপা বোলা মানুহ এজন আছিল। তাৰ কাৰণেই মই সেই পঞ্চাশ হাজাৰৰ এটকাও নাপালো। আৰু এইবাৰ......'

'এইবাৰো কৃষ্ণ থাপা জীয়াই আছে।'

'কি?'

৬

'সোমাই আহক।'

এচ. পিৰ চেম্বাৰলৈ সোমাই গৈ ডি. এচ. পি. ফুকনে চেলুট এটা দিলে।

'আপুনি আকৌ কিয় আহিলে ফুকন? বহক।'

ডি. এচ. পি. ফুকন বহিল। আকৌ ভাবি চালে কথাষাৰ কি বুলি ক'ব!

'শুনক মিঃ ফুকন! আপুনি অহাকালি ৰাতিপুৱা ন বজাৰ লগে লগে নলবাৰী থানাত ৰিপৰ্ট কৰিব লাগিব। আই. জি. পিৰ কড়া আদেশ।'

'তাৰমানে চাৰ আই. জি. পিয়ে নিজেই ট্ৰেন্সফাৰৰ অৰ্ডাৰ দিলে?'

কিছুপৰ তভক মাৰি ৰৈ এচ. পিয়ে ক'লে, 'অ, হোটেল অবেৰয়ৰ পৰা তেওঁ ফ'ন কৰি মোক জনাইছিল ভাৰবেল অৰ্ডাৰটো। লিখিত অৰ্ডাৰটো কালি ৰাতিপুৱা পাব।'

আনন্দ ফুকন উঠিল। যাবলৈ ওলায়ো ৰৈ গৈ তেওঁ আকৌ সুধিলে, 'কোনখন হোটেলৰ কথা কৈছিল চাৰ?'

'হোটেল অবেৰয়। পল্টন বজাৰ।'

চেলুট এটা দি ফুকন ওলাই আহিল। তেওঁৰ চেম্বাৰটোৰ মুখত বহি থকা অৰ্ডালীটোক অনুচ্চ কণ্ঠেৰে ক'লে, 'নুনমাটি থানাৰ অ. চিক মোৰ ৰুমলৈ লৈ আহ।'

চেম্বাৰত সোমাই গৈ ফুকনে চিগাৰেট এটা জ্বলালে।

বৰ চিন্তিত হৈছে তেওঁ। য'ত লাখ লাখ টকা জড়িত আছে, তাতে তেওঁ কোনোমতে ভুল হ'ব দিব নোৱাৰে। সেই লাখ লাখ টকা আজি চৌধুৰীৰ হাতত থাকিব পাৰে। কিন্তু অহা কালিলৈ? হয় চৌধুৰীৰ হাততে থাকিব নহ'লে অইন কোনোবাৰ হাতত অথবা.......

'মোক মাতিছিল চাৰ?'

অ. চি. পুলিন লহকৰৰ মাতে ফুকনৰ চিন্তাত যতি পেলালে।

'বহক।' ফুকনে ক'লে।

পুলিন লহকৰে চেলুট এটা দি বহিল।

'আমাৰ ট্ৰেন্সফাৰৰ আদেশ আই. জি. পিয়ে নিজেই দিছে। অফিচৰ পৰাও নহয়। হোটেল অবেৰয়ৰ পৰা।'

'পল্টন বজাৰৰ হোটেল অবেৰয়?'

'অ, তাৰ পৰাই ফ'নেৰে তেওঁ অৰ্ডাৰ দিছে। গতিকে ইয়াৰ আঁৰত নিশ্চয় এজন মানুহ আছে। আই. জি. পি. আহিলা মাত্ৰ তেওঁৰ।'

'তেন্তে তেৰেঁই ফাৰুক খানক কামত লগাইছিল।'

'অ, তেৰেঁই। আৰু তেওঁৰ পৰিচয়টো জানিবলৈ হ'লে আপুনি হোটেল অবেৰয়লৈ যাব লাগিব।

'কামটো সহজ নহ'ব।'

'মুঠেই টান নহয়।' ছিগাৰেটত দীঘলকৈ হুপা এটা মাৰি ফুকনে ক'লে, 'চাওঁক। আই. জি. পি. গোটেই ৰাতিটোৰ কাৰণে গধূলি ছটা বজাৰ পৰা হোটেল অবেৰয়ত আছে। অৰ্ডাৰটো দিছে ৰাতি আঠ বজাত ফ'নেৰে। গতিকে ছয় বজাৰ

ভিতৰত মানুহজন হোটেল অবেৰয়লৈ গৈছিল। তেওঁৰ হাতত নিশ্চয় এটা গধূৰ ব্ৰীফকেছ আছিল। তাত কিমান টকা আছিল অনুমান কৰা টান। কিন্তু এটা কথা জানি থওঁক। মানুহজনে নিশ্চয় ক'লা বৰণৰ এম্বেচাডৰ এখনেৰে আহিছিল। এম্বেচাডৰখনৰ নম্বৰ হ'ল এ. এম. টি. চেভেন চিক্স চেভেন এইট। এই একেখন এম্বেচাডৰ নিশা দহ বজাত পানবজাৰৰ মধুমিতা ৰেষ্টুৰেণ্টত ৰৈ আছিল। ঘটনাটো ঘটি যোৱাৰ পিছত ফাঁচী বজাৰলৈ যোৱা পথেৰে উল্কাবেগেৰে গুছি গৈছিল গাড়ীখন।'

অ' চি. লহকৰ উঠিল।

'মানুহজনৰ পৰিচয়টো পালে কি কৰিম? গ্ৰেপ্তাৰ কৰিম নে?'

'গ্ৰেপ্তাৰ? ওহোঁ নকৰিব।'

'গ্ৰেপ্তাৰ নকৰিলে তেওঁ সুবিধা পাব। টকাখিনিও হয়তো ৰক্ষা কৰিব নোৱাৰিম।'

'নিশ্চয় পাৰিম। তেওঁক মই টোপ হিচাবে ৰাখিব লাগিব।'

'তাৰমানে চৌধুৰীক তেওঁৰ কথা জনাব?' সুধিলে লহকৰে।

ফুকনৰ ওঁঠত কুটিল হাঁহি এটা বিৰিঙিলে। চিগাৰেটটো এচষ্ট্ৰেত গুজি দি তেওঁ ক'লে, 'কাকো নজনাও। কথাটো মাত্ৰ আপোনাৰ আৰু মোৰ মাজত সীমাবদ্ধ হৈ থাকিব।'

'চেকেণ্ড অফিচাৰ ৰমেন সোনোৱাল?'

'তেওঁকো জনাব পাৰে। কিন্তু তেতিয়া হ'লে আৰু এজন অংশীদাৰৰ সংখ্যা বাঢ়ি যাব।'

'তাৰমানে চাৰ.....?'

'ধীৰে লহকৰ ধীৰে। উত্তেজিত নহ'ব। আমাৰ হাতত অতি কম সময়।'

'কিন্তু চাৰ —'

'অকনো ভয় নাখাব লহকৰ। এক কৌটি টকা বহুত টকা। আৰু মানুহ মাত্ৰ আমি তিনিজন। অৱশ্যে দুটামান দাগী গুণ্ডাকো ল'ব লাগিব। সময় আছে আৰু আঠ ঘণ্টা। আপুনি এইকণ সময়ৰ ভিতৰতে মানুহজনৰ পৰিচয়টো উলিয়াব লাগিব।'

'আৰু পৰিচয়টো পালে আপোনাক ক'ত জনাম?'

'ইয়ালৈ আহিব। নাপালে ঘৰলৈ যাব। তাতো লগ নাপালে .....'

৭

বৰ অন্ধকাৰ।

মাজনিশাৰ নিস্তব্ধতাই পৰিবেশটো আচহুৱা কৰি তুলিছে।

কৃষ্ণ থাপা সমুখৰ বাৰাণ্ডাখনত বহি আছে। বাৰাণ্ডাখন অন্ধকাৰ। সন্মুখৰ

গাড়ীৰোৱা পৰ্চটোত লাইট এটা জ্বলি আছে। লাইটৰ পোহৰে সন্মুখৰ ঘাঁহনি ডৰাৰ কিয়দাংশ পোহৰাইছে।

থাপাৰ চকুৰে-মুখে ভাৱলেশহীন চাৱনি।

অন্ধকাৰ দূৰ দিগন্তলৈ চাই আছে থাপাই। বহু আঁতৰত ৰিফাইনেৰীৰ উজ্বল লাইটবোৰ একোটা সৰু বিন্দু বিন্দু যেন লাগিছে।

হঠাতে থাপা থিয় হ'ল।

কোনোবা এটা গেটখন খুলি আহি আছে। থাপাই চাই পঠিয়ালে।

'বিমল?' থাপাই মাত দিলে।

বিমল আহি ওচৰত থিয় হ'ল। থাপাই আঙুলিয়াই দিয়া চকীখনত বহি সি ক'লে, 'ৰাহুলে ফাৰুক খানক আবেলি লগ ধৰিছিল। তাৰপিছত ফাৰুক খানৰ সৈতে ফাঁচী বজাৰলৈ গৈছিল।'

'তাৰমানে ৰাহুল......'

'অ, ৰাহুল এতিয়া আগৰ ৰাহুল হৈ থকা নাই।'

'তাক মই ....' দাঁত কৰচি উঠিলে থাপাই।

'একো কৰিব নোৱাৰে। তাক মাৰি লাচটো ক'ত লুকুৱাব? আনপিনে নুনমাটি থানা আৰু সদৰ থানা ক'তো আমাৰ মানুহ নাই এতিয়া।'

কিছুপৰ তলকা মাৰি ৰৈ থাপাই সুধিলে, 'ৰাহুল ফাঁচী বজাৰৰ ক'লৈ গৈছিল।'

'নাজানো। অৰ্জুনে কৈছে পানবজাৰৰ এম. এম. চি. হস্পিতালৰ পৰা ফাঁচী বজাৰৰ চকটোলৈ এই পথছোৱাৰ ভিতৰৰ কোনোবা এটা ঘৰলৈ বা দোকানলৈ বা হোটেললৈ বুলি ৰাহুল গৈছিল। আৰু য'লৈ গৈছিল তাতেই থাকিব সেই মানুহজন, যিজন ফাৰুক খানৰ বছ, যিজন.....'

'বুজিছো। কিন্তু সময় বৰ কম।'

'কিন্তু এতিয়াও আমাৰ হাতত ৰাহুল আছে। তাক ভয় দেখুৱাই.....'

কৃষ্ণ থাপাই বিমলৰ কথা শেষ হোৱালৈ বাট নাচালে। বিমলক তাতে থাকিব কৈ থাপা পিছফালৰ সৰু সৰু ঘৰকেইটালৈ গ'ল। ঠাইখিনি অন্ধকাৰ হৈ আছিল। থাপাই ৰাহুলৰ ঘৰটোৰ ওচৰ পাই ৰৈ গ'ল। ঠিক এইখিনিতে ৰাহুলৰ ওপৰত চকু ৰাখিবলৈ কোৱা অজয় থাকিব লাগিছিল। কিন্তু এতিয়া?

'অজয়!!' অনুচ্চ কণ্ঠেৰে মাত দিলে থাপাই। প্ৰত্যুত্তৰ নাপাই থাপাই আকৌ মাতিলে 'অজয়।'

থাপাৰ অন্তৰাত্মা এইবাৰ কঁপি উঠিল। সন্দেহৰ গোন্ধ পালে থাপাই।

আগবাঢ়ি গৈ থাপাই ৰাহুলৰ কোঠাৰ দৰ্জাখন হেঁচুকী চালে। দৰ্জাখন খোলাই আছিল। থাপাই আৰু ফাঁক কৰি ভিতৰলৈ সোমাই গ'ল। কোঠাটো অন্ধকাৰ হৈ আছিল। থাপাই লাইট জ্বলালে। কোনো নাই। মাত্র মজিয়াখনত আধাপোৰা ছিগাৰেট এটা পৰি আছে। ছিগাৰেটটো তুলি লৈ থাপাই আকৌ পেলাই দিলে। তাৰমানে ৰাহুল পলোৱাৰ দহ পোন্ধৰ মিনিট হৈ গ'ল। কিন্তু অজয় .... সি ক'লৈ গ'ল .... নে ৰাহুলৰ লগত ....

কৃষ্ণ থাপা উভতি আহিল।

'ৰাহুল নাই, পলাল। অজয়ো নাই। বোধকৰো সিওঁ পলালে।'

'কি?' বিমলৰ চেপা কণ্ঠস্বৰ।

'ভয় খোৱাৰ সকাম নাই। এতিয়াও আমাৰ হাতত বহুত মানুহ আছে।'

'বহুত মানুহ? ওঁহো আমি মাথো পাঁচজনহে আছো এতিয়া।'

'কিয় অৰ্জুন?' থাপাই সুধিলে।

'সি চিলঙলৈ গুছি গৈছে। পুলিচে তাক বিচাৰি আছে।'

'অসম্ভৱ। এতিয়াও গুৱাহাটীত আনন্দ ফুকন আছে। অন্ততঃ আজি ৰাতিটোলৈ। গুৱাহাটীৰ পুলিচৰ সাধ্য নাই অৰ্জুনক বিচৰাৰ।'

'মই সচাঁ কথাকে কৈছো। পুলিচে অৰ্জুনক বিচাৰি ফুৰিছে। ফাৰুক খানৰ আড্ডাও লণ্ড-ভণ্ড কৰিছে। ফাৰুক খানৰ চাৰিজন মানুহহে পলাব পাৰিলে। সেই দেখিয়েই কৈছো.....'

বিমল ৰ'ল। থাপাই হুমুনিয়াহ পেলোৱা দেখি সি সুধিলে, 'চাৰহঁতক জগাই দিব নেকি?'

'নালাগে। মই এতিয়াও জীয়াই আছো।'

'মোৰ কিন্তু ভয় হৈছে ভয়ানক বিপদ এটা যেন আগবাঢ়ি আহিছে।'

'ময়ো জানো। ৰাতিপুৱাবলৈ এতিয়াও তিনিঘণ্টা বাকী আছে। এই তিনি ঘণ্টাৰ ভিতৰতে যিকোনো কাণ্ড ঘটি যাব পাৰে।' অলপপৰ বৈ থাপাই সুধিলে, 'আমাৰ ইয়াত এতিয়া কোন কোন আছে?'

'অখিল, বসুমতাৰী আৰু হাছান।'

'অখিলক গেটৰ ওচৰত থাকিব কোৱা। বসুমতাৰীক পিছফালে। হাছানক সৌ কৃষ্ণচূড়া জোপাৰ আঁৰলৈ থাকিব ক'বা যাতে তাৰ ৰিভলভাৰৰ গুলীয়ে বাৰান্দাখন ঢুকি পায়।'

'আৰু আমি দুয়ো?'

'এই বাৰান্দাখনতে বহি থাকিম। দুহাতত ৰিভলভাৰ থাকিব।'

বিমল উঠিল।

থাপাই দূৰলৈ চাই ক'লে 'ৰ'বা। কোনোবা এটা গেটৰ ওচৰৰ পৰা দৌৰি আহিছে।'

বিমলেও চালে। হয়, কোনোবা এটা দৌৰি আহিছে।

'কি হ'ল হাছান?'

'মানে ....' হাছানে উশাহ সলালে। মানুহটোৱে ফোঁপাইছিল। দীঘলকৈ উশাহ লৈ সি ক'লে 'জীপএখন পোন্ধৰ মিনিটমান আগেয়ে গুৱাহাটী ফালৰ পৰা আহি টিলাটোলৈ উঠি অহাৰ মুখতে অলপপৰ ৰৈ আকৌ চন্দ্ৰপুৰলৈ গুছি গ'ল। কিছু সময়ৰ পিছত জীপখন আকৌ উভতি আহিল! এইবাৰ আমাৰ এই টিলাৰ পৰা তিনিজন মানুহ নামি আহি জীপখনত উঠি ল'লে। জীপখন গুৱাহাটীলৈ গুছি গ'ল। মই ভাবিলো....।'

'কি?'

থাপা কিন্তু নিৰ্ব্বিকাৰ। হুমুনিয়াহ এটা পেলাই আকৌ চকীখনত বহি ল'লে।

'এতিয়া তেন্তে আমি শেষ আঘাট হনা মুহূৰ্ত্তটোলৈ বুলি প্ৰতীক্ষা কৰি থাকিব লাগিব।' থাপাই চকু মুদি মুদি ক'লে।

৮

বৰ অন্ধকাৰ হৈ আছে আলিবাটতো। জনশূণ্য।

দূৰৈত ৰিফাইনেৰীৰ উজ্বল লাইটবোৰ জ্বলি থকা চকুত পৰিছে মানুহজনৰ। আলিবাটটোৰে দূৰলৈ চাই আছে তেওঁ। একোবাৰ টৰ্চ এটা উলিয়াই লৈ তেওঁ আঁতৰৰ জোপোহা এডঁৰালৈ মাৰি পঠিয়ায়।

গাড়ী এখন আহি আছে। হেড লাইটৰ পোহৰ দেখিছে তেওঁ।

টৰ্চটো জোপাহাডঁৰালৈ পোনাই এবাৰ জ্বলাই পিছৰবাৰ নুমাই মানুহজন ৰৈ থাকিল।

এটা সময়ত ক'লা ৰঙৰ এম্বেচাডৰ এখন উল্কাবেগেৰে আহি মানুহজনৰ কাষত বিকট শব্দেৰে ৰৈ গ'ল।

'দাস আপুনি?' পিছফালৰ চিটত বহি থকা মানুহজনে সুধিলে।

'অ।' মই। আপোনাৰ কাৰণেই মই বাট চাই আছিলো।' ক'লে মানুহজনে।

'উঠি বহক।'

মানুহজন অৰ্থাৎ ৰাহুল দাস উঠি বহিল। এম্বেচাডৰখনত এতিয়া আঠজন মানুহ।

'মই গম পাইছো চৌধুৰীয়ে অহাকালি ৰাতিপুৱা আঠ বজাত ডি. এচ. পি. ফুকনৰ সহায়ত টকাসোপা লৈ ষ্টেটবেংকত জমা দিব। সেইদেখিয়ে আপোনালৈ ফ'ন কৰিলো। কোনেও নধৰা দেখি অনুমান কৰিলো আপুনি জৰুৰ ইয়ালৈকে বুলি আহি আছে।' ৰাহুলে ক'লে।

মানুহজন নীৰৱ। ৰাহুলে পিছলৈ উভতি চালে।

জোপোহা উঁৰাৰ পৰা ক'লা চলমান বস্তু এটা ওলাই আহিছে। ৰাহুলে আকৌ সমুখলৈ চালে।

'চৌধুৰীৰ ঘৰত আৰু কিমানজন মানুহ আছে এতিয়া?'

'পাঁচজন মান হ'ব।' অলপ পৰ বৈ ৰাহুলে আকৌ ক'লে 'চৌধুৰী শোৱা কোঠাতে আছে। ড্ৰইংৰুমৰ পিছৰ কোঠাটোৱেই চৌধুৰীৰ।'

'তেন্তে আপুনি আমাক বাট দেখুৱাব। আমি পিছত থাকিম।'

গাড়ীখনে এইবাৰ গতি ল'লে।

ৰাহুলে একো নক'লে। দূৰৈত টিলাটো চকুত পৰিছে।

গাড়ীখন অলপ দূৰগৈ ৰৈ গ'ল।

'মুকুল! তুমি গাড়ীতে বহি থাকিবা। ইঞ্জিন বন্ধ নকৰিবা।' কথাষাৰ কৈ মানুহজন গাড়ীৰ পৰা নামিল। ৰাহুলে গাড়ীখনৰ পৰা নামি পিছলৈ উভতি চালে। দূৰৈত বগা বিন্দু এটা দেখিছে। চলমান বগা বিন্দু। ৰাহুলে টৰ্চটো আকৌ এবাৰ জ্বলাই পিছৰবাৰ নুমাই দিলে।

'বলক।'

ৰাহুল আগবাঢ়িল। তাৰ পিছত মানুহজন। পিছত আৰু ছয়জন মানুহ। প্ৰত্যেকৰে হাতত মাৰণাস্ত্ৰ। ৰাহুলৰ অন্তৰাত্মা পিছে কঁপিছে। সি জানে কৃষ্ণ থাপাক যদি প্ৰথম আঘাটতে শেষ কৰি দিব পৰা যায়, তেন্তে পিছৰ কামখিনি অতি উজু হৈ পৰিব। আৰু যদি.....

আৰু .... আঁচনিমতে সঠিক সময়ত যদি জীপখন আহি নাপায়?

সি বাৰু ডাবল ক্ৰছ কৰিব ওলাই ভুল কৰা নাইতো? কিন্তু এতিয়া অনুতাপ কৰিও কোনো লাভ নাই। মৃত্যু অথবা লাখ লাখ টকা, ইয়াৰ ভিতৰত যিকোনো এটা তাৰ ভাগ্যত ঘটিবই।

'গেটৰ ওচৰত মানুহ এজনহে আছে।' ৰাহুলে ফুচফুচাই ক'লে।

'দেখিছো।' কথাষাৰ কৈয়ে মানুহজন পিছলৈ ঘূৰি চালে। ক'লে, 'যতীন! আগবঢ়া।'

যতীন খুপি খুপি আগবাঢ়ি গ'ল।

পিছফালৰ পৰা অখিলৰ ডিঙিতো চেপি ধৰোঁতে যতীনে অকণো অসুবিধা নাপালে।

'বাৰাণ্ডাখনত কোনো নাই হবলা। অন্ধকাৰ হৈ আছে।'

'নহয়। কোনোবা আছে, অন্ধকাৰ হৈ থকা কাৰণেই কৈছো কোনোবা এজন আছে। হয়তো কৃষ্ণ থাপা!!!'

মানুহজন ৰ'ল। তেওঁ সন্মুখত জোপোহা গছ এডাল। অন্ধকাৰ হৈ আছে ঠাইখিনি।

তলত ঘাঁহনি এডঁৰা। তেওঁ চাৰিওফালে চালে। অন্ধকাৰ বাৰাণ্ডাখন তিনিশ ফুটমান দূৰৈত আছে। তেওঁৰ সোঁফালে কিছু আঁতৰত কৃষ্ণচূড়া এজোপা।

যতীনলৈ ঘূৰি চাই কিবা এষাৰ ক'লে মানুহজনে। যতীন খুপি খুপি আগবাঢ়ি গ'ল।

মানুহজনে উশাহ সলালে। কৃষ্ণচূড়া জোপালৈ চাই আছে তেওঁ। যতীনে কৃষ্ণচূড়াজোপাৰ আঁৰ হৈ বাৰাণ্ডাখনলৈ চাব পাৰিব। যতীনৰ চকুত পৰিবই বাৰাণ্ডাখনৰ কোন অংশত কৃষ্ণ থাপা বহি আছে। আৰু তাৰ পিছত যতীনৰ ৰিভলভাৰৰ গুলীয়ে ......।

'আস্ ....!!'

সচকিত হ'ল মানুহজন। তেওঁ যেন আৰ্ত চীৎকাৰ এটা শুনিছে। আৰু শব্দটো ঠিক যেন কৃষ্ণচুড়াজোপাৰ ওচৰৰ-পাজৰৰ পৰাই আহিছে। ইয়াৰ অৰ্থ হ'ব কৃষ্ণচূড়াজোপাৰ আঁৰত কোনোবা এজন লুকাই আছিল আৰু সেইজন কৃষ্ণ থাপা নহয়তো ....!!

'অবিনাশ, ভুপেশ, অনল। তোমালোক বাৰাণ্ডাখনলৈ যোৱা আৰু উৎপল কৃষ্ণচূড়া জোপালৈ।' ক'লে মানুহজনে।

মানুহজনে এইবাৰ জোপোহা ডঁৰাৰ পৰা আঁতৰি গৈ দূৰৈত থিয় হ'ল। তেওঁ দেখিছে অন্ধকাৰ বাৰাণ্ডাখনৰ পৰা জুইৰ ফিৰিঙতি ওলাইছে। হিচ্ হিচ্ শব্দ কাণত পৰিছে তেওঁৰ। কৃষ্ণচূড়াজোপাৰ ওচৰ পৰা দুটা চেপা আৰ্তনাদো শুনিছে তেওঁ।

কিন্তু পলকতে সকলো শান্ত হৈ গ'ল। মানুহজনে এইবাৰ ৰাহুলৰ সৈতে বাৰাণ্ডাখনলৈ অগ্ৰসৰ হ'ল। ৰাহুলে টৰ্চটো উলিয়াই ল'লে। ৰক্তাপ্লুত হৈ পৰি আছে বিমল, অবিনাশ আৰু অনল। কৃষ্ণ থাপাৰ বাউসী ৰক্তাক্ত হৈ পৰিছে।

'সুদীৰ্ঘ পয়ত্ৰিশ বছৰৰ পিছত আমি আকৌ লগ হ'লো কৃষ্ণ থাপা।'

কৃষ্ণ থাপা নিৰ্বিকাৰ।

নিঃশ্চল হৈ বাওঁহাত খনেৰে সোঁ বাউসীতো চেপি ধৰিছে থাপাই।

ৰাহুলে নিঃশব্দে গৈ ড্ৰইং ৰুমলৈ যোৱা দৰ্জাখন খুলিলে। লগে লগে ভূপেন ভিতৰলৈ সোমাই গ'ল। ৰাহুলে এবাৰ আঁৰচকুৰে কৃষ্ণ থাপালৈ চাই উচপখাই উঠিলে। থাপাই তালৈকে চাই আছে।

'ৰাহুল! তুমি আকৌ কিংকৰ দাসৰ লগ হ'লা কেনেকৈ? মইতো তোমাক জীপেৰে মানে ডি. এচ. পি. ফুকনৰ লগত আহিবা বুলিহে বাট চাই আছিলো।' সেঁহাই সেঁহাই ক'লে থাপাই।

ৰাহুলে কিবা এষাৰ ক'ব ওলাইয়ো কিংকৰ দাসলৈ চকু পৰাত ৰৈ গ'ল।

'মানে ....' ৰাহুলে সেপ ঢুকিলে।

'বেইমান—!'

কিংকৰ দাসে ৰিভলভাৰটো ৰাহুললৈ পোনালে। ঠিক তেনেতেই তেওঁৰ চকুত পৰিল অন্ধকাৰ ঘাঁহনিডৰাৰ পৰা জুইৰ ফিৰিঙতি এটা ওলাইছে! পিছমূহূৰ্ত্ততে চীৎকাৰ কৰি ৰাহুল ঢলি পৰিল।

কিংকৰ দাসে এইবাৰ ৰিভলভাৰৰ ট্ৰিগাৰ চেপি ধৰিলে।

'আস —' ঘাঁহনি ডঁৰাৰ পৰা কোনোবা এটাই চীৎকাৰ কৰিলে।

'বসুমতাৰীও শেষ হ'ল।' থাপাই চকুহাল মুদি দিলে।

'আপুনি চকু মেলক থাপা। আপুনিয়েই আমাক এতিয়া ভিতৰলৈ বাট দেখুৱাই নিব লাগিব। নহ'লে .....'

৯

'নহ'লে আপোনাৰো ৰক্ষা নাই কিংকৰ দাস।'

চক্‌খাই উঠি পিছলৈ ঘূৰি চালে কিংকৰ দাসে। তেওঁৰ ওচৰত থিয় হৈছেহি ডি. এচ. পি. আনন্দ ফুকন, অ. চি. লহকৰ, চেকেণ্ড অফিচাৰ সোণোৱাল আৰু দুজন ভয়ানক চেহেৰাৰ নৃশংস লোক।

কিংকৰ দাস কিংকতব্যবিমূঢ় হৈ থিয় হৈ ৰ'ল।

তেওঁ ক'ৰবাত ভুল কৰিলে। কিন্তু এতিয়া শুধৰোৱাৰ কোনো উপায় নাই। তেওঁৰ চকুৰ পচাৰতে ভয়ানক চেহেৰাৰ গুণ্ডা এটাই তেওঁৰ পৰা ৰিভলভাৰটো কাঢ়ি ল'লে। অ. চি. লহকৰে থাপাক ভিতৰলৈ চোঁচৰাই টানি লৈ গ'ল। ঠিক সেই মূহূৰ্ত্ততে বিকাশ আৰু নীলাক্ষী সোমাই আহিল। নীলাক্ষীৰ কোচত কণমানি ৰাজু। সিহঁতৰ পিছত উদ্যত ৰিভলভাৰ লৈ ভূপেন।

'মানুহজনক ৰিভলভাৰটো পেলাই দিব কওঁক দাস।' ফুকনে ৰিভলভাৰৰ আগটোৰে কিংকৰ দাসৰ পিঠিখন হেচুকি ক'লে।

দাসে একো নামাতিলে। মূৰটো দুপিয়ালে মাথো।

ভূপেনে ইতস্ততঃবোধ কৰিলে।

'ৰিভলভাৰটো দি দিয়া ভূপেন!' দাসে মাত লগালে।

'কিন্তু .....' সেপ এটা ঢুকি ৰিভলভাৰটো মজিয়াখনত পেলাই দি ভূপেন ক'লে, 'বুঢ়ী কাঞ্চী এজনীয়ে সকলো গম পাইছে। তাই দৌৰী পলাইছে। মই ধৰিব নোৱাৰিলো। তলত কাৰোবাক যদি তাই খবৰ দিয়ে .....'

ফুকন চমক উঠিল। তেওঁ ঘড়ীটো চালে।

আৰু পলম কৰিব নোৱাৰি। ইতিমধ্যেই তেওঁ বহুত ৰিস্ক লৈছে। আৰু তেওঁক এই ৰূপত দেখা পোৱা প্ৰত্যেকজনৰে মুখ চিৰদিনৰ বাবে বন্ধ কৰিবলৈ বাকী আছেই।

ফুকন আগুৱাই গৈ চৌধুৰীৰ কোঠাৰ বন্ধ দৰ্জাখনত ঢকিয়ালে।

'দৰ্জাখন খোলক চৌধুৰী। আপোনাৰ বংশৰ শেষ বন্তি গছিও নুমাব এতিয়া।' কথাষাৰ কৈ ফুকনে উশাহ সলালে। তেওঁ জানে চৌধুৰীৰ মমতা ভৰা মনে কেতিয়াও নিবিচাৰে তেওঁৰ বংশৰ শলিতা গছি নুমাই যাওঁক বুলি।

দৰ্জাখন অৱশেষত খোল খালে।

বৃদ্ধ চৌধুৰীয়ে এবাৰ বিকাশহঁতলৈ চকু ফুৰাই ফুকনৰ ওপৰত দৃষ্টি বুলালে। মানুহটো কঁপিছিল। প্ৰচণ্ড এক আক্ৰোশত নাকৰ পাহি দুটা ফুলি উঠিছিল। পিছমুহূৰ্ত্তত হঠাতে শান্ত হ'ল তেওঁ। স্নেহ ভৰা দৃষ্টিৰে বিকাশহঁতলৈ চাই তেওঁ আকৌ ফুকনলৈ চালে।

হঠাতে সিঁয়ৰি উঠিলে থাপা।

তেওঁৰ অতি মৰমৰ গৰাকীজনে শেষ সিদ্ধান্তটো লৈ পেলালে। কিন্তু তেৱেঁইবা বাধা দিব কেনেকৈ এতিয়া? সমস্ত শৰীৰ অৱশ হৈ পৰিছে। হয়তো আৰু দহমিনিট অথবা পোন্ধৰ মিনিটৰ ভিতৰতে তেওঁৰ মৃত্যু হ'ব। তাৰ পিছত হয়তো ত্ৰিদীৱ চৌধুৰীৰ ..... আৰু তাৰ পিছত ......

কিন্তু বিকাশহঁত বাচিব জানো??

'ফুকন।'

চৌধুৰীৰ কণ্ঠস্বৰৰ গহীনতাই ফুকনক কিছু অস্বস্তিত পেলালে। তেওঁ একো নক'লে।

'মই জানিছো আপুনি কিংকৰ দাসৰ লগত লগ হৈ টকাখিনি আত্মসাৎ কৰিব ওলাইছে। মানুহৰ লোভ থাকিবই। ইয়াৰ মাজত আপুনিয়েইবা ব্যতিক্ৰম হ'ব কেনেকৈ? মই আপোনাক মোৰ লকাৰ থকা ৰুমটোলৈ লৈ যাম। কিন্তু সাৱধান কাৰো হাতত মৰণাস্ত্ৰ থাকিব নোৱাৰিব। মই মোৰ পৰিয়ালৰ নিৰাপত্তা সম্পৰ্কে সুনিশ্চিত হ'ব খোজো।'

আনন্দত জপিয়াই উঠিব খুজিলে ফুকনে। ইমান সহজতে বুঢ়াটো সৈমান হ'ব বুলি কল্পনাও কৰা নাছিল। তেওঁ ক'লে 'আমি প্ৰস্তুত।'

'কিন্তু চাৰ ....' থাপাই সেঁহাই-সেঁহাই মাত দিলে।

চৌধুৰীয়ে থাপালৈ এবাৰ চাই বিকাশ আৰু নীলাক্ষীৰ ওপৰত চকু থ'লে। 'ৰাজু শুইয়ে আছে নহয়নে মাজনী!!' কথাষাৰ কৈ চৌধুৰী খোজ ল'লে। তেওঁৰ বিচনাখনৰ সোঁহাতে থকা দেৱালখনৰ অইল পেইণ্টিংখন নমাই আনিলে। পেইণ্টিংখন ওলোমাই থোৱা গজালটো টিপি দিলে এইবাৰ। তিনি ইঞ্চি ব্যাসাৰ্দ্ধৰ ছিদ্ৰ এটা হ'ল দেৱালখনত। চৌধুৰীয়ে পিন্ধি থকা পাঞ্জাৰীটোৰ জেপৰ পৰা চাবি এপাত উলিয়াই ছিদ্ৰটোত সুমাই দিলে। কেইমিনিটমান পিছতে দেৱালখনত ফাঁক এটা হ'ল।

'চাৰ! আপুনি ..... নাযাব চাৰ ......' থাপাই ক'লে।

চৌধুৰী নিৰ্ব্বিকাৰ। তেওঁ ফাঁকটোৰে সোমাই গ'ল। পিছমূহুৰ্তত ফুকন, কিংকৰ দাস আৰু গুণ্ডা দুজন।

'বিকাশ! তুমি চাৰক ওভোতাই আনা। বিকাশ.....!!'

থাপাই আৰু কিবা ক'ব ওলাইয়ো ৰৈ গ'ল। দেৱালখনৰ ফাঁকটো বন্ধ হৈ যোৱা দেখি থাপাই উচুপিলে।

'থাপা!' বিকাশে মাত লগালে।

থাপাৰ উচুপনি বেছি হ'ল। বুকুখনো খৰকৈ উঠা-নমা কৰিব ধৰিলে।

'কি হ'ল থাপা?' বিকাশে সুধিলে।

'চাৰ .... চাৰ ..... আৰু উভতি নাহে ..... চাৰে খুদখুচি কৰিলে। লগে-লগে ফুকনহঁতো মৰিব এতিয়া। চাৰৰ বাহিৰে কাৰো সাধ্য নাই লকাৰটো খোলাৰ। আকৌ তেনেকৈ বন্ধ হৈ থকা লকাৰটোত দহমিনিটতকৈ বেছি সময় থাকিলে উশাহ-নিশাহ নাপাই......'

'কি?'

থাপাই আকৌ সেঁহালে। পিছমুহুৰ্ত্তত দেহটো নিথৰ হৈ গ'ল থাপাৰ। অ. চি.

লহকৰে ঘড়ীটো চাই সোণোৱালক লৈ ওলাই গ'ল।

বিকাশ স্থবিৰ হৈ ৰ'ল। প্ৰতিটো ক্ষণ আগবাঢ়ি যোৱাৰ লগে লগে বিকাশৰ বুকুৰ স্পন্দনো বাঢ়ি গ'ল। হঠাতে নীলাক্ষী দৌৰি আহি বিকাশৰ বুকুত মুখখন গুজি দি কান্দি দিলে। বিকাশে ঘড়ীটো চালে। দহমিনিট উকলি গ'ল......। ○

# হত্যাকাৰী

দৰ্জাকন খুলি দিলে আৰতিয়ে।

'আপুনি....।'

'মোক চিনি নাপাবা। মই বহুদূৰৈৰ পৰা মানে তিনিচুকীয়াৰ পৰা আহিছো। মই তোমাৰ দেউতাৰা যাদৱ দাসক দেখা কৰিবলৈ আহিছোঁ।' আগফালৰ বাৰাণ্ডাখনত থিয় হৈ থাকি আদহীয়া মানুহজনে ক'লে।

'কিন্তু দেউতা এতিয়া ঘৰত নাই।'

'জানো। ইয়াকো জানো, তেওঁ কেতিয়া আহিব তাৰো ঠিকনা নাই। কিন্তু তথাপিও মই ৰ'ব লাগিব। আজি যিকোনো উপায়েৰে মই তেওঁক লগ ধৰিবই লাগিব।'

আৰতিয়ে মানুহজনক ভিতৰলৈ মাতি নি ড্ৰইংৰুমত বহালে। মানুহজন বহাৰ পিছত তাই ভিতৰলৈ সোমাই গ'ল। পাগঘৰলৈ সোমোৱা দৰ্জাৰ মুখতে কাম কৰা ছোৱালী শেৱালীক দেখা পাই আৰতি থমকি ৰ'ল।

'মানুহজন গ'ল নে আছে বাইদেউ?' সুধিলে শেৱালীয়ে।

'আছে। ড্ৰইংৰুমত বহিছে।'

'কথাটো ঠিক নহ'ল নেকি বাইদেউ!'

'কিয়?'

'সেই মানুহজনৰ নাম কুমুদ শইকীয়া।' শেৱালীয়ে আৰতিৰ ওচৰ চাপি আহি ক'লে 'মানুহজনৰ পুতেকৰ নাম কল্যাণ শইকীয়া। কেইদিনমান আগেয়ে যে বোমা বিস্ফোৰণ এটাত চাপন্নজন মানুহ মৰিছিল, পুলিছে এওঁৰ পুতেককে সেই অভিযোগত গুৱাহাটীৰ জেলত ভৰাই থৈছে। মানুহজন আজি তিনিদিন চাৰক বিচাৰি আহি আছে। চাৰেহে দেখা দিয়া নাই।'

আৰতিৰ মনটো অস্থিৰ হ'ল। কেইদিনমান আগেয়ে তাইৰ দেউতাক, এচিষ্টেণ্ট জেইলাৰ যাদৱ দাস, চাকৰীৰ পৰা নিলম্বিত হৈছে। পৰ্ব্বত প্ৰমাণ দুৰ্নীতিৰ অভিযোগত। এই সময়ত কুমুদ শইকীয়াৰ দৰে মানুহজনৰ উপস্থিতি যাদৱ দাসৰ কাম্য নহয়।

যাদৱ দাসৰ মাতৃহীনা জীয়েক আৰতিৰো কাম্য নহয়। আৰতি আকৌ ড্ৰইংৰুমলৈ আগবাঢ়িল।

'আপুনি আকৌ আহিছে।'

আৰতি থমকি ৰ'ল। সেইয়া তাইৰ দেউতাকৰ কণ্ঠস্বৰ।

'মোৰ আৰু অইন উপায় নাই। নিজৰ একমাত্ৰ ল'ৰাজন যদি জেলত পচি থাকিব লগা হয় আৰু যেতিয়া ফাঁচীকাঠত ওলমিবলৈ বাট চাই থাকিব লগা হয়, তেতিয়া দেউতাকবোৰৰ হাতত মাথো এটা উপায়ে থাকে।'

'কিন্তু আপোনাক কোনে ক'লে যে টকাৰ বিনিময়ত .....'

'নগেন চৌধুৰীয়ে। তেওঁ বিনামুলীয়াকৈ কল্যাণৰ কেচ চলাইছে। তেওঁৰ মতে এই কেচটোৰ ৰায় এটাই হ'ব, কল্যাণৰ ফাঁচী। কিন্তু মই একমাত্ৰ ল'ৰাজনক মৰিব দিব নোৱাৰো। তেতিয়াই নগেন চৌধুৰীয়ে ক'লে, জেলৰ পৰা পলায়নেই কল্যাণৰ বচাৰ উপায়। আৰু এমাহৰ পিছত কোৰ্টে কেচৰ ৰায় দিব। তেতিয়া নিৰাপত্তাৰ ব্যৱস্থা আৰু কটকটীয়া হ'ব। গতিকে এইকেইদিনৰ ভিতৰতে কল্যাণে গুৱাহাটীৰ জেলৰ পৰা পলাব পাৰিব লাগিব।'

'কিন্তু তাৰ কাৰণে মোৰ সহায় বিচাৰিছে কিয়?' দেউতাকৰ অধৈৰ্য্য কণ্ঠস্বৰ।

'কাৰণ আপুনি দুবছৰমান আগতে কেইজনমান ডকাইতক জেলৰ পৰা পলাবলৈ সুবিধা কৰি দিছিল। ছাছপেণ্ড হোৱাৰ দুমাহ মান আগেয়ে স্মাগলাৰ এজনকো পলাবলৈ সুবিধা কৰি দিছিল। বিনিময়ত লৈছিল লাখ লাখ টকা। মোৰো হাতত এতিয়া ডেধাৰ টকা আছে। এক লাখ ..... দুই লাখ....'

কেই ছেকেণ্ডমান নিস্তব্ধ। অলপ পৰৰ পিছত আৰতিৰ কাণত পৰিল দেউতাকৰ কণ্ঠস্বৰ, 'দহ লাখ।'

'মই সন্মত।'

'এতিয়া কওঁক মই কি কৰিব লাগিব?'

'আপুনি যিকোনো উপায়েৰে কল্যাণক গুৱাহাটী জেলৰ পৰা পলুৱাই নি সশৰীৰে ভুটানৰ সীমাত থকা দৰঙা মেলাত পৌচাই দিব লাগিব।'

'বছ ইমানেই?'

'অ'। কিন্তু মনত ৰাখিব সশৰীৰে, জীৱন্তে।'

২

'আপুনি.....'

'মোৰ নাম যাদৱ দাস। কেইমাহমান আগলৈকে এইখন জেলতে মই এচিষ্টেণ্ট

জেইলাৰ হৈ আছিলো।'

'কিন্তু.....'

'এই অসময়ত মোক দেখি আচৰিত নহ'বা। তোমাৰ দেউতাৰাই মোক পঠাইছে।' কথাখিনি কৈ দাসে চিঠি এখন জেপৰ পৰা উলিয়াই দি ক'লে, 'দেউতাৰাৰ এই চিঠিখন পঢ়িলে সকলো গম পাবা।'

কল্যাণ শইকীয়াই একে উশাহে চিঠিখন পঢ়িলে।

'তাৰমানে আপুনি.....'

'তুমি মোক এতিয়া মুক্তিদূত বুলি ভাবি ল'ব পাৰা।' যাদৱ দাস হঠাতে গহীন হৈ গ'ল। তেওঁ কল্যাণৰ একেবাৰে ওচৰ চাপি আহি সুধিলে 'তুমি কোন নম্বৰ চেলত আছা?'

'সাতাইশ।'

'অকলে?'

'এতিয়ালৈকে অকলে আছো। শুনিছো অহা কালি ৰাতিপুৱা এজন দাগী আচামীক মোৰ চেলটোতে ৰাখিব। আচামীজনৰ নাম হীৰু সিঙ। এতিয়ালৈকে সদৰ থানাৰ লকআপত আছে।'

'হীৰু সিঙ.....!' বিৰবিৰালে দাসে।

দাসৰ মুখখন যেন উজ্বলি উঠিল। মনত পৰিছে তেওঁৰ। বহুবছৰ আগেয়ে এইখন জেলতে তেওঁ হীৰু সিঙক লগ পাইছিল। ডকাইতিৰ অভিযোগত ছবছৰ জেল হৈছিল। ঠাইৰ নাটনি বুলি তেৰেঁই তেতিয়া লিখা-লিখি কৰি হীৰু সিঙক নগাওঁ জেললৈ পঠিয়াই দিছিল আৰু যোৱাৰ পথত যোৰাবাটত হীৰু সিঙ ভেনৰ দৰ্জা ভাঙি পলাই গৈছিল। আৰু এইবাৰ!!

'তুমি হীৰু সিঙক ক'বা চৌসত্তৰ চনৰ দৰে এইবাৰো সি যদি পলাব খোজে মই তাক সহায় কৰিম। তুমি মনত ৰাখিবা, পলাবলৈ হ'লে হীৰু সিঙৰ দৰে মানুহ এটাৰ সহায়ৰ আৱশ্যক হ'বই।' যাদৱ দাসে বহাৰ পৰা উঠি আকৌ ক'লে, 'তোমাক মই অহা কালি গধূলি দেখা কৰিম। মই নহ'লেও তোমাৰ দেউতাৰাই দেখা কৰিব পাৰে। তেতিয়াই জানিব পাৰিবা অপাৰেছন কেতিয়া আৰম্ভ হ'ব। কিন্তু সাৱধান, অইন কাকো তুমি এই কথাষাৰ নক'বা।'

যাদৱ দাস গুছি গ'ল।

কল্যাণ সৰু খিড়িকিখনৰ ফাঁকেৰে চাওঁতে দেখা পালে ৱাৰ্ডেনৰ অফিচ ৰূমটোৰ কাষেৰে যাদৱ দাস কোৱাকুবিকৈ খোজ দি গৈছে। হঠাতে দাস থমকি ৰ'ল।

তেওঁৰ সন্মুখত জেইলাৰ শৰৎ শৰ্ম্মা থিয় হৈছেহি।

'আপুনি গুৱাহাটী জেলৰ মোহ এৰিব পৰাই নাই দেখিছো।'

'মোহ? অহা-যোৱা কৰাটোৱে জানো আপুনি মোহ বুলি ক'ব?'

যাদৱ দাস নৰ'ল। কোৱাকুবিকৈ খোজ দি তেওঁ আঁতৰি গ'ল।

কল্যাণ খিড়িকিখনৰ ওচৰৰ পৰা আঁতৰি আহিল। কিছু সময়ৰ পিছতে ছেণ্ট্ৰি এটাই তাক লৈ গৈ সৰু চেলটোৰ ভিতৰত আৱদ্ধ কৰি থলে। কল্যাণে কাঠৰ তক্তাখনত শুই পৰিছিল। কিমানপৰ সি শুই আছিল ক'ব নোৱাৰে। মাজতে কাৰোবাৰ পদশব্দ শুনি খকমকাই সাৰ পালে কল্যাণে। তাৰ চেলৰ দৰ্জাখন খুলি লেডী ডাক্টৰনীজনী সোমাই অহা দেখি কল্যাণ শোৱাৰ পৰা উঠি বিছনাখনতে বহি ল'লে।

'আজি আপোনাৰ দেৰী হ'ল।'

'মুঠেই দেৰী হোৱা নাই। গধূলি ছটাহে বাজিছে এতিয়া।'

কল্যাণে একো নক'লে। সি যন্ত্ৰৱৎ শুই দিলে আকৌ। সি জানে তাৰ নিচিনা অপৰাধী এজনক প্ৰতিভা বৰাৰ লেখিয়া লেডী ডাক্টৰ এগৰাকীয়ে চিকিৎসা কৰাতো স্বাভাৱিক নহয়। অস্বাভাৱিক। আজি সাতদিনে তাক চোৱা-চিতা কৰি আছে প্ৰতিভা বৰাই। কিন্তু সিটো বেমাৰ-আজাৰ সম্বন্ধে কৰ্ত্তৃপক্ষক ভুলতো জনোৱা নাছিল। তেন্তে .....!!

সি বাৰু এইকেইদিন প্ৰতিভা বৰাৰ লগত কি কি কথা পাতিছিল?

সি বাৰু নিবিড় অৱস্থাত কিবা কৈ পেলালে নেকি?

'আপুনি চাইক' থেৰাপিষ্ট?'

ডাঃ প্ৰতিভা বৰাই হাঁহিলে মাথো, একো নক'লে। কল্যাণৰ শৰীৰটো নীৰৱে পৰীক্ষা কৰিলে। মাজতে সুধিলে এবাৰ, 'আজি কোনোবা দেখা কৰিব আহিছিল?'

'আহিছিল।'

'কোন?'

'কোনোবা যাদৱ দাস।'

'চিনাকী?'

কল্যাণে চকুহাল মেলি দিলে। তাৰ গাৰ কাষতে প্ৰতিভা বৰা বহি লৈ থেথিষ্টস্কোপেৰে তাৰ হৃদস্পন্দন পৰীক্ষা কৰি আছে। মাজত অকনো ফাঁক নৰখাকৈ বহিছে প্ৰতিভাই। কল্যাণৰ নিজৰ শৰীৰটো গৰম যেন অনুভৱ হ'ল। কিন্তু ....

প্ৰতিভাৰ এই নিবিড় আচৰণ তাইৰ দুৰ্বলতা জানো? নে এখন চক্ৰান্তৰ জাল.....??

'তেওঁ দেউতাৰ বন্ধু।'

'আকৌ আহিব?'

'ক'ব নোৱাৰো।'

'অ। এটা কথা ক'ব পাহৰিছোঁ। আজি কোনোবা প্ৰভাত ৰায় বোলা ল'ৰা এজনক বোমা বনাই থাকোঁতে পুলিচে হাতে-লোটে ধৰা পেলালে।'

কল্যাণে আকৌ চকুহাল মুদি দিলে। তাৰমানে আৰু এজন ধৰা পৰিল। কিন্তু কিয়? হঠাতে ..... কল্যাণৰ ভাৱ হ'ল সি প্ৰভাত ৰায়ৰ কথা কোনোবা এটা দুৰ্বল মুহূৰ্ত্তত এই চাৰিবেৰাৰ ভিতৰতে কৈছিল। কিন্তু কাক? প্ৰতিভা বৰাকনে অইন কাৰোবাক?

প্ৰতিভা বৰা গ'লগৈ।

কল্যাণ শুলে। ৰাতিপুৱা আকৌ তাৰ চেলৰ দুৱাৰখন মেল খালে। ছেন্টি এটাই ত্ৰিছ-পইত্ৰিশ বছৰীয়া চাপৰ মানুহ এজনক ঠেলি সুমুৱাই দি দৰ্জাখন আকৌ বন্ধ কৰি দিলে।

মানুহজন ইকাষৰ বিছনা খনত বহিল।

'হীৰু সিঙ!'

উচপ্ খাই উঠিল মানুহজন। 'কেনেকৈ জানিলে মোৰ নামটো?'

'যাদৱ দাসে কৈছিল। যাদৱ দাসক চিনি পোৱা? চৌসত্তৰ চনত তেওঁ তোমাক ভীষণ উপকাৰ কৰিছিল। তেওঁৰ বাবেই তুমি যোৰাবাটৰ পৰা ......'

'মনত পৰিছে মোৰ।'

'তুমি এইবাৰো তেওঁৰ সহায় ল'ব পাৰা।'

এপলক কল্যাণলৈ চাই হীৰু সিঙে ক'লে, 'একেটা ভুলকে দুবাৰ নকৰো। তেতিয়া ডকাইতিৰ অভিযোগত ধৰা পৰিছিলো। সৰু-সুৱা অভিযোগ। কিন্তু জেলৰ পৰা পলাই যোৱাৰ পিছত মই কি হ'লো জানে? হত্যাকাৰী। এইবাৰ পলালে কিজানি মই এটা হত্যাৰ দায়ত নফছো, দুটা, তিনিটা বা তাতকৈ বেছি ......'

'তাৰমানে?'

'অ'। একেটা ভুলকে দুবাৰ নকৰো।'

৩

'কিন্তু যাদৱ দাস কিয় আহিছিল?'

'ক'ব নোৱাৰো।' জেইলাৰ শৰৎ শৰ্ম্মাৰ অসহায় কণ্ঠস্বৰ।

'আপুনি ক'ব পাৰিব লাগিছিল। আপোনাক আগেয়েই কোৱা হৈছিল, কল্যাণ শইকীয়াক কোনে কোনে আৰু কিয় দেখা কৰে তাৰ ওপৰত চোকা দৃষ্টি ৰাখিবলৈ।'

'যাদৱ দাস কাৰণেই সন্দেহ হোৱা নাছিল।'

'মোৰ কিন্তু সেইকাৰণেই সন্দেহ হ'লহেঁতেন।' ক'লে ডি. এচ. পি. প্ৰদীপ দিহিঙ্গীয়াই, 'কিয় জানেনে? কাৰণ যাদৱ দাস হ'ল মষ্ট কৰাপটেড নেম অৱ দি আসাম জেইল! বাৰু কিমান পৰ আছিল দাস?'

'হ'ব পোন্ধৰ মিনিট মান।'

'কি কথা পাতিছিল ধৰিব পাৰিলে?'

মূৰ জোকাৰিলে শৰৎ শৰ্ম্মাই।

'ডাঃ প্ৰতিভা বৰাই কি কৈছে?'

'তেওঁৰ মতে যাদৱ দাস কল্যাণ শইকীয়াৰ বাপেকৰ বন্ধু।'

'বন্ধু?'

'অ। ডাঃ বৰাই সেই বুলিয়েতো ক'লে।'

'আৰু কি ক'লে?'

'তেওঁৰ মতে কল্যাণ শইকীয়া মেনটেলী আৰু ফিজিকেলি বৰ সবল। কোনো ধৰণৰ শাস্তিয়ে তেওঁক তলাব নোৱাৰে।'

'সেইকাৰণেইতো ডাঃ প্ৰতিভা বৰাৰ সহায় লোৱা হৈছে।' ডি. এচ. পি. প্ৰদীপ দিহিঙ্গীয়াই ছিগাৰেট এটা জ্বলাই এইবাৰ সুধিলে, 'যাদৱ দাসে কৰ্টৰ পামিচন লৈ আহিছিল?'

'অ। '

'উকীল কোন আছিল?'

'নগেন চৌধুৰী।'

'নগেন চৌধুৰী? সেই যে কল্যাণ শইকীয়াৰ কেচটো বিনামূলীয়াকৈ চলোৱা উকীলজন?'

শৰৎ শৰ্মাই মূৰ দুপিয়ালে। দিহিঙ্গীয়াই আকৌ সুধিলে, 'ক'ত থাকে তেওঁ?'

'চেনীকুঠিৰ ভূত বাংলাটোৰ কাষৰ আসাম টাইপৰ ঘৰ এটাত তেওঁ থাকে বুলি শুনিছো।'

'আৰু কিবা গম পাইছে?'

'আৰু এখন পেটিচন কৰ্টত পৰিছে বোলে। কৰ্ট ইন্সপেক্টৰক সুধিছিলো, তেওঁ কিন্তু ক'ব নোৱাৰিলে পেটিচনখনত কাৰ কাৰ নাম আছে। দেউতাকো হ'ব পাৰে, যাদৱ দাসো হ'ব পাৰে অথবা উকীলজনো হ'ব পাৰে। তেওঁলোকৰ পেটিচনখন মঞ্জুৰ হৈছে। অৰ্থাৎ কালিলৈয়ো তেওঁলোক কল্যাণ শইকীয়াক দেখা কৰিবলৈ আহিব।'

'তেন্তে কালিলৈ আমি আৰু এটা সুবিধা পাম।'

শৰৎ শৰ্মাৰ দুচকুত সুপ্ৰশ্ন দৃষ্টি। সুধিলে, 'কিহৰ সুবিধা?'

'তেওঁলোকৰ কথাবোৰ টেপ কৰিবলৈ.. কিন্তু আপুনি সাৱধান হ'ব লাগিব যাতে তেওঁলোকৰ সন্দেহ নহয় যে কোঠাটোত টেপ ৰেকৰ্ডাৰ এটা বহুৱা আছে।' প্ৰদীপ দিহিঙ্গীয়া এইবাৰ বহাৰ পৰা উঠি ফোনৰ ৰিচিভাৰটো দাঙি ডায়েল কৰিলে। অলপ পিছত তেওঁ মাত লগালে, 'হেল্ল! এছ. আই. পাঠক নেকি? অ. মই ডি. এছ. পি. দিহিঙ্গীয়াই কৈছো। শুনক, আপুনি এতিয়াই প্লেইন ক্লথছ মানুহ এজনক আগৰ এ. জেইলাৰ যাদৱ দাসৰ ওপৰত চকু ৰাখিব দিব। আৰু প্ৰতি তিনি ঘণ্টাৰ মূৰে মূৰে মোলৈ ৰিপৰ্ট পঠিয়াব।' কথাখিনি কৈ দিহিঙ্গীয়াই ৰিচিভাৰটো ক্ৰেডেলত থৈ দিলে।

'এটা কথা সোধো?'

'সোধক।'

'নগেন চৌধুৰীৰ দৰে উকীল এজনে বাৰু কল্যাণ শইকীয়াৰ কেচটো বিনামূলীয়াকৈ চলাইছে কিয়?'

'আপুনি এই প্ৰশ্নটো মোক অলপ আগতেওঁ কৰিব পাৰিলেহেঁতেন। এতিয়া মই এচ. আই. পাঠকলৈ আকৌ ফোন কৰিব লাগিব।'

৪

খৰকৈ খোজ দিছে যাদৱ দাসে।

ফাঁচী বজাৰৰ ব্যস্ত জনপূৰ্ণ পথ। তথাপিও দাসে আগবাঢ়ি গৈছে। তেওঁৰ পিছে পিছে অনুসৰণ কৰি থকা মানুহজন তেওঁৰ বাবে হ'বই লাগিব। যাদৱ দাসৰ চিন্তাই হৈছিল। ঘৰতেই কাম কৰা ছোৱালী শেৱালীয়ে কৈছিল, ঘৰৰ সন্মুখত থকা পাণ দোকানখনৰ ওচৰত মানুহ এজন থিয় হৈ তেওঁলোকৰ ঘৰলৈ চাই আছে। খিৰিকিৰ ফাঁকেৰে চায়ে গম পাইছিল দাসে, মানুহজন প্লেইন ক্লথছ মেন, চি. আই. ডি.। ইয়াৰ অৰ্থ এটাই হ'ব, তেওঁৰ ওপৰত পুলিচৰ সন্দেহ হৈছে। কিন্তু কিয়? আৰু ইজন মানুহ?? বিশ বছৰৰ পুলিচী অভিজ্ঞতাই দাসক সঁকিয়াই দিলে এই অনুসৰণকাৰীজন পুলিচৰ নহয়, হ'ব নোৱাৰে। বৰ প্ৰফেচনেল মানুহজন। খোজৰ লহৰত চিকাৰী মেকুৰীৰ ক্ষীপ্ৰতা।

দাসে চাৰিওফালে এবাৰ চাই সাউতকৰে কাষৰ গলী এটাৰে সোমাই গৈ তড়িৎ গতিৰে খোজ দিব ধৰিলে। কিছুদূৰ গৈ আকৌ আন এটা গলীৰে সোমাই হোটেল এখনৰ সন্মুখত ৰ'ল। পিছফালে চালে এবাৰ। কাকো নেদেখি তেওঁ হোটেলখনলৈ সোমাই গ'ল। মেনেজাৰৰ কাউণ্টাৰত বহি থকা টপামূৰীয়া মানুহজনলৈ

চাই তেওঁ সুধিলে,

'কুমুদ শইকীয়া কোন নম্বৰ ৰুমত থাকে?'

'ন নম্বৰ।'

'ধন্যবাদ।'

ন নম্বৰ ৰুমৰ দৰ্জাখন বন্ধ হৈ আছিল। দাসে টুকুৰিয়াই দিয়াৰ পিছত দৰ্জাখন কিছু ফাঁক হ'ল। দাস ভিতৰলৈ সোমাই আহি নিজেই দৰ্জাখন বন্ধ কৰি দিলে। কোঠাটোত থকা এজনীয়া বিছনাখনত শইকীয়া বহি আছিল, ওচৰত ডেকা এজন। দাস ওচৰৰ চকীখনত বহাৰ পিছত তেওঁ মান লগালে, 'এওঁৰ নাম শংকৰ ডেকা। কল্যাণৰ বন্ধু। নগেন চৌধুৰীৰ তলত কাম কৰে। এৰোঁ আমাৰ কামত সহায়ক হ'ব। এতিয়া কওঁকচোন অহাকালি কেতিয়া কল্যাণক দেখা কৰিব?'

'আবেলি তিনিটা ত্ৰিশ বজাত। আৰু অপৰেছনো ঠিক তেতিয়াই আৰম্ভ হ'ব।' শইকীয়া আৰু শংকৰৰ বিস্মিত মুখ দুখনলৈ চাই দাসে বেপেৰোৱাকৈ আৰম্ভ কৰিলে 'কিয় জানানে? কাৰণ পুলিচৰ সন্দেহ হৈছে। আৰু পৰহিৰ পৰা বি. এচ. এফৰ এটা চেকশ্যনে জেলৰ চৌহদত কেম্প পাতিব। অইনত ঠাইৰ নাটনি। বি. এচ. এফৰ কেম্প থকা মানেই অনবৰত এজন ছেণ্ট্ৰি গাৰ্ড দি থাকিব। সেয়ে কালিলৈয়ে আমি অপাৰেছনটো শেষ কৰিব লাগিব, যাতে কল্যাণ গুৱাহাটী জেলৰ বাহিৰ হয়। শুনক, কল্যাণ থাকে সাতাইশ নম্বৰ চেলত। সেই চেলটোৰ লোহাৰ প্ৰাচীৰ কাটি কল্যাণ পলাব নোৱাৰে। গতিকে আমি অন্য পন্থা হাতত ল'ব লাগিব। অহাকালি ঠিক চাৰে তিনি বজাত আমি জেললৈ যাম। কল্যাণক চেলৰ পৰা তেতিয়া ভিজিটিং ৰুমলৈ লৈ অহা হ'ব। ভিজিটিং ৰুমত আমি কথা পাতি থাকিম। ছেণ্ট্ৰি এটা ওচৰৰ বাৰাণ্ডাখনত গাৰ্ড দি থাকিব। এসময়ত মই ওলাই যাম। ঠিক সেই সময়তে চেলৰ কয়েদীবোৰৰ ভাত খাবৰ ঘণ্টি বাজে। কল্যাণৰ লগত একেটা চেলতে থকা হীৰু সিঙ বোলা দাগী আচামী এটাও তেতিয়া ভাত খাবলৈ ভিজিটিং ৰুমৰ কাষেৰে যাব। এক্স-জেইলাৰ হিচাবে তাৰ লগত কথা পাতিবলৈ মোৰ অকনো দিগদাৰী নহ'ব। মই তাৰ লগত কথা পাতি ভিজিটিং ৰুমৰ কাষেৰে আহি বাহিৰ পামহি। ইতিমধ্যে হীৰু সিঙে ছেণ্ট্ৰিটোক জপটিয়াই ধৰিব। সেই অৱসৰতে আপোনালোকে কল্যাণক ভিজিটিং ৰুমৰ পৰা উলিয়াই আনিব। আবেলি তিনিটা বজাৰ পিছত ৱাৰ্ডেনৰ অফিচত কোনো নাথাকে। ভিজিটিং ৰুমৰ পৰা এক নম্বৰ গেটখনলৈ পাঁচ মিটাৰ দূৰ। গেটত তেতিয়া মাত্ৰ তিনিজন ৰঙা পুলিচ থাকিব। তেওঁলোক বন্দুকধাৰী নহয়। আনহাতে গেটখনো খোলা থাকিব।'

'কিন্তু কিয় ?'

'কিয়নো চাউল ভৰ্তি ট্ৰাক এখন গেটৰ বাহিৰত ৰৈ থাকিব। বিহাৰী কেইটামানে বস্তাবোৰ ভিতৰলৈ নি থাকিব। অ' মই ক'বলৈ পাহৰিছো, জেললৈ মই আহিম মটৰ চাইকেল এখনেৰে। আৰু বাইক খন গেটৰ ওচৰতে থ'ম। তিনিটা পঞ্চল্লিশ মানত ট্ৰাকখনৰ ড্ৰাইভাৰে মটৰ চাইকেলখন ষ্টাৰ্ট কৰি থ'ব। কল্যাণে মটৰ চাইকেলখনত উঠি চেঁকুৰাব লাগিব। জেলৰ সন্মুখৰ মূল গেটখন ৰাতি ন বজালৈ সদায়ে খোলা থাকে। কল্যাণে দ্ৰুত বেগেৰে জেল পাৰহৈ ফাঁচী বজাৰলৈ যোৱা ৰাস্তাটোৰে গৈ টেক্সীষ্টেণ্ডটো পাৰ হৈ বাওঁফালে ঘূৰি লোহিয়া মাৰ্কেটৰ বিল্ডিঙৰ সন্মুখত ৰ'ব লাগিব। মটৰ চাইকেলখন ষ্টেণ্ড কৰক নকৰক, কল্যাণে কিন্তু অকনো সময় অপব্যয় নকৰি লোহিয়া মাৰ্কেটৰ বিল্ডিঙৰ চিৰি বগাই চাঁদলৈ উঠি যাব লাগিব। লোহিয়া মাৰ্কেটৰ বিল্ডিঙটোৰ কাষত আন এটা প্ৰকাণ্ড বিল্ডিং আছে। বিল্ডিঙটোৰ সিটো মূৰ ব্ৰহ্মপুত্ৰৰ কাষেৰে যোৱা মেইন ৰাস্তা চুইছেগৈ। এই দুইটা বিল্ডিঙৰ মাজত পাৰ্থক্য আছে সাতফুট। শক্তিশালী কাঠ এছটা তাতে পাৰি থোৱা হ'ব। কল্যাণে কাঠছটাৰে সিটো বিল্ডিঙৰ চাঁদলৈ গৈয়ে কাঠছটা এৰুৱাই আনি চিৰি বগাই তললৈ নামি আহিব লাগিব। বিল্ডিঙটোৰ দুৱাৰ মুখত মিলিটাৰী জংগা এখন ৰৈ থাকিব। ড্ৰাইভাৰটো মোৰ আগৰ চিনাকি। সিয়ে কল্যাণক দৰঙা মেলালৈ লৈ যাব।'

যাদৱ দাসে দীঘলকৈ উশাহ এটা ল'লে।

'আপুনি কোৱা হীৰু সিঙ যদি সন্মত নহয় ?'

'হব'ই। মই তাক জানো। আৰু সি সন্মত নহ'লেও কল্যাণ আছে। চাপন্নটা হত্যাৰ পিছত আৰু এটাক মাৰিবলৈ তাৰ হাত নকঁপিব কিজানি ?'

'আৰু যদি এটা ছেণ্ট্ৰি নাথাকি দুটা থাকে অথবা তিনিটা থাকে.... তেতিয়া ?'

'তেতিয়া হ'লে.....'

৫

শংকৰ ডেকাই ঘড়ীটো চালে। এঘাৰ বাজিছে। পথটো অন্ধকাৰ, জনশূণ্য। আজি কিয় জানো চেনীকুঠিৰ ভূত-বাংলাটোৰ ওচৰেদি যাওঁতে শংকৰৰ বুকুখন হঠাতে কঁপিব ধৰিলে। সি চাৰিওফালে এবাৰ চালে। ভূত বাংলাটোও নিজুম হৈ পৰি আছে। শংকৰে ভূত বাংলাটোলৈ আঁৰ চকুৰে চাই কাষৰ আসাম টাইপৰ ঘৰটোলৈ সোমাই গ'ল। কলিং বেলটো টিপাৰ কেইমূহুৰ্ত্তমান পিছতে দৰ্জাখন খোল খালে। শংকৰে ভিতৰলৈ সোমাই গৈ নিজেই দৰ্জাখন বন্ধ কৰি দিলে।

'ৰাতি বেছি হ'লে মোৰ ঘৰলৈ আহিবলৈ মই তোমাক বাধা দি থৈছিলো।'

আদহীয়া মানুহজনে কল্যাণক দেখি ক'লে।

'এটা সাংঘাটিক খবৰ আছে কাৰণেহে আহিলো।'

'ভিতৰলৈ ব'লা। তাতে ক'বাগৈ।'

আদহীয়া মানুহজনে শংকৰক লৈ গৈ ভিতৰৰ কোঠা এটাত বহিব দি ক'লে, 'কোৱা।'

'দাসে কালিলৈ অপাৰেছন আৰম্ভ কৰিব।'

'কিয়?'

'পিছলৈ হেনো অসুবিধা।'

শংকৰে থুলমূলকৈ ক'লে। মানুহজনে এইবাৰ ছিগাৰেট এটা জ্বলাই ক'লে, 'তেতিয়া হ'লে আমিও কালিয়ে কাম আৰম্ভ কৰিম।'

'মই একো বুজি পোৱা নাই।'

'তুমি বুজি পাব লাগিছিল। বিশ্বাসঘাটকতাৰ শাস্তি এটাই। সেইয়া কল্যাণে কৰক বা অইন কোনোবাই কৰক।'

'কিন্তু কল্যাণে জেৰাত একোকে কোৱা নাই।' শংকৰে ক'লে।

'পুলিচক কোৱা নাই, কিন্তু ডাঃ প্ৰতিভা বৰা নামৰ চাইক'থেৰাপিষ্ট এগৰাকীক কৈছে। পুলিচে বৰ বেয়া চাল এটা খেলিলে। অৱশ্যে বন্ধ কোঠা এটাৰ ভিতৰত চিকিৎসাৰ নামত এগৰাকী উঠন যুৱতীৰ লগত এঘণ্টা কটোৱাৰ পিছত সকলোৰে দুৰ্ব্বলতা উপজিবই, আৰু ডাঃ প্ৰতিভা বৰাই তেনেকৈয়ে কল্যাণৰ পৰা কথা উলিয়ালে। ফলত ধৰা পৰি গ'ল প্ৰভাত। ইয়াৰ পিছত হয়তো তুমি বা মই.....'

'কিন্তু আপোনাকতো কল্যাণে চিনি নাপায়।'

'মোক নাপায়, কিন্তু মোক চিনি নাপালেও তোমাৰ কথা জানে ; দলৰ আন কাৰোবাৰ কথা জানে।'

'কিন্তু কল্যাণ ভাৰতৰ বাহিৰ হ'লেতো আমাৰ মুঠেই ভয় নাথাকিব।'

'তুমি ভুল কৰিছা। এদিন সি ধৰা পৰিবই আৰু সেইবাৰ কল্যাণৰ মুখ খোল খাব। এতিয়াও যিকোনো মূহুৰ্ত্তত তাৰ মুখ খোল খাব পাৰে। আনপিনে জেলত থকালৈকে অন্ততঃ সি জীয়াই থাকিব। আমাৰ সাধ্য নহ'ব তাক শেষ কৰিবলৈ। সেই কাৰণেই বাপেকক বুদ্ধি দিছিলো যাদৱ দাসৰ সহায় ল'বলৈ। বেচেৰা দাসে টকাৰ লোভত তেনেকুৱা কাম এটা কৰিবলৈ সন্মতিও দিলে। গতিকে কল্যাণক জেলৰ প্ৰাচীৰ পাৰ হোৱাৰ লগে লগে আমি শেষ কৰি দিব লাগিব। কেতিয়া জানা? যেতিয়া সি গেট পাৰ হৈ টেক্সী ষ্টেণ্ডলৈ বুলি উল্কা বেগেৰে ঘূৰিব, ঠিক

তেতিয়াই আঁতৰৰ গাড়ী এখনৰ পৰা তুমি বা অশোকে তাক গুলীয়াব লাগিব। পিছফালৰ পৰা পৰা নহয়, সন্মুখৰ পৰা কপাললৈ বুলি। আৰু ......'

'আৰু কি?'

'তাৰ আগেয়ে ৰিহাবাৰীলৈ যাব লাগিব। এতিয়াই —'

'কিয়?'

'ডাঃ প্ৰতিভা বৰাৰ ঘৰলৈ।'

'তাৰমানে.....।' শংকৰ উচপখাই উঠিল।

'অ! মই আগতেই কৈছিলো বিশ্বাসঘাটকতাৰ শাস্তি এটাই। সেইয়া কল্যাণই হওঁক বা আন কোনোবা হওঁক। কিন্তু এটা কথা মনত ৰাখিবা এইবাৰ গুলী কৰিবা পিছফালৰ পৰা পিঠিলৈ বুলি।'

৬

মটৰ চাইকেলখন ষ্টেণ্ড কৰি যাদৱ দাসে দীঘলকৈ উশাহ এটা ল'লে। ট্ৰাকখন এইমাত্ৰ পাইছে। মুখতে ৰখাইছে। বিহাৰী কেইটাই ওপৰৰ ত্ৰিপালখন খহাব ধৰিছে। বিড়ি খাই বহি থকা ড্ৰাইভাৰটোক চকুৰে ইংগিত দি দাসে খোজ ল'লে। গেটৰ মুখত ৰঙা পুলিচ তিনিটা দেখি দাসৰ ওঁঠৰ কোণত হাঁহিৰ ৰেখা এডাল বিৰিঙিলে। তেওঁ গহীন খোজেৰে গেটখন পাৰহৈ ভিতৰত ভৰি দিলে।

দুখোজ আগবাঢ়িয়ে দাসে থমকি ৰ'ল।

এই অসময়ত ৱাৰ্ডেনৰ অফিচ কোঠাৰ সন্মুখত বুলেট মটৰ চাইকেল এখন বৈ থকাটো মুঠেই স্বাভাৱিক নহয়। অন্তত ডি. এচ. পি. প্ৰদীপ দিহিঙ্গীয়াৰ মটৰ চাইকেলখন।

ৱাৰ্ডেনৰ অফিচটো অন্ধকাৰ হৈ আছে। দৰ্জাখনত তলা এটা ওলমি আছে।

তেন্তে......!!

দাসে ধীৰে ধীৰে খোজ দি ভিজিটিং ৰুমলৈ সোমাই গ'ল। কোঠাটোত কুমুদ শইকীয়া, নগেন চৌধুৰী আৰু কল্যাণ বহি আছিল। দাসক দেখি কল্যাণে মূৰ তুলি চালে। দাস যেন কিছু হতাশ হ'ল। কল্যাণ যেন বৰ শেঁতা পৰিছে। বৰ দুৰ্ব্বল হৈছে।

দাসে কুমুদ শইকীয়াৰ ওচৰত বহিল। 'ই বৰ ভয় খাইছে।' ফুচফুচাই ক'লে শইকীয়াই।

'কিয়?'

'মানে —' কুমুদ শইকীয়াই আৰু কিবা ক'ব ওলাইছিল, তাৰ আগতেই কল্যাণে মাত লগালে, 'প্ৰতিভাৰ খুন হ'ল। ডাঃ প্ৰতিভা বৰাৰ খুন হ'ল।'

'কোন ডাঃ প্ৰতিভা বৰা?'

'তেওঁ মোক এইকেইদিন চোৰা চিতা কৰিছিল। তেওঁকে শেহৰাত্ৰি কোনোবাই পিছফালৰ পৰা পিঠিত গুলীয়াই........'

'সেই কাৰণেই তুমি ভয় খোৱাৰ কোনো আৱশ্যক নাই।'

'আছে। আমাৰ দলৰ নিয়মমতে যিয়ে বিশ্বাসঘাটকতা কৰে তেওঁ পুৰুষ হ'লে সন্মুখৰ পৰা কপাললৈ আৰু তিৰোতা হ'লে পিছফালৰ পৰা পিঠিত গুলীয়াই দিয়া হয়।'

'তাৰমানে ডাঃ বৰা তোমালোকৰ দলৰ—'

'নহয়। আমাৰ দলৰ নহয়। তথাপিও .....' কল্যাণে আকৌ মূৰটো হলাই দিলে, ক'লে 'মই জানো তেওঁক কোনে মাৰিছে .... মই জানো তেওঁক শংকৰে কাৰ কথা মতে .....'

'তুমি এইবোৰ কি ক'ব ওলাইছা কল্যাণ!' চৌধুৰীয়ে মাত লগাতে। কল্যাণ থমকি ৰ'ল। সি আকৌ মূৰটো হলাই দিলে।

দাস বহাৰ পৰা উঠি গৈ মাত লগালে, 'কল্যাণ।' কল্যাণে মূৰ তুলি চাওঁতে তেওঁ অনুচ্চ কণ্ঠেৰে সুধিলে, 'হীৰু সন্মত হ'ল?'

'সি অস্বীকাৰ কৰিলে। একেটা ভুলকে সি হেনো দুবাৰ নকৰে।'

'তেন্তে ...' কুমুদ শইকীয়া উঠি আহিল।

'বিচলিত নহ'ব। এতিয়াও বহু উপায় আছে। কল্যাণ, মই তোমাক দহ মিনিট সময় দিছো। তুমি নিজকে সুস্থিৰ কৰি তোলা। দেউতাৰা আৰু চৌধুৰীয়ে কি কয় মন দি শুনিবা। মনত ৰাখিবা আৰু মাত্ৰ দহ মিনিট।'

দাস ওলাই আহিল। ছেন্ট্ৰিটো বাৰাণ্ডাখনত তহল দি আছে। চিনাকি ছেণ্ট্ৰি। দাসক দেখি চেলাম এটা দিলে। দাসে প্ৰত্যুত্তৰ দি সিফাললৈ খোজ দিলে। অলপ আগতে ঘণ্টি বাজিছিল। চেলৰ কয়েদীবোৰ ৰান্ধনীশাললৈ খোজ লৈছে। দাসে ওচৰলৈ গৈ মাত লগালে, 'হীৰু।'

হীৰু থমকি ৰ'ল।

'এইফালে আহ। তোৰ লগত মোৰ কথা আছে।'

হীৰু ওচৰ চাপি আহিল। সি ক'লে, 'মই কল্যাণক আগতেই কৈ দিছো এইবাৰ মই নপলাওঁ।'

'তই মোক কাম এটা কৰি দিব লাগে, কৰিবি?' দাসে পাতনি নেমেলিলে।

'কি?'

'সেই যে ছেন্ট্ৰিটো দেখিছ, তাৰ নাম জগমোহন, সি ভাঙুৰা। তই মাত্ৰ তাক ইয়ালৈ মাতি আনি কবি তোৰ হাতত ভাঙ আছে। সি ইচ্ছা কৰিলে একচিলিম টানিব পাৰে।'

'কিন্তু.....'

'তই চিন্তা নকৰিবি। ৰান্ধনীশাললৈ গৈ ঠাকুৰটোক সুধিলেই তই ভাঙ পাবি। তই মাথো জগমোহনক এইখিনি ঠাইত একমিনিট, দুইমিনিট অথবা আধামিনিট ৰখাই থ'ব লাগে। বচ ইমানেই।' দাসে হীৰুৰ চকুলৈ চালে। পকেটৰ পৰা এশটকীয়া নোট এখন উলিয়াই হীৰুলৈ আগবঢ়াই দিয়াৰ লগে লগে হীৰুৰ চকুহাল তিৰ্‌বিৰাই উঠিল। সি নোটখন সামৰি লৈ খোজ ল'লে। দাস কিন্তু তাতেই ৰৈ থাকিল।

দাসৰ অন্তৰখন দুৰু-দুৰুকৈ কঁপিছে। যদি এই চালটোও ব্যৰ্থ হয়, তেন্তে তেওঁৰ হাতত এটাই উপায় ৰ'বগৈ। কল্যাণৰ হতুৱাই ছেন্ট্ৰিটোক .....

'চাৰ।' অলপ পৰৰ পিছত হীৰু আহি মাত লগালে।

'পালি ?'

'অ।'

'তেন্তে তোৰ কাম আৰম্ভ কৰ।'

হীৰু যোৱাৰ পিছতো দাস কিছুসময় ৰ'ল। জগমোহনৰ মুখত ডাঙৰ চিলিমটো দেখিহে তেওঁ নিশিন্ত হৈ আগবাঢ়িল। দিনতেই বাৰাণ্ডাখনত জ্বলি থকা বাল্‌বটোৰ চুইচটো বিছাৰোঁতে তেওঁৰ অকনো পলম নহ'ল। চুইচটো টিপাৰ সময়ত হঠাতে দাসৰ খেয়াল হ'ল আঁতৰত ৱাৰ্ডেনৰ অফিচৰ দক্ষিণ কোণত থকা ভেন্টিলেটাৰখনৰ ফাঁকেৰে অকণমান পোহৰ বিৰিঙিছে। কিন্তু অফিচ কোঠাৰ সন্মুখৰ দৰ্জাখন তলাবন্ধ। তেনেস্থলত আপাতঃ দৃষ্টিত অফিচ ৰূমৰ ভিতৰত কোনো থাকিব নোৱাৰে। মাত্ৰ....এৰা, মাত্ৰ ডি. এচ. পি. দিহিঙ্গীয়া থাকিব পাৰে ; কিন্তু দিহিঙ্গীয়াই অকলে অকলে কি কৰিব তাত!

বহু বছৰ আগেয়ে তেৰোঁ এদিন সেই কোঠাটোত অকলে বহি আছিল। মূৰত হেডফোন এটা।

ভিজিটিং ৰূমত আছিল তেতিয়া পলিটিকেল চাফাৰাৰ এজন। কথা পাতিছিল তেওঁ সহকৰ্মী দুজনৰ সৈতে। তেওঁলোকৰ প্ৰত্যেকটো কথাই দাসে শুনা পাইছিল। লগে লগেই চৰকাৰক জনাইছিল। আৰু আজিও হয়তো .....

দাসে খোজ দিলে।

কল্যাণহঁতে বাৰু ইমানপৰে কি কথা পাতিছিল! ভুলতো গোটেই আঁচনিখনৰ

কথা কোৱা নাইতো! আৰু যদি কোৱা নাই তেন্তে সুকলমে কল্যাণে মূল গেটখন পাব। সেইখিনি পালেই দাস নিশ্চিত। শংকৰ হেনো তাতে ৰৈ থাকিব।

হঠাতে দাসৰ সৰ্ব্বাঙ্গ কঁপি উঠিল।

শংকৰে বাৰু দঢ়াই দঢ়াই কোৱা স্বত্বেও গেটৰ সন্মুখত টেক্সীএখনত ৰৈ থাকিবলৈ ইচ্ছা কৰিলে কিয়? যি ঠাইৰ পৰা জেলৰ ভিতৰৰ পৰা বাহিৰলৈ ওলোৱা কল্যাণৰ অকল সন্মুখ ভাগহে দেখিব। আচম্বিতে সৃষ্টি হোৱা যিকোনো আহুকলীয়া পৰিস্থিতি চম্ভালিবলৈ অনা ৰিভলভাৰটোৰে যদি কল্যাণৰ কপাললৈ বুলি..... আৰু ..... কল্যাণৰ মতে ডাঃ বৰাক ......

হে.... ভগৱান .....

দাসে অনুভৱ কৰিলে যে জেলৰ ভিতৰত কাৰো সাধ্য নাই কল্যাণক হত্যা কৰিবলৈ। কল্যাণ মৰিবলৈ হ'লে জেলৰ বাহিৰ হ'বই লাগিব।

তাৰমানে.....

দাসে খোজৰ গতি বঢ়ালে। দূৰৈৰ পৰা তেওঁ দেখা পালে ভিজিটিং ৰুমৰ পৰা কোনোবা এটা ওলাই দৌৰিছে। খন্তেক পিছত আৰু দুটা পুৰুষ মুৰ্ত্তি দাসৰ চকুত পৰিল।

'তাক ৰখাওঁক।'

'কিয় তাক ৰখাব কৈছে দাস?'

'মই কৈছো তাক ৰখাওঁক।'

'তাক ৰ'ব ক'ব নোৱাৰো। তাক ৰবলৈ নক'ব।'

দাসে নুশুনিলে। তেওঁ দৌৰিব ওলাইছিল। কিন্তু কুমুদ শইকীয়াই তেওঁক পিছফালৰ পৰা আকোৱালী ধৰিলে। শইকীয়াৰ আলিংগনৰ পৰা মুক্তি পাওঁতে দাসৰ হয়তো দহ চেকেণ্ডমান লাগিছিল আৰু তেওঁ যেতিয়া গেটৰ মুখত ভৰি দিছিল ইতিমধ্যেই কল্যাণৰ মটৰ বাইকখন মূল গেটখন পাইছিল।

আৰু .....

তাৰ পিছৰটো চেকেণ্ডত ....

'গুৰুম্ .......'

দাস দুহাতেৰে মুখখন ঢাকি দিলে।

'বিশ্বাসঘাটকতাৰ শাস্তি এটাই .... মৃত্যু .....' কোনোবাই দাসৰ ওচৰত থিয় হৈ অনুচ্চ কণ্ঠেৰে ক'লে। ○

# আক্ৰোশ

শৰণীয়া পাহাৰৰ উত্তৰ ফালে এচলীয়াকৈ আছে ঘৰটো। সৰু ঘৰ, আটকধুনীয়া নিজান বাংল' এটা। নিঃসাৰ হৈ পৰি আছে ঘৰটো। আগফালৰ বাৰাণ্ডাখনত নিচেই কম পোহৰৰ বাল্ব এটা জ্বলি আছে। বাল্বটোৰ পোহৰখিনি বাৰাণ্ডাখনৰ পৰা কিছু আঁতৰলৈ বিয়পিছে ; মাথো দহ-পোন্ধৰ হাতমানলৈ। তাৰ পৰা গেটখনলৈ বুলি এশমিটাৰমান দূৰত্ব অন্ধকাৰত বুৰ গৈ আছে।

আৰু ঠিক সেইখিনিতে মানুহজন থিয় হৈ আছে। দুচকু ঘৰটোৰ ওপৰত থিৰ হৈ ৰৈ আছে। কিবা ভাবিছে মানুহজনে। এবাৰ চাৰিওফালে চকু ফুৰালে, তাৰপিছত সন্তৰ্পণে আগুৱাই গৈ বাৰাণ্ডাখনত ভৰি দিলে। দেৱালত থকা লাইটৰ চুইচটো অফ কৰি দিলে। অন্ধকাৰ বাৰাণ্ডাখনত কিছুপৰ নিশ্চল হৈ ৰ'ল মানুহজন। ওচৰৰ ঘৰবোৰৰ টি. ভি. চেটবোৰৰ পৰা দেওবৰীয়া নিশাৰ চিনেমাৰ সংলাপ মানুহজনৰ কাণত পৰিছে ; বৰ অস্পষ্টকৈ। মানুহজন এইবাৰ আশ্বস্ত হ'ল। জেপৰ পৰা চাবি এটা উলিয়াই দৰ্জাখন খুলি দিলে। বৰ তড়িৎগতিৰে মানুহজন ভিতৰলৈ সোমাই গৈ দৰ্জাখন বন্ধ কৰি দিলে।

ভিতৰৰ কোঠাটো অন্ধকাৰ হৈ আছিল। মানুহজন অন্ধকাৰতে ৰ'ল। খিৰিকিৰ পৰ্দাখন অলপ ফাঁক কৰি ল'লে। বাহিৰখন তেওঁ এতিয়া দেখা পাইছে। মানুহজন যেন সন্তুষ্ট হ'ল ; চিগাৰেট এটা জ্বলালে তেওঁ। দুচকুৰ দৃষ্টি পিছে খিৰিকিখনৰ পৰ্দাৰ ফাঁকটোত, ফাঁকটোৰ সিপাৰৰ চোতালখনত।

হঠাতে মানুহজন চঞ্চল হৈ উঠিল। গাড়ী এখনৰ হেডলাইটৰ পোহৰ দেখিছে তেওঁ। নামনিৰ পৰা উঠি আহিছে। এবাৰ মানুহজনে হৰ্ণ বজোৱাও শুনিলে। তেওঁ নিশ্চিত হ'ল গাড়ীখন মাৰুতি গাড়ী। তাৰ অৰ্থ হ'ব তেওঁ অধীৰ আগ্ৰহেৰে বাট চাই থকাজন আহি পালে!

আৰু দুইমিনিট হাতত আছে তেওঁৰ।

এইকণ সময়ৰ ভিতৰতে তেওঁ ফোনটো কৰি ল'ব লাগিব।

মানুহজনে ওচৰৰ টেবুলখনত থকা টেলিফোনৰ ৰিছিভাৰটো তুলি লৈ ডায়েল ঘূৰালে। প্ৰায় এবাৰ বজাৰ লগে লগে সিপাৰে সঁহাৰি দিলে 'হেল্ল! নমস্কাৰ। পানবজাৰ পুলিচ ষ্টেচন।'

'মই টু নাইন চেভেন ফ'ৰ টুৰ পৰা কৈছো।' মানুহজনে অস্পষ্টকৈ ক'লে, 'আপুনি নিঃশ্চয়.....'

'মই এচ. আই. বিক্ৰম দত্তই কৈছো। আপুনি?'

'শুনক। মই উত্তৰ শৰণীয়াৰ পৰা কৈছো। কাৰ ঘৰৰ পৰা কৈছো ফ'ন নম্বৰটো চাই ধৰিব পাৰিব। এতিয়া শুনক। মানুহ এজনক মই হত্যা কৰিব ওলাইছো। আপুনি আহি লাচটো মৰ্গলৈ নিয়াৰ যো-জা কৰিব।'

ফ'নটো থৈ দিলে মানুহজনে। ছিগাৰেটটো এচষ্ট্ৰেত গুজি দিলে। পকেটৰ পৰা হাত মোজা এজোৰ উলিয়াই লৈ পিন্ধি ল'লে। এইবাৰ তেওঁৰ হাতত জিলিকি উঠিল ৰিভলভাৰ এটা।

তেওঁ ৰৈ আছে।

পৰ্চত গাড়ীখনৰ ৰৈ যোৱাৰ শব্দ শুনিছে তেওঁ। গাড়ীখনৰ দৰ্জা এখন খোলাৰ শব্দ হ'ল, পিছমুহুৰ্ত্তত আৰু এখন। তেন্তে গাড়ীখনত দুজন মানুহ আহিছে নেকি?

মানুহজন কিছু উত্তেজিত হ'ল।

'আপুনি লাইটটো নুমাই ৰাখিছে কিয়?' বাহিৰৰ বাৰাণ্ডাত নাৰীকণ্ঠৰ সুৰ।

'ওহো, যাওঁতে জ্বলাই গৈছিলো। কিজানি ... ৰ'ৱা তুমি। মই দৰ্জাখন খুলি লওঁ ....' পুৰুষকণ্ঠৰ মাতটোৱে মানুহজনৰ সিৰা উপসিৰাৰ মাজেৰে এক উষ্ণ তেজৰ ঢল বোৱালে। তেওঁ ৰিভলভাৰটো ওপৰলৈ তুলি আনিলে। দৰ্জাখনৰ মুখামুখিকৈ থিয় হৈছে তেওঁ। এতিয়া মাথো....

২

দৰ্জাখনৰ লকটোত চাবিডাল সোমাব লৈয়ো তেওঁ থমকি ৰ'ল।

লাইটতো তেওঁ সঁচাকৈয়ে জ্বলাই গৈছিল। ঠিক মনত আছে তেওঁৰ। ওচৰৰ ঘৰবোৰতো বিজুলীৰ সৰবৰাহ আছে। তেন্তে ...

বাৰাণ্ডাখনৰ দেৱালত থকা বাল্বৰ চুইচটো অন কৰিব ওলাইয়ো তেওঁ নকৰিলে।

'কি হ'ল?' সুধিলে পিছফালৰ পৰা তিৰোতা গৰাকীয়ে।

'একো হোৱা নাই।'

কথাষাৰ কৈ তেওঁ দৰ্জাখন খুলি দি ভিতৰলৈ এখোজ সোমাই গ'ল। মুহুৰ্ত্ততে দুটা শব্দ হ'ল, হিচছ্ - হিচছ্ ; এটা অস্পষ্ট গেঙনি। আৰু ... তেওঁ মজিয়াখনত ৰক্তাপ্লুত হৈ ঢলি পৰিল।

দৌৰি আহিল তিৰোতাগৰাকী।

হালি গৈ চালে মানুহজনক ; কিন্তু ইতিমধ্যেই.....

বৰ ভয় খাইছে তিৰোতাগৰাকীয়ে! হাতৰ তলুৱাত লাগিছে তেজৰ উষ্ণ স্পৰ্শ। উচপ খাই উঠিল তেওঁ। হঠাতে তেওঁৰ খেয়াল হ'ল বৰ বিপদজনক পৰিস্থিতিত সোমাই পৰিল তেওঁ। এনেকুৱা পৰিস্থিতিৰ সন্মুখীন হ'বলৈ কোনেও কামনা নকৰে। এয়া যে মৃত্যু ফান্দ।

মানুহ গৰাকী উঠিল। কোঠাটোৰ পৰা ওলাই আহি বাৰাণ্ডাখনত ভৰি দিলে। চাৰিওফালে এবাৰ চকু ফুৰাই মাৰুতিখনত উঠি বহিল। বৰ অস্থিৰ হাতেৰে চাবি পকালে। প্ৰথমবাৰ নিষ্ফলে গ'ল। বৰ উত্তেজিত হৈছে মানুহগৰাকী। পিছৰবাৰ কিছু জোৰেৰে চাবি পকালে। মৌন শব্দৰ লহৰ তুলি গাড়ীখন ষ্টাৰ্ট হ'ল। বেক কৰি তেওঁ গেটলৈ বুলি গাড়ীখন লৈ গ'ল কিছু বেগেৰে ; অস্বাভাৱিক ভাৱে ; কিন্তু ....

হে ভগৱান ... সৌ ঘৰটোৰ পৰা মানুহ এজন ওলাই আহি গেটৰ ওচৰত থিয় হৈছে কিয়?

'কি হ'ল পাঠক? এই আহিছিলহে ....!!'

গেটত ৰোৱা মানুহজনে আৰু কিবা সুধিছিল ; তেওঁ নুশুনিলে। উল্কাবেগেৰে গাড়ীখন গেট পাৰ কৰাই তেওঁ গুছি গ'ল, নামনিলৈ যোৱা পথটোৰে .....।

আৰু যাওঁতে মানুহজনক চিটিকাই থৈ গৈছিল তেওঁ।

চীৎকাৰ কৰি মানুহজন ঢলি পৰিছিল।

তথাপিও নৰ'ল তেওঁ। এক্সেলেটাৰত আৰু জোৰেৰে হেঁচা দিলে তেওঁ।

## ৩

বৰ উত্তেজিত হৈছে মানুহগৰাকী। গাড়ীখনৰ ষ্টাৰ্ট বন্ধ কৰিয়ে এক প্ৰকাৰ উন্মাদিনী হৈ তেওঁ ঘৰটোলৈ বুলি সোমাই গ'ল। দৰ্জাখন বন্ধ হৈ আছিল। দৰ্জাখনত সশব্দে ঢকিয়াব ধৰিলে তেওঁ। চিঞৰিলে, 'প্ৰাঞ্জল!'

বৰ কঁপিছিল মাতটো। এটা যেন আতংক জড়িত গেঙনি।

দৰ্জাখন খোল খালে। এজন পয়ত্ৰিশ বছৰীয়া পুৰুষ ওলাই আহিল।

'কি হ'ল অৰুণা?' সুধিলে পুৰুষজনে।

'খবৰ সাংঘাটিক। মই ....' কোনো ৰকমে মাথো সিমানখিনিহে ক'লে তেওঁ। প্ৰাঞ্জলে অৰুণাক ভিতৰলৈ লৈ আনি দৰ্জাখন বন্ধ কৰি দিলে। অৰুণাই চোফা এখনত বহি কোনোমতে ক'লে, 'মই মানে ... মানবেন্দ্ৰ পাঠকৰ সৈতে তেওঁৰ ঘৰলৈ গৈছিলো.....'

'জানো।'

'তুমি জানা?'

'অ। তাৰ পিছত কি হ'ল কোৱা?' প্ৰাঞ্জলে গহীনাই ক'লে।

'পাঠকক কোনোবাই হত্যা কৰিলে।' অৰুণাই সৰুকে ক'লে।

'কি?'

'অ। মোৰ দুচকুৰ আগতে ড্ৰইং ৰুমৰ ভিতৰৰ পৰা কোনোবাই তেওঁক গুলীয়ালে। মই ততালিকে তেওঁৰ মাৰুতিখনেৰে গুছি আহিলোঁ।'

'তাৰমানে তুমি অহা মাৰুতিখন........।'

'অ। পাঠকৰ।'

প্ৰাঞ্জল দুঃশ্চিন্তাত পৰিল। অৰুণাৰ মুখৰ কথাখিনিয়ে দুৰ্য্যোগ কঢ়িয়াই আনিছে। পাঠকৰ হত্যাকাৰী যিয়েই নহওঁক লাগে, অৰুণাই খুন্দিয়াই অহা মানুহজন যদি এতিয়াও বাছি আছে, তেন্তে নিশ্চয় পুলিচে মাৰুতিৰ আৰোহী মহিলাগৰাকীৰ কথা জানিব। অকল প্ৰাঞ্জল কিয়, গুৱাহাটীৰ বহুতেই জানে অৰুণা আৰু পাঠকৰ সম্বন্ধৰ কথা। তেনেস্থলত .....

প্ৰাঞ্জলে কোঠাটোৰ সিটো মূৰলৈ খোজ ল'লে।

'ক'লৈ যোৱা?' অৰুণাই সুধিলে।

প্ৰাঞ্জলে উত্তৰ নিদিলে। সিটো মূৰত থকা টেলিফোনৰ ৰিছিভাৰডাল ডাঙি ৰিং কৰিলে। অলপ পিছত মাত লগালে, 'এইটো পাণবজাৰ সদৰ পুলিচ ষ্টেচন নেকি?'

'হয়।'

'ডি এচ পি চৰণ বৰ্মণক লগ পামনে?'

'তেখেত নাই। কোনে কৈছে আপুনি?'

প্ৰাঞ্জলে নামটো নক'ই পুনৰাই সুধিছিল, 'আচ্চা উত্তৰ শৰণীয়ালৈ গৈছে নেকি তেওঁ?'

'উত্তৰ শৰণীয়া? মানে অলপ আগৰ ..... আচ্চা কোনে কৈছিল আপুনি .... হেল্ল...... হেল্ল......'

প্ৰাঞ্জলে তৎমুহূৰ্ত্ততে ৰিছিভাৰটো থৈ দিলে। বৰ ভুল কৰিলো, প্ৰাঞ্জলে বিৰবিৰালে। মই উত্তৰ শৰণীয়াৰ কথা উলিয়াব নালাগিছিল। পুলিচে ইতিমধ্যেই উত্তৰ শৰণীয়াৰ মাৰ্ডাৰৰ কথা গম পাই গৈছে। চৰণ বৰ্মণ নাই যেতিয়া এই মূহুৰ্ত্তত তেওঁলোকক ৰক্ষণাবেক্ষণ দিবলৈয়ো কোনো নাই। তেন্তে ..... প্ৰাঞ্জলে দ্ৰুত চিন্তা কৰিলে।

'অৰুণা।'

'কি?'

'তুমি আকৌ মাৰুতিখন চলাব লাগিব। তুমি অকলে মাৰুতিখন চলাই নিবা। তুমি চিন্তা নকৰিবা। মই পিছে পিছে এম্বেচাদৰ খন চলাই যাম। মাৰুতিখন এনে এঠাইত থ'ব লাগিব য'ত থাকিলে আমাৰ মুঠেই ভয় নাথাকিব, অন্ততঃ পুলিচৰ পৰা।'

'কিন্তু ক'ত থ'বা?'

'পাণ্ডুৰ মফিজ ৰহমানৰ মটৰ গেৰেজত।'

'কিন্তু তালৈ কিয়?'

'তাৰ বাহিৰে আৰু উপায় নাই। মাৰুতিখন তাত থৈ আমি অৰিন্দম চৌধুৰীৰ ঘৰলৈ যাম। পাঠকৰ মৃত্যু হ'ল যেতিয়া আমি এতিয়া মাত্ৰ তিনিজনহে ৰ'লো।'

প্ৰাঞ্জল উঠিল। অৰুণায়ো উঠি খোজ ল'লে। কিন্তু দৰ্জাখনৰ ওচৰ পাই মাত লগালে, 'প্ৰাঞ্জল।'

'কি হ'ল?'

'অৰিন্দম চৌধুৰীক এতিয়া বিশ্বাসত লোৱাটো ঠিক হ'ব জানো? আমিযে তেওঁৰেই বিপক্ষে — থাওঁক সেইবোৰ। তদুপৰি মোৰ সন্দেহ হৈছে চৌধুৰীয়ে কিজানি নিজেই পাঠকক হত্যা কৰিলে.......'

'চৌধুৰীৰ দৰে ক্ষীণকায় দুৰ্ব্বল মানুহজনৰ কাৰণে সিমানখিনি কৰাটো অসম্ভৱ।'

'তেওঁ নিজে নহ'লেও আনৰ হতুৱাই......'

'অসম্ভৱ।'

অৰুণাই আৰু একো নক'ই নীৰৱে মাৰুতিখনত উঠি বহিল। প্ৰাঞ্জলে নিজৰ এম্বেচাডৰখন উলিয়াই লৈ ঘড়ীটো চলে। প্ৰায় নটা বাজিছে। আলিবাটটো কিছু জনশূণ্য। দেওঁবৰীয়া নিশাৰ ফলশ্ৰুতি।

প্ৰাঞ্জলৰ সন্মুখত অৰুণাৰ মাৰুতিখনৰ বেক লাইটৰ বিন্ধু দুটা।

মাছখোৱা পাৰ হৈ ভাঁজটো ঘূৰিছে অৰুণাৰ গাড়ীখন। দূৰৈত ভৰলুমুখৰ ট্ৰেফিক পইণ্টটো চকুত পৰিছে প্ৰাঞ্জলৰ। প্ৰাঞ্জলে গতিবেগ আৰু বঢ়ালে। ট্ৰেফিক পইণ্টটো আৰু বেছি স্পষ্ট হৈছে। প্ৰাঞ্জলে ভালদৰে চাই পঠিয়ালে। প্ৰাগজ্যোতিষ কলেজলৈ যোৱা পথটোৰ মুখত যেন গাড়ী এখন ৰৈ আছে। পিছফালৰ লাইট দুটা জ্বলি আছে। প্ৰাঞ্জল নিশ্চিত হ'ল গাড়ীখন এম্বেচাডৰ গাড়ী ; কিন্তু.......

সৌ মানুহজন গাড়ীখনৰ ওচৰত থিয় হৈ আছে কিয়?

দূৰৈৰ পৰাই দেখিছে মানুজনক প্ৰাঞ্জলে।

চেহেৰাটো মাথো চকুত পৰিছে। ওখ, কিন্তু ক্ষীণকায়। মুখখন চকুত পৰা নাই।

আৰু মাত্ৰ এপলক, অৰুণাৰ মাৰুতিখনৰ হেড লাইটৰ পোহৰ পৰিলেই চিনি পাব মানুহজনক প্ৰাঞ্জলে।

সময়বোৰ বেছ খৰকৈ আগুৱাইছে।

প্ৰাঞ্জলে দেখিলে মানুহজনে দুয়োখন হাত মুঠি মাৰি শৰীৰটোৰ লগত সমকোণ কৰি আনিছে।

অৰুণাৰ হেডলাইটৰ পোহৰ মানুহজনৰ মুখত পৰিছে।

প্ৰাঞ্জলৰ মুখখনে ততালিকে বৰণ সলালে। মানুহজনক চিনি পালে প্ৰাঞ্জলে ; কিন্তু তেওঁ তাত কিয় ৰৈ আছে?

মুহূৰ্ত্ত তে উত্তৰটো পালে প্ৰাঞ্জলে। মানুহজনৰ হাতৰ পৰা যেন জুই বিৰিঙিলে, তাৰ পিছমুহূৰ্ত্ততে অৰুণাৰ মৰণ আৰ্তনাদ কাণত পৰিল প্ৰাঞ্জলৰ। প্ৰাঞ্জলে ততালিকে ব্ৰেক টিপিলে ; কিন্তু ইতিমধ্যেই অৰুণাৰ মাৰুতিখনে ট্ৰেফিক পইণ্টটোত খুন্দা মাৰিলেগৈ। প্ৰাঞ্জলে দ্ৰুত চিন্তা কৰিলে। তাৰ দুচকুৰ আগতে চিনাকি আততায়ীজন গাড়ীখনত উঠি গুছি গৈছে। ইতিমধ্যে ভৰলুমুখ থানাত হুইচেল বাজিছে। প্ৰাঞ্জলে আৰু পলম নকৰিলে। তাৰ সন্মুখত এতিয়া মাথো এটা পথেই খোলা আছেগৈ।

৪

'এই ৰাতিখন!!'

'অ। দৰকাৰ হোৱা কাৰণেহে এই ৰাতিখন আহিছো।'

মফিজ ৰহমানে প্ৰাঞ্জলৰ আৰু ওচৰ চাপি আহি অনুচ্চ কণ্ঠেৰে প্ৰাঞ্জলক কিবা সুধিলে। প্ৰাঞ্জলেও প্ৰত্যুত্তৰত কিবা এষাৰ ক'লে, 'মকবুল! তই চাৰিওফালে চকু ৰাখিবি। পুলিচ বা অইন কোনোবা আহিলেই খবৰ দি দিবি।' ওচৰত ৰৈ থকা যুৱক এজনক কথাখিনি কৈ মফিজ ৰহমানে প্ৰাঞ্জলক গেৰেজৰ ভিতৰত থকা কেবিনটোলৈ লৈ গ'ল। প্ৰাঞ্জল বহাৰ পিছত গহীনাই সুধিলে ৰহমানে 'এতিয়া মই কি কৰিব লাগিব চহৰীয়া?'

'মাত্ৰ মোক চৌধুৰী আৰু পুলিচৰ হাতৰ পৰা বচাব লাগে।'

'পুলিচৰ হাতৰ পৰা বচাব পৰা যাব যিহেতু ডি. এচ. পি. বৰ্মণ ...'

'ওঁহো, বৰ্মণৰ কথা বাদ দিয়ক। মোৰ বোধেৰে চৌধুৰীয়ে তেওঁক ইতিমধ্যেই কিনি ল'লে।'

'তেতিয়া হ'লে আপোনাৰ বিপক্ষে এতিয়া দুজন শক্তিশালী শত্ৰু।' অলপপৰ ৰৈ ৰহমানে মাত লগালে, 'এতিয়া আত্মৰক্ষাতকৈ আক্ৰমণেই বেছি ভাল হ'ব।'

'তাৰ মানে?'

'অৰ্থ অতি সহজ। শুনক —' হঠাতে ৰহমান ৰৈ গ'ল। ফুচফুচাই ক'লে, 'কোনোবা আহিছে। আপুনি বাহিৰলৈ নোলাব।'

ৰহমান বাহিৰলৈ ওলাই আহিল।

গেৰেজটোৰ ভিতৰত কোনো নাই। দূৰৈত মকবুলে বিড়ি হুপি থিয় হৈ আছে। ৰহমানক দেখা পাই মকবুলে চিঞৰিলে, 'আব্দুল দৌৰি আহি আছে চাৰ।'

ৰহমান আগুৱাই গ'ল। ৰহমানেও দেখিছে আব্দুল দৌৰি অহা।

'কি হ'ল আব্দুল?'

'অলপ আগতে পুলিচৰ জীপ এখন মালিগাওঁ চাৰি আলিলৈ আহিছিল।' আব্দুলে ফোঁপাই ফোঁপাই ক'লে, 'আপোনাৰ কথা সুধিছিল। পিছত গ'লগৈ। কিজানি ঘূৰ্চলৈ আকৌ আহিব।'

ওঁ, নিশ্চয় আকৌ আহিব। কিন্তু তেতিয়ালৈ পোন্ধৰ মিনিট সময় হাতত পাব ৰহমানে। এইকণ সময়ৰ তেওঁ সদব্যৱহাৰ কৰিব লাগিব। ইমানদিনে বিচাৰি ফুৰা চিকাৰ নিজেই আহি জালত বন্দী হৈছে।

ৰহমানে খৰখোজেৰে কেবিনলৈ সোমাই আহিল। চকী এখনত বহি প্ৰাঞ্জললৈ চালে। প্ৰাঞ্জলৰ চিন্তিত মুখ।

'চহৰীয়া।'

'কওঁক।'

'চাওঁক চহৰীয়া।' ৰহমানে লগে লগে আৰম্ভ কৰিলে 'আপোনাৰ সন্মুখত এতিয়া দুজন শত্ৰু। অৰিন্দম চৌধুৰী আৰু ডি. এচ. পি. চৰণ বৰ্মণ। আপোনাৰ প্ৰকৃত স্বৰূপ মোৰ বাহিৰে অকল এই দুজনেহে জানে। কিয়নো অৰুণা অৰিন্দ্ৰম চৌধুৰীৰ হাতত মৃত্যু হ'ল। আৰু খুব সম্ভৱ পাঠকো চৌধুৰীৰ হাততে নিহত হ'ল। এতিয়া যদি চৌধুৰী আৰু বৰ্মণৰ মৃত্যু ঘটে আপুনি সীমাহীন সম্পদৰ অধিকাৰী হ'ব। অন্ততঃ এক্সত্ৰিমিচক এমুউনিচন বেচা আৰু সকলো ধৰণৰ স্মাগলিঙৰ পৰা হোৱা লাভৰ টকাখিনি ; যিখিনি এতিয়া ক'ত আছে অকল আপুনিহে জানে।'

'আপুনি কি ক'ব ওলাইছে মই বুজি পোৱা নাই।'

'মোৰ কথাৰ অৰ্থ তেনেই পোনপটিয়া। আপুনি নিশ্চয় জানে আপোনাৰ হাতত যিমান টকা আছে সেইখিনি চৌধুৰী আৰু বৰ্মণ জীয়াই থকা পৰ্য্যন্ত আপুনি নিষ্কণ্টকে ভোগ কৰিব নাপাব। বৰং যিকোনো মুহূৰ্ত্তত মৃত্যু হোৱাৰহে ক্ষণ মিলিব। অথচ আপোনাৰ হাতত সামৰ্থ্য নাই তেওঁলোকক প্ৰতিৰোধ কৰাৰ। আছে মোৰ। মই তেওঁলোকক ধ্বংস কৰিম। বিনিময়ত মই বিচাৰিছো আধা ভাগ। ওঠৰ কৌটি টকাৰ

আধা।'

'অসম্ভৱ।'

'আপুনি আকৌ চিন্তা কৰি চাওঁক চহৰীয়া! সন্মুখত মাথো পোন্ধৰ মিনিট সময়।'

'পোন্ধৰ মিনিট?' প্ৰাঞ্জলে মুখতে বিৰবিৰালে।

'অ! পোন্ধৰ মিনিট। সিমানকণ সময়ৰ ভিতৰতে বৰ্মণ দলে বলে এইখিনি আহি পাব আৰু তেতিয়া .....'

প্ৰাঞ্জলে চিন্তা কৰি চালে।

'মই প্ৰস্তুত।' অৱশেষত প্ৰাঞ্জলে ক'লে।

'ভাল কথা।'

ৰহমানে কথাযাৰ কৈ বাহিৰ পালেহি। 'মকবুল' বুলি চিঞৰিব ওলাইছিল, নিচিঞৰিলে। ৰহমানে দেখিলে জীপ এখন আহি আছে। ওপৰত ৰঙা লাইট এটা এবাৰ জ্বলিছে, পিছৰ বাৰ নুমাইছে। আৰু ৰহমানে জানে ইয়াৰ অৰ্থ মাথো এটাই হ'ব—

৫

হামিয়াই হিকটিয়াই বহি আছে সদৰ থানাৰ এচ. আই. পুলকেশ শৰ্মা। ফ'নটো বাজি উঠালৈকে অপেক্ষা কৰি আছে পুলকেশ শৰ্মা। বৰ বিৰক্তিকৰ কাম। তথাপিও গত্যন্তৰ নাই। ডি. এচ. পি. চৰণ বৰ্মণৰ আদেশ, অইন ডি. এচ. পি. অথবা এচ. পিয়ে ক'লেও পুলকেশ শৰ্মা এতিয়া শুই থাকিলেহেঁতেন ; কিন্তু ডি এচ পি বৰ্মণৰ কথা সুকীয়া। আজি বাৰু কিমান টকা দিব এই সৰু কামটোৰ কাৰণে?

'কি হ'ল শৰ্মা? টোপনি আহিছে?' কোঠাটোলৈ সোমাই আহিল ইণ্টেলিজেনছ ব্ৰাঞ্চৰ এচ আই ফুকন।

'নাই অহা।'

'ফ'ন ডিউটি?' চকী এখনত বহী লৈ সুধিলে ফুকনে।

'অ।'

'কাৰ?'

'ডি. এচ. পি. বৰ্মণৰ।'

'তেতিয়া হ'লে আপোনাৰ লাভেই লাভ।'

'মানে?' পুলকেশে অকৰাৰ ভাও জুৰিলে।

'নুবুজিলে? অৱশ্যে আপুনি নুবুজিব। আপুনি নতুন ; কিন্তু সাৱধান শৰ্ম্মা। বৰ্মণৰ পাকচক্ৰত নোসোমাব। জানি থওঁক চি বি আয়ে বৰ্মণৰ ওপৰত চকু ৰাখিছে। সন্দেহ

কৰিছে অপৰাধ জগতৰ সৈতে তেওঁৰ ঘনিষ্ঠ সম্পৰ্ক আছে। যিকোনো মুহূৰ্ত্তত তেওঁ চাচপেণ্ড হ'ব পাৰে অথবা বৰ্খাস্ত অথবা জেল .... আপুনি তাৰ মাজত ........'

ক্রিং...... ক্রিং.......

ফ'নটো বাজি উঠা দেখি ফুকন উঠি গুছি গ'ল।

নীৰৱে ফ'নটো ধৰিলে শৰ্মাই। মনে মনে শুনি গ'ল। খন্তেক পিছত ৰিচিভাৰটো ক্রেদেলত থৈ থিয় হ'ল। শৰ্মা কিন্তু গহীন, চিন্তিত। গহীন খোজেৰে কোঠাটোৰ পৰা ওলাই মাজৰ দীঘল কৰিডৰটোত ভৰি দিলে।

ঘড়ীত এতিয়া নিশা এঘাৰটা বাজিছে।

কৰিডৰটো জনশূণ্য। মাত্র আঁতৰৰ ভাজটোৰ মূৰত দুজন মানুহ থিয় হৈ আছে। শৰ্মাই চিনি পালে মানুহ দুজনক। এচ. আই. ফুকন আৰু চি. বি. আইৰ ইন্সপেক্টৰ মেহতা .... তাৰমানে ফুকনে সঁচা কথাকে কৈছিল। চি. বি. আইৰ চকু পৰিছে বৰ্মণৰ ওপৰত, হয়তো তেওঁৰ ওপৰতো .....

পুলকেশে ঘটনাৰ গুৰুত্ব বুজি পালে। কৰিডৰটোৰ পৰা নিঃশব্দে ওলাই আহি তেওঁ বাৰাণ্ডাত ভৰি দিলে। বাৰাণ্ডাৰ এচুকত থকা স্কুটাৰখন ঠেলি ঠেলি ৰাস্তালৈ আনিলে।

'ক'লৈ যায় শৰ্মা?'

উচপ খাই উঠি শৰ্মাই পিছলৈ ঘূৰি চালে। এচ. আই. ফুকনক দেখি পুলকেশৰ সৰ্ব্বাংগ সিয়ঁৰি উঠিল। তথাপিও মাতষাৰ যথাসম্ভৱ গহীনাই ক'লে, 'ঘৰলৈ। ডিউটি শেষ হ'ল।'

'যাওঁক।' ফুকন উভতি খোজ ল'লে।

পুলকেশ আৰু নৰ'ল, উল্কাগতিৰে স্কুটাৰ চলাই নিলে পুলকেশে। যিকোনো প্রকাৰে ডি. এচ. পি. বৰ্মণক টেলিফ'নত অহা খবৰটো দিব লাগিব।

শান্তিপুৰৰ আছাম টাইপৰ ঘৰ এটাৰ সন্মুখত স্কুটাৰখন ৰখালে পুলকেশে। ঘৰটো অন্ধকাৰ, নিমাওমাও। চাৰিওফালে সতৰ্কতাৰে দৃষ্টি বুলাই পুলকেশে অন্ধকাৰ বাৰাণ্ডাখনত ভৰি দি কলিং বেলৰ চুইচটো টিপিলে। খন্তেক পিছতে ভিতৰৰ পৰা পুৰুষ কণ্ঠ এটাই মাত লগালে, 'কোন?'

'মই, পুলকেশ শৰ্মা।'

দৰ্জাখন ততালিকে খোল খালে। পুলকেশ ভিতৰলৈ সোমাই গ'ল। কোঠাটো অন্ধকাৰ। ভিতৰত দুজন মানুহৰ অস্তিত্ব অনুভৱ কৰিলে পুলকেশে। এজন চিনাকি ডি. এচ. পি. বৰ্মণ। আনজন ওখ, ক্ষীণকায়, পুলকেশৰ অচিনাকি।

'বহা।'

পুলকেশ বহিল।

'কিবা খবৰ পালা?' সুধিলে বৰ্মণে।

'অ। প্ৰফুল্ল ৰায় বোলা ইনৰ্ফৰমাৰটোৱে ফ'ন কৰিছিল। আপোনাক বিচাৰিছিল। এঘণ্টাৰ ভিতৰতে তেওঁৰ ওচৰলৈ আপোনাক আৰু চৌধুৰীক যাব কৈছে। ক'লৈ যাব পিছে নক'লে। চৌধুৰী বোলাজনে চিনি পায় বোলে। তাতেই সকলো খবৰ দিব। লগত টকা দহহেজাৰো আনিব কৈছে।'

কথাষাৰ কৈ পুলকেশে উশাহ সলালে।

বৰ্মণে অইন মানুহজনলৈ চাই মাত লগালে, 'চৌধুৰী!'

মানুহজনে অৰ্থাৎ চৌধুৰীয়ে একো নক'লে, মাথো মূৰ দুপিয়ালে।

'তেনেহ'লে —' চকীখনত ভালদৰে বহি লৈ বৰ্মণে ক'লে, 'এই এঘণ্টাৰ ফলাফলে স্থিৰ কৰিব কোন ওঠৰ কৌটি টকাৰ মালিক হ'ব, আমি নে অইন কোনোবা .....'

'ওঠৰ কৌটি টকা?' বিৰবিৰালে পুলকেশে ; 'তাৰমানে টকাখিনি ক'ত আছে জনাবলৈকে প্ৰফুল্ল ৰায়ে ফ'ন কৰিছিল।'

'নহয়। টকাখিনি ক'ত আছে চৌধুৰীয়ে জানে। আৰু জানে এতিয়া অকল প্ৰাঞ্জল চহৰীয়াই ; কিন্তু যেতিয়ালৈকে প্ৰাঞ্জল চহৰীয়া জীয়াই থাকিব টকাখিনি উলিয়াই অনাটো অথবা ভোগ কৰাটো বৰ দুৰূহ হ'ব। সেই কাৰণেই প্ৰাঞ্জলক বিচাৰিছিলো। মফিজ ৰহমানৰ গেৰেজৰ পৰা আৰম্ভ কৰি সকলোতে। পুলিচৰ ইনফৰমাৰবোৰকো কামত লগাইছিলো। তাৰ ফলতেইতো ..... থানাত কিবা শুনিছিলা নেকি?'

'নাই শুনা। মাত্ৰ —' পুলকেশে সেপ ঢুকিলে।

'মাত্ৰ কি?'

পুলকেশে কওঁ নকওঁকৈ অৱশেষত কোনোমতে ক'লে, 'মই গম পাইছো আপোনাৰ পিছত চি. বি. আই লাগিছে।'

কথাষাৰ শুনি ঢেকঢেকাই হাঁহি দিলে বৰ্মণে। হাঁহি হাঁহিয়ে ক'লে, 'চি. বি. আইয়ে মোক একো কৰিব নোৱাৰে। সকলোবোৰ প্ৰমাণ মই নষ্ট কৰি দিছো। অৱশ্যে সন্দেহতে চাচপেণ্ড কৰিব পাৰে। কিন্তু আৰু দুমাহৰ পিছত নতুন চৰকাৰ প্ৰতিষ্ঠিত হ'লে আন্দোলনৰ কাৰণে বিতাড়িত বুলি কৈ চাকৰিত সোমোৱাতো বৰ উজু হৈ পৰিব। নহ'লেও ক্ষতি নাই । ন কৌটি টকা গোটেই জীৱনটোৰ কাৰণে যথেষ্ট।'

বৰ্মণ উঠিল।

বৰ্মণ মজলীয়া ওখ। পিন্ধনত সাধাৰণ পোছাক এযোৰ, কিন্তু দুচকুত ....

'চৌধুৰী।' মাত লগালে বৰ্মণে।

৬

ক্ৰিং — ক্ৰিং — ক্ৰিং —

চিলমিলকৈ টোপনি আহিছিলহে মাথো এচ. পি. সুন্দৰমজীৰ, তাকো ফ'নটোৰ শব্দত ভাঙি গ'ল। টোপনিৰ আবেগতে বিছনাৰ কাষৰ টেবুলখনত থকা টেলিফ'নৰ ৰিছিভাৰটো দাঙি লৈ মাত লগালে, 'মই এচ. পি. সুন্দৰমজীয়ে কৈছো।'

'নমস্কাৰ চাৰ। এই এচ. আই. বিক্ৰম দত্তই কৈছো।'

'কওঁক দত্ত।'

'খবৰ বেয়া চাৰ। চান্দমাৰীত তিনিজন মানুহৰ খুন হৈছে। আটাইকিজনে উত্তৰ শৰণীয়াৰ মানবেন্দ্ৰ পাঠকৰ কোম্পানীত কাম কৰিছিল। পাণ্ডুত অইন এজনৰ খুন হৈছে। মফিজ ৰহমানৰ গেৰেজৰ মেকানিক। আমি অনুমান কৰিছো চাৰ, দুটা গেঙৰ মাজত .......'

'ডি. এচ. পি. পাঠকৰ খবৰ কি?'

'তেখেতৰ পৰা আমি কোনো চিগনেল পোৱা নাই।'

'তেওঁৰ লগত সংযোগ কৰিবলৈ চেষ্টা চলাই থাকক। মই গৈ আছো।'

ফ'নটো থলে সুন্দৰমজীয়ে। কাষতে শুই থকা পত্নীলৈ চালে, নজগালে। বিছনাৰ পৰা উঠি কাপোৰযোৰ পিন্ধি তেওঁ সদৰ থানা পালেহি। ঘড়ীত এটা বাজিছে এতিয়া। কণ্ট্ৰল ৰূমৰ মুখতে এচ. আই বিক্ৰম দত্তক লগ পাই সুধিলে, 'আৰু কিবা খবৰ পাইছে দত্ত?'

'পাইছো চাৰ। পুলিচ ইনৰ্ফৰমাৰ প্ৰফুল্ল ৰায়ৰ খুন হৈছে। তেওঁৰ লগত থকাজনৰ সামান্য আঘাত হৈছে। তেওঁৰ মতে ৰায়ৰ ওচৰলৈ মফিজ ৰহমান আহিছিল। ৰহমানৰ সৈতে কিবা কথা হোৱাৰ পিছত ৰায়ে ইয়ালৈ মানে সদৰ থানালৈ ফ'ন কৰিছিল। তেওঁ প্ৰথমে ডি. এচ. পি. বৰ্মণক বিচাৰিছিল। বৰ্মণক নাপাই কোনোবা শৰ্মাক কৈছিল বৰ্মণক তেওঁৰ ওচৰলৈ পঠাই দিবলৈ। মোৰ বোধেৰে তেওঁ আমাৰ এচ. আই. পুলকেশ শৰ্মাৰ কথাকে কৈছে। ৰহমানে যোৱাৰ সময়ত প্ৰফুল্ল ৰায়ক গুলীয়াই থৈ গৈছে।'

'এচ. আই. পুলকেশ শৰ্মাই কি কয়?' সুধিলে সুন্দৰমজীয়ে।

'তেখেত নাই। ডিউটি শেষ নকৰাকৈ গুছি গৈছে।'

'ক'লৈ গৈছে? ঘৰলৈ?'

'ঘৰলৈ যোৱা নাই। ফাঁচীবজাৰৰ আউট পোষ্টৰ সন্মুখেদি মাছখোৱালৈ গৈ আছিল। এচ. আই. ফুকন গৈছে বিচাৰি। অলপ পিছতে খবৰ পাম।'

'ঠিক আছে। মই ৰৈছো। পুলিচ ভান এখন আৰু ৱায়াৰ-লেছ থকা জীপ এখন সাজু কৰি ৰাখক।'

'য়েচ চাৰ।'

বিক্ৰম দত্ত কণ্ট্ৰলৰুমৰ ভিতৰ পালেগৈ।

কিন্তু দুইমিনিট পিছতে উধাতুখাই দৌৰি আহি ক'লে, 'চাৰ।'

সুন্দৰমজীয়ে ঘূৰি চালে।

'ফুকনে খবৰ দিছে চাৰ, পুলকেশ শৰ্মাৰ স্কুটাৰখন শান্তিপুৰত অৰিন্দ্ৰম চৌধুৰীৰ ঘৰৰ সন্মুখত পোৱা হৈছে। কিন্তু ঘৰটোত কোনো নাই। ওচৰৰ ঘৰৰ মানুহ এজনৰ মতে কিছু সময় আগতে পুলিচৰ জীপ এখনত উঠি চাৰিজনমান মানুহ ভৰলুমুখলৈ গুছি আহিছে। ফুকনে চাৰিওফালে খবৰ দি পঠাইছে। আমাক সাজু হৈ থাকিব কৈছে।'

ষ্টেজ.....! মনত আওঁৰালে সুন্দৰমজীয়ে।

পুলিচৰ জীপ....! বৰ্মণৰ নহয়তো!!

কিন্তু ... মফিজ ৰহমানে প্ৰফুল্ল ৰায়ৰ হতুৱাই বৰ্মণক মাতি পঠিয়াইছে কিয়? মফিজ ৰহমানৰ লগত সম্পৰ্ক আছে যেতিয়া বৰ্মণৰ আণ্ডাৰৱৰ্ল্ডৰ লগতো সম্পৰ্ক থাকিব লাগিব। সেয়ে হ'লে চি. বি. আইৰ ৰিপ'টটো সঁচা বুলি ধৰি ল'ব লাগিব। কিন্তু প্ৰফুল্ল ৰায়ৰ হত্যা....

হঠাতে সুন্দমৰজীয়ে চিঞৰি দিলে, 'দত্ত ..... সোনকালে কৰক.... আমিও যাব লাগিব। এইটো এটা ট্ৰেপ ..... মৃত্যু ফান্দ। মফিজ ৰহমানে বৰ্মণক মাৰিবলৈ ক'ৰবালৈ টোপ দেখুৱাই লৈ গৈছে।'

ঠিক তেনেতেই কন্ট্ৰলৰুমৰ দৰ্জাখন মেল খালে।

'কি হ'ল বৰুৱা?' সুধিলে দত্তই।

'ডি. এ. পি. বৰ্মণৰ জীপখন ফটাশিলৰ চাইকেল ফেক্টৰীৰ সন্মুখেৰে কালাপাহাৰলৈ গৈ আছে......'

'হ্যাৰী আপ দত্ত।'

সুন্দৰমজীয়ে চিঞৰি দৌৰি গ'ল।

৭

নিঃসীম অন্ধকাৰ।

এনেই আওঁহতীয়া ঠাইখন। পাহাৰীয়া।

দিনতো কালাপাহাৰৰ এইটো ঢাললৈ মানুহ নাহে।

সৰু ঘৰ এটা। অন্ধকাৰত ডুব গৈ আছে। ভিতৰত কম পাৱাৰৰ লাইট এটা জ্বলি আছে। প্ৰকাণ্ড কোঠাটোৰ অইনকোণত মানুহ এজন বহি আছে। দুহাতত দুটা ৰিভলভাৰ। নিঃশ্চুপ হৈ আছে। একোবাৰ সন্মুখৰ দৰ্জাখনৰ আধা মেলখোৱা ফাঁকেৰে বাহিৰলৈ চাই পঠিয়াই। অইনবাৰ তেওঁ পিছফালে থকা খিৰিকিখনেদি পিছফালৰ চোতালখনলৈ চাই পঠিয়াই।

পিছফালখন অন্ধকাৰ।

প্ৰকাণ্ড শিলাখণ্ড এটাই পিছফালৰ এখণ্ড আগুৰি আছে।

শিলাখণ্ডৰ আঁৰত বহি বহি প্ৰাঞ্জলৰ মুঠেই ভাল লগা নাই। তথাপিও উপায় নাই। সি আঁৰচকুৰে কাষত থকা মফিজ ৰহমানলৈ চালে।

'আহিব জানো?'

'আহিব।'

'আহিলেও আপোনাৰ মানুহজনে যদি তেওঁলোকক মাৰিব নোৱাৰে?'

'তেওঁ নোৱাৰিলেও ক্ষতি নাই। ব'ম এটা লগাই থৈছো। ন কোটি টকাৰ কাৰণে ক'তো ছিদ্ৰ এটা ৰাখিব নোৱাৰি।'

কথাষাৰ কৈ হাঁহিলে ৰহমানে।

প্ৰাঞ্জলে ওঁঠখন চেপি ধৰিলে। এক জ্বলন্ত আক্ৰোশত কঁপিছে সি। এই ওঠৰ কৌটি টকা আত্মসাৎ কৰিবলৈকে সিহঁতে চৌধুৰীৰ বিপক্ষে ষড়যন্ত্ৰত লিপ্ত হৈছিল; তেতিয়া তাৰ ভাগত ছয়কোটিকৈ পৰিছিল। এতিয়া অৱশ্যে ন কোটি টকা পাব সি। এতিয়া যদি মফিজ ৰহমানৰ মৃত্যু হয় ....

আৰু যদি মফিজ ৰহমানেও একে বুদ্ধিকে পাঙিছে .....

ওঁহো, ৰহমানে তাৰ একো অনিষ্ট সাধন কৰিব নোৱাৰে। অন্ততঃ যেতিয়ালৈকে সি টকাখিনিৰ সন্ধেদ নিদিয়ে তেতিয়ালৈকে তাৰ জীৱন ৰহমানৰ কাৰণে অমূল্য সম্পদ হৈ ৰ'ব আৰু তাৰ পিছত......

মফিজ ৰহমান নিৰ্ব্বিকাৰ।

মাথো সন্মুখলৈ চাই আছে তেওঁ।

ঠাইখণ্ডৰ পৰা ঘৰটোলৈ উঠি অহা বাটতো পৰিস্কাৰকৈ দেখি। ৰহমানৰ চকু

পথটোত স্থিৰ হৈ ৰৈ আছে।

'সাৱধান চহৰীয়া! আহিছে।' ফুচফুচাই ক'লে ৰহমানে।

প্ৰাঞ্জল সঁচকিত হ'ল। সি বাটটোলৈ চালে। বাটটোৰ মূৰত জীপ এখন আহি ৰৈছে। প্ৰাঞ্জলে দেখিলে তিনিটা ছাঁয়ামূৰ্ত্তি জীপখনৰ পিছফালৰ পৰা নামি আহি নিঃশব্দে ঘৰটোলৈ বুলি আগুৱাইছে। মানুহকেইজন ঘৰটোৰ ওচৰ চাপি চাৰিওফালে এবাৰ চাই পুনৰ জীপখনৰ ওচৰলৈ আহিল। এইবাৰ জীপখন পৰা আৰু দুটা ছায়ামূৰ্ত্তি নামিল।

'চৌধুৰী আহিছে।'

'দেখিছো।'

প্ৰাঞ্জলে দেখিলে চৌধুৰী, বৰ্মণ আৰু অইন এজন ঘৰটোলৈ বুলি আগুৱাইছে; কিন্তু অইন দুজন? প্ৰাঞ্জল কিছু অস্থিৰ হ'ল। ক'লে, 'দুজন পিছফাললৈ আহিছে।'

'দেখিছো।'

ৰহমানে চাৰিওফালে চালে। দুটা ছাঁয়ামূৰ্ত্তি চুপি-চুপি ঘৰটোৰ দুই ফালেদি পিছফালৰ চোতালখনলৈ বুলি আগুৱাই আহিছে।

'সাৱধান চহৰীয়া। আপুনি মোৰ পিঠিত পিঠি লগাই থিয় হওঁক। ৰিভলভাৰটো সাজু কৰি ৰাখক।'

প্ৰাঞ্জলে একো নক'লে। সি কঁপিছে।

'নাৰিকল দুজোপা পাৰ হৈ মুকলিলৈ আহিলেই গুলী চলাব।'

'ওঁ।'

প্ৰাঞ্জলে চাই ৰ'ল।

আৰু মাত্ৰ দুখোজ! মানুহজনে আৰু দুখোজ আগুৱালেই নাৰিকল দুজোপাৰ পৰা মুকলিলৈ আহিব।

মানুহজন এখোজ আগুৱাই গৈয়ে হঠাতে নাৰিকল এজোপাৰ আঁৰত লুকাই গ'ল। পিছমুহূৰ্ত্ততে জুইৰ ফিৰিঙতি এটা চকামকাকৈ উজ্বলি উঠিল নাৰিকল জোপাৰ কাষত। আৰু পিছমূহুৰ্ত্তত ....

'আস ....।' ট্ৰিগাৰটোত টিপা এটা মাৰিয়ে প্ৰাঞ্জল চীৎকাৰ কৰি বাগৰি পৰিল।

ৰহমানে আৰু পলম নকৰিলে। ট্ৰিগাৰত আঙুলি বুলালে তেওঁ। হিচচ হিচচ্‌কৈ শব্দ হ'ল। মানুহজন ঠাইতে ঢলি পৰা দেখিলে ৰহমানে।

.... আৰু ঠিক তেতিয়াই প্ৰচণ্ড এক বিস্ফোৰণেৰে ঘৰটোত জুই একুৰা জ্বলি উঠিল। জুইৰ পোহৰ শিলাখণ্ডলৈ বিয়পিছে। মফিজ ৰহমানে দেখিলে প্ৰাঞ্জল পৰি

থকা।

'চহৰীয়া।'

প্ৰাঞ্জল নিঃশ্চুপ।

'চহৰীয়া ! কওঁক চহৰীয়া ..... ক'ত থৈছিল টকাখিনি ... চহৰীয়া....'

'টকাখিনি.....' প্ৰাঞ্জলে সেঁহালে 'পানী.....'

'কওঁক চহৰীয়া ... টকাখিনি ক'ত থৈছিল ..... চহৰীয়া ......'

'টকাখিনি ....' প্ৰাঞ্জল বৈ গ'ল। দুই কোঁৰাৰেদি এসুঁতি তেজৰ ঢল বৈ আহিল।

মফিজ ৰহমান উঠিল। হঠাতে তেওঁৰ অনুভৱ হ'ল তেওঁৰ বাওঁ-কান্ধখন যেন বেছ গধুৰ। তেওঁ উচপ খাই উঠিল। এসোপা তেজ গোট খাইছে। বিষাইছে এতিয়া।

যন্ত্ৰণাত কেঁকনি ওলাল মুখৰ পৰা।

কি কৰিব এতিয়া তেওঁ? আঁতৰত হুইচেলৰ শব্দ শুনিছে ৰহমানে। তেওঁ এতিয়া পলাব লাগিব ; কিন্তু ক'লৈ পলাব?

পিছফালেদি নামি যাব নেকি!

তললৈ.......

অন্ধকাৰ তললৈ .......... ০